জুলাই 2012 ■ ₹ 25/-

চান্দমামা

Mumbai Edition

৬৬তম বর্ষপূর্তি সংখ্যা

www.chandamama.com/parle/

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

সৰ্বকনিষ্ঠ পেশাদাৰী চিত্ৰশিল্পী

আৰুচি ভাটনগৰ হ'ল শৈলেন্দ্ৰ ভাটনগৰ আৰু বিনীতা ভাটনগৰৰ কণ্যা। তেওঁ ১১ মাহ বয়সতে কালিদাস একাডেমী, উজ্জয়নীত মুঠ ৫২ খন চিত্ৰৰে নিজৰ প্ৰথমখন একক চিত্ৰপ্ৰদৰ্শনী অনুষ্ঠিত কৰি 'সৰ্বকনিষ্ঠ পেশাদাৰী চিত্ৰশিল্পী'ৰ গীনীজ ৱৰ্ল্ড ৰেকৰ্ড স্থাপন কৰে। বৰ্তমান ৮ বছৰ বয়সীয়া আৰুচিয়ে ৩০০০ৰ অধিক চিত্ৰ অংকন কৰিছে আৰু ১৫০০ৰো অধিক প্ৰদৰ্শনী অনুষ্ঠিত কৰিছে। ৯ টা বঁটা আৰু ২৩ৰো অধিক সম্বৰ্ধনা লাভ কৰা আৰুচিৰ ৪ খন চিত্ৰ বিক্ৰী হৈছে। তেওঁ ২০০৫ চনৰ POGO এমাজিং কিডছ বঁটাত ৰাণাৰ আপ হয়, য'ত তেওঁ সৰ্বকনিষ্ঠ আছিল। ১ বছৰ বয়সত ভূপালত হোৱা ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত তেওঁ প্ৰথমটো পুৰস্কাৰ লাভ কৰিছিল। হায়দৰাবাদৰ চাইল্ড আৰ্ট ক্লাবৰ সৌজন্যত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত তেওঁ সোণৰ পদক লাভ কৰে।

শিশু দিৱসৰ দিনা এনে কম বয়সতে লাভ কৰা নানা সফলতাৰ বাবে আৰুচিক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সম্বৰ্ধনা জনায়। আৰুচিৰ কৃতকাৰ্যতাসমূহ CBSE কোৰ্ছৰ ৪ৰ্থ শ্ৰেণীত প্ৰকাশিত হৈছে।

ভুপালৰ ৰেখাংকন কলা সংস্থানৰ যোগেদি তেওঁ নিজৰ চিত্ৰ বিক্ৰী কৰি পোৱা টকাৰে বোবা আৰু কলা শিশুক আৰ্থিক সহায় প্ৰদান কৰে। বয়সৰ লগত যে সফলতাৰ সম্পৰ্ক নাই, আৰুচি তাৰ এক জলন্ত উদাহৰণ। আমি তেওঁ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

July 2012 ₹25/-
Founded by **B. Nagi Reddi and Chakrapani**

Editor & Publisher :
Prashant Sharad Mulekar
Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju
Sub Editor :
Patricia Pandian
General Manager :
Sowmya Bharadwaj
Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar
Artist :
Venki
Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar
Production In-charge :
Prashant Pawar
Circulation:
circulation@chandamama.com
Asst. Manager - Sales & Circulation:
Subhankar Rej
Sales Officer - Circulation :
K. Ravishankar
Advertisement :
sales@chandamama.com
Customer Help :
Ph: 022 40786043
customerhelp@chandamama.com
Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD.,
Published and Printed on their behalf by Prashant Sharad Muleker
Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093.
Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh.
Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-3 July 2012 Issue-07

✻ পাঠকৰ পত্ৰ ...০৬
✻ মোৰ স্মৃতি ...০৯
✻ দুই পুত্ৰ ...১১
✻ পাপী কোন? ...১৭
✻ চোৰৰ প্ৰবৃত্তি সলনি কৰা কুকুৰটো ...২০
✻ মন্ত্ৰী কোন? ...২২
✻ সম্পত্তিৰ ভাগবতৰা ...২৩
✻ মিত্ৰ ভেদ - ৩২ ...২৪
✻ যোগ্যতা ...২৭
✻ কৃপণ ভিক্ষাৰী ...৩০
✻ ভৈৰৱ শাস্ত্ৰী ...৩২
✻ বঙালাও চোৰ ...৩৫
✻ যোগ্য প্ৰাৰ্থী ...৩৯
✻ উপযুক্ত শাস্তি ...৪২
✻ তিম্মৰসু ...৪৪
✻ মানৱীয় দায়বদ্ধতা ...৪৮
✻ ভাল প্ৰশাসনৰ গোপন ৰহস্য ...৫২
✻ মই কিয় চিন্তা কৰিব লাগে? ...৫৪
✻ শিথিলালয় - ২৮ ...৫৫
✻ মহাদাতা ...৬৩
✻ ব্ৰহ্মাৰ সৃষ্টি ...৬৪
✻ ভাল পিতৃ ...৬৬
✻ মই কি হ'ব পাৰো? ...৬৭
✻ চান্দমামাৰ কাহিনী ...৭০
✻ চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪২ ...৭২
✻ কৌতুক ...৭৩
✻ ৰাজকীয় খাদ্য ...৭৪
✻ কথাৰ মালিহা ...৭৬
✻ ভাৰত দৰ্শন ...৭৮
✻ বীৰবল ...৮০
✻ গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

কেৱল মাথো বেমেজালি...

আমি বছৰটোৰ আধা পাৰ কৰাৰ সময়খিনিত আমাৰ চাৰিওফালৰ পৰিৱেশ আগতকৈ অধিক বেমেজালি পূৰ্ণ হৈ পৰিছে। সমগ্ৰ বিশ্ব, বিশেষকৈ ইউৰোপৰ দেশসমূহ অৰ্থনৈতিক মন্দাৱস্থাৰ সন্মুখীন হৈছে। এনে ঘটনাই সকলো লোকৰে জীৱনত খেলিমেলিৰ সৃষ্টি কৰিছে। ভাৰততো আমি এক অৰ্থনৈতিক জৰুৰী অৱস্থা দেখিবলৈ পাইছো। ডলাৰৰ তুলনাত ভাৰতীয় টকা মূল্য দ্ৰুত গতিত হ্ৰাস পাইছে আৰু উচ্চ মুদ্ৰাস্ফীতিৰ হাৰে সাধাৰণ মানুহৰ জীৱন ধাৰণ প্ৰায় অসম্ভৱ কৰি তুলিছে। এনে সময়ত আমি সকলো একগোট হৈ মাৰ বান্ধি পৰিস্থিতিৰ সন্মুখীন হব লাগিব। আমি আশা কৰো যে এই পৰিস্থিতিৰ মোকামিলা কৰি আমি নিজকে এক শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিচয় দিব পাৰিম। আমাৰ ভাৰতীয়সকলৰ এনে কঠিন সময়ৰ মোকামিলা কৰিব পৰাকৈ শক্তি আছে। কিয়নো আমাৰ সংস্কৃতি আৰু পৰম্পৰাগত মূল্যবোধৰ ভেটিটো অতিশয় সবল। চান্দমামায়ো ইয়াৰ জন্মৰে পৰা এনেবিলাক গুণৰেই প্ৰচাৰ কৰি আহিছে।

আমি আমাৰ জীৱন ধাৰণৰ প্ৰক্ৰিয়াৰ প্ৰয়োজনীয় সালসলনি কৰি লোৱা উচিত যাতে ধাৰৰ বোজাত ককবকাই থাকিবলগীয়া নহয়। যোৱা কেইটামান বছৰে আমাৰ মাজত প্ৰয়োজনীয়তাকৈ অধিক খৰচ কৰাৰ এটা প্ৰৱণতাই গা কৰি উঠিছে। এইটো একেসময়তে এটা ৰাষ্ট্ৰীয় সমস্যা আৰু ব্যক্তিগত সমস্যা। যিসকলে খৰচক নিয়ন্ত্ৰণ কৰিব পাৰে, তেওঁলোকে বেছিকৈ সাঁচি মন্দাৱস্থাৰ সময়চোৱাত বিপদৰ সন্মুখীন হোৱাৰ পৰা বাচি থাকিব পাৰিব। আমি আশা কৰো এই অৰ্থনৈতিক জৰুৰী অৱস্থাৰ অতি সোনকালে সমাপ্তি ঘটিব।

যোৱা সম্পাদকীয়ত আমি উল্লেখ কৰাৰ দৰে আমাৰ নিয়ন্ত্ৰণত নথকা কিছুমান কাৰণৰ বাবে আমি চান্দমামাৰ মূল্য বৃদ্ধি কৰিবলৈ বাধ্য হলো। ই আমাৰ লাভ বৃদ্ধি নকৰে, বৰঞ্চ লোকচানৰ পৰিমাণকহে কম কৰি তুলিব। আমি আশাকৰো পাঠকসকলে আমাৰ অৱস্থা অনুধাৱন কৰিবলৈ সক্ষম হব আৰু আগৰ দৰেই আমাক সহায়–সমৰ্থন দি যাব।

– সম্পাদক

পাঠকৰ পত্ৰ

চান্দমামাৰ সাফল্যই আমাৰ ৰাজ্য, দেশৰ সীমা অতিক্ৰম কৰি বিদেশতো জনপ্ৰিয়তা লাভ কৰিছে। মই এই কথা গম পালো মোৰ কণ্যা আৰু জোঁৱাইক লগ কৰিবলৈ ডুবাইলৈ যাওতে। তাত মই লক্ষ্য কৰিলো যে বাতৰি কাকত যোগান ধৰা লোকজনে চান্দমামাৰ চাহিদা পূৰণ কৰিব পৰা নাই। যেতিয়া আমি চান্দমামা এখন দিবলৈ কৈছিলো, তেওঁ প্ৰতিবাৰেই আমাক কৈছিল যে সকলো সংখ্যা বিক্ৰী হৈ গ'ল। ডুবাইত লক্ষাধিক তেলেগুভাষীয়ে বাস কৰে আৰু সেই অনুপাতে চান্দমামা তাত যোগান ধৰা নহয়। গতিকে এটা পৰিয়ালে কিনা চান্দমামাকে আন দহটা পৰিয়ালে ধাৰ কৰি নি পঢ়িবলগীয়া হয়। চান্দমামাৰ প্ৰতিটো পৃষ্ঠাই অতি মূল্যৱান। কেৱল শিশুৱেই নহয়, ডাঙৰ লোকসকলেও চান্দমামাৰ কাহিনীৰ জুতি লয়। মই ফটোৰ শীৰ্ষক দিয়া প্ৰতিযোগিতা চান্দমামাত পুণৰ আৰম্ভ কৰিবৰ বাবে অনুৰোধ কৰো।

– পুলিজালা ৰবিন্দৰ ৰাও, হায়দৰাবাদ

এইমাহৰ চান্দমামা আহি পাওতে অলপ পলম হ'ল। যদিও পলমকৈ আহিল, তথাপিও সেইখন হাতত লওতে এক অবৰ্ণনীয় মাদকতা লাভ কৰিলো । মই চান্দমামা কাহিনীসমূহৰ বাছনি প্ৰক্ৰিয়াক বেছ ভাল পাও। ১২ টা ভাষাত প্ৰকাশ কৰিবলগীয়া আলোচনী এখনৰ বাবে কাহিনীৰ বাছনি কৰাটো আৰু যোৱা ষাঠিবছৰৰ ধৰি পাঠকৰ প্ৰয়োজনক পূৰাই থকাটো একেবাৰেই উজু কথা নহয়। কাহিনী আৰু চিত্ৰবিলাকক চান্দমামাৰ জীৱন ৰেখা হিচাপে অভিহিত কৰিব পাৰি। কিন্তু সফলভাৱে ১২ টা ভাষাৰ পাঠকক আমোদ দিব পৰাকৈ কাহিনী এটা বাছনি কৰিব পৰাটোৱেই হ'ল চান্দমামাৰ সফলতাৰ মূল চাবিকাঠি। চান্দমামাৰ কাহিনীবিলাক কেনেদৰে বাছনি কৰা হয় সেই কথা কোনেও নাজানে। কিন্তু অনুমান কৰিব পাৰি যে এই কাম অতি নিপুণতাৰে সমাধা কৰা হয়। চান্দমামাৰ কাহিনী বাছনি প্ৰক্ৰিয়াৰ লগত ইমান দিনে যি সকল লোক জড়িত হৈ আছে সেই সকলোলৈকে মোৰ অভিনন্দন জ্ঞাপন কৰিছো।

– ড. চিৰি, মিৰয়ালাগুডা, নালগণ্ডা, অন্ধ্ৰপ্ৰদেশ

মই বৰ্তমান বেদসমূহ অধ্যয়ন কৰি আছো। মই চান্দমামাৰ মে মাহৰ সংখ্যা পঢ়িলো। মই সেই সংখ্যাৰ কাহিনীবিলাক বৰ ভাল পালো। বিশেষকৈ ধাৰ লোৱা বিপদজনক, কৰ্মহীন, দান কৰাৰ অভ্যাস আদি কাহিনীকেইটা বৰ ভাল পালো। এই মাহৰ সংখ্যাত প্ৰকাশিত ছটা চুটি কাহিনী বৰ সুন্দৰ হৈছে। মই চুডুকু আৰু সাধাৰণ জ্ঞান সম্বন্ধীয় আৰু অধিক শিতান আৰম্ভ কৰিবলৈ অনুৰোধ কৰো। ভূতৰ পৰা পৰিত্ৰাণ কাহিনীৱে আমাক চিন্তাৰ খোৰাক জগায়।

– ভি আৰ সুব্ৰমণ্যম, বিজয়ৱাড়া, অন্ধ্ৰ প্ৰদেশ

মই যোৱা ছল্লিশ বছৰৰ পৰা নিয়মিতভাৱে চান্দমামা পঢ়ি আহিছো। যোৱা মাহত চান্দমামাত

প্ৰকাশিত সকলো কাহিনীয়েই মোৰ ভাল লাগিল। আপোনালোকে বহু দিনৰ মূৰত জীৱজন্তুৰ লগত সম্বন্ধ থকা কাহিনী প্ৰকাশিত কৰিলে। মই টি শম্ভুদাস ছদ্মনামত দাসৰি সুব্ৰমণ্যই ৰচনা কৰা জীৱজন্তুৰ ওপৰত আধাৰিত কাহিনী প্ৰকাশ কৰিবলৈ অনুৰোধ কৰো।

– ভি সীতাৰামাৰাজু, গোৰাগণমুণ্ডি, পশ্চিম গোদাৱৰী, অন্ধ্ৰপ্ৰদেশ

আপোনালোকে চান্দমামাত ককাদেউতাৰ কাহিনীসমূহ পুণৰ প্ৰকাশ কৰা আৰম্ভ কৰিছে। এইবিলাক সুন্দৰ কাহিনী একো একোটা সংস্কৃত শ্লোকৰ ওপৰত ৰচিত আৰু নীতিকথা যুক্ত। ইতিমধ্যেই এটা প্ৰজন্মৰ ওপৰত বিশেষ প্ৰভাৱ পেলোৱা এই সুন্দৰ কাহিনীবিলাক পুণৰ প্ৰকাশ কৰাটো সঁচাই অতি প্ৰশংসনীয়। মই তাৰবাবে আপোনালোকক ধন্যবাদ জনাইছো।

– মোহনৰূপ, তিৰুপতি

মই, সুনীল চাকালকালে, ১৯৬৭ চনৰে পৰা চান্দমামাৰ নিয়মীয়া পাঠক। বৰ্তমান কিছু পৰিমাণে পৰিৱৰ্তনৰ পোছাক পিন্ধা চান্দমামা মোৰ সৰু কালৰ অতি প্ৰিয় আলোচনী আছিল। চান্দমামাৰ প্ৰতিটো সংখ্যাই মোৰ বাবে আছিল এক আনন্দৰ সঁফুৰা। এই কথা কবলৈ পাই সুখী যে বৰ্তমানতো চান্দমামাই সেই পৰম্পৰা বজাই ৰাখিবলৈ সক্ষম হৈছে।

– সুনীল এম চাকালকালে, নাছিক, মহাৰাষ্ট্ৰ

মোৰ বয়স হ'ল কেৱল ১২ বছৰ। মই যোৱা পাঁচবছৰ ধৰি চান্দমামাৰ নিয়মীয়া পঢ়ুৱৈ। মই চান্দমামাৰ কাহিনীবিলাক বৰ ভাল পাও, বিশেষকৈ বিক্ৰম-বেতাল আৰু বীৰবলৰ কাহিনী। উদীয়মান তাৰকা শিতানে মোক অসাধাৰণ কিবা এটা কৰিবলৈ অনুপ্ৰেৰণা দিয়ে।

– ঈশানী চেটাৰ্জী, খৰগপুৰ, পশ্চিমবংগ

মই যেতিয়া মে মাহৰ চান্দমামাৰ সংখ্যা নাপালো, তেতিয়া মোৰ মনত বৰ চিন্তা হৈছিল। কেতিয়াবা কেতিয়াবা চান্দমামা কলা ডাৱৰৰ আঁৰত লুকাই পৰাৰ দৰে হয়। কিন্তু তাৰ পিছতেই ই পুণৰ ওলাই আহি মোৰ হৃদয় ভৰাই তোলে। অনুগ্ৰহ কৰি চান্দমামাত নানা ধৰণৰ প্ৰতিযোগিতা আৰম্ভ কৰি আমাক অধিক আনন্দিত কৰিব বুলি আশা ৰাখিলো।

– কেশৱন, টুটিকৰিন, তামিলনাডু

মই যোৱা ১০ বছৰ ধৰি চান্দমামাৰ ইংৰাজী, তেলেগু আৰু সংস্কৃত সংখ্যাৰ নিয়মীয়া পঢ়ুৱৈ। মই এই কথা লক্ষ্য কৰি দুখ পাইছো যে ইংৰাজী সংখ্যাৰ পাঠকসকলে আন ভাষাৰ সংখ্যাত প্ৰকাশিত শিথিলালয়ৰ দৰে ধাৰাবাহিকৰ সোৱাদ লবলৈ নাপায়। একেদৰেই ইংৰাজী সংখ্যাত প্ৰকাশিত গণেশৰ কাহিনীৰ দৰে ধাৰাবাহিক ক্ষেত্ৰীয় ভাষাৰ পাঠকসকলে পঢ়িবলৈ নাপায়। মই চান্দমামাক এই অনুৰোধ কৰিব খোজো যে যাতে তেওঁলোকে ইংৰাজী সংখ্যাত প্ৰকাশিত সকলো কাহিনী আৰু ধাৰাবাহিক ক্ষেত্ৰীয় ভাষাসমূহতো প্ৰকাশ কৰে।

– পি ভি শ্ৰীনিৱাস ৰাও, হায়দৰাবাদ

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex : ....

Address: ....

....

....

.... City: ....

State:.............................. Pin:..............................

Telephone:..

Mobile:..

Email:..

Subscription Number (for renewals):..............................

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..............................

Cheque/DD No ....

favouring Chandamama India Ltd on..............................

....bank.

* Your subscription will commence in 6 weeks.

Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 30/- per copy)	Rs. 360	Rs. 645	Rs. 915	Rs. 1150	Rs. 1350
You Save		Rs. 75	Rs. 165	Rs. 290	Rs. 450
REGIONAL (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 260	Rs. 375
JUNIOR (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 765	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 195	Rs. 300

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – তেলেগু

১৯৪৭ চনত মই বিজয়নগৰমত তৃতীয় শ্ৰেণীত পঢ়ি আছিলো। মই গাঁৱৰ গ্ৰন্থাগাৰত সন্ধিয়া প্ৰায়েই বহিছিলো আৰু তাত থকা আলোচনীবিলাক লুটিয়াই চাইছিলো। আগষ্টত দেশ স্বাধীন হবলৈ গৈ থকাৰ বাবে সকলো উত্ৰাৱল হৈ পৰিছিল। সেইসময়ত আৰু এটা বিষয়ে মানুহৰ আলোচনাত ঠাই পাইছিল। সেয়া হ'ল, চান্দমামা নামৰ এখন নতুন আলোচনী। মই শুনা পোৱা এতিয়াও মনত আছে যে ৰঙীন চিত্ৰ আৰু আমোদজনক কাহিনীৰে চান্দমামা হ'ল এখন সৰ্বসুন্দৰ আলোচনী। চান্দমামাৰ জুলাই মাহৰ সংখ্যা তেতিয়া প্ৰকাশ হৈছিলেই আৰু সেইখন গ্ৰন্থালয়ত পাবলৈ নাছিল। সকলো সময়তে কোনোবাই নহয় কোনোবাই ধাৰ কৰি নিছিল। সকলোৱে চান্দমামা পঢ়ি আলোচনীখনৰ বৰ প্ৰশংসা কৰিছিল। ৰৈ থাকি আমনি লগাত মই যেনে তেনে ছয় অনা পইছা গোটাই এখন দোকানৰ পৰা আন এখন দোকানলৈ গৈ আলোচনীখন বিচাৰিবলৈ ধৰিলো। কিন্তু সেইখন ক'তো পাবলৈ নাছিল। দোকানীয়ে কলে যে সকলো কপি বিক্ৰী হৈ গ'ল। হতাশ হৈ ঘূৰি অহাৰ বাহিৰে আন কোনো পথ খোলা নাছিল। সেই ঘটনাৰ এসপ্তাহ মানৰ পিছতহে চান্দমামা গ্ৰন্থাগাৰলৈ উভতি আহিল। তেতিয়ালৈকে সেইখন আধা ফটি গৈছিল। বেটুপাতত ৰূপালী ৰঙৰ এটা ময়ুৰ চৰাইৰ ছবিৰে, ভিতৰত সুন্দৰ চিত্ৰৰে ডাঙৰ আখৰৰ ছপা কৰা কাহিনীৰ চান্দমামাই মোক আন এখন জগতলৈ লৈ গ'ল। পিছৰ মাহত, মই নিজাকৈ এটা কপি কিনিব খুজি মই আগষ্ট মাহৰ প্ৰথম দিনাই দোকানলৈ গৈ খবৰ কৰিলো।



Name: Ravi Kondala Rao
Occupation: Actor & Editor, Hyderabad.

এজন দোকানীয়ে কলে, ''চান্দমামা আহি পালে। সেইবিলাক এজেন্টৰ লগত আছে।'' মই লগে লগে এজেন্টৰ ঘৰ ক'ত তেওঁক সুধিলো।'' তেওঁ কলে, ''এজেন্টৰ ঘৰ ৰেল ষ্টেচনৰ সিটো ফালে।'' এইকথা শুনি মই ৰেলৰ চিৰিবিলাক অতিক্ৰম কৰি সিটো ফালে গলো আৰু কেইবাজনো মানুহক সুধি সুধি এজেন্টৰ ঘৰটো বিচাৰি উলিয়ালো। ইমান কষ্ট কৰাৰ পিছত এজেন্টৰ পৰা মই এই কথা শুনিবলগীয়া হ'ল, ''চান্দমামা আহি পালে। কিন্তু মই পেকেটটো এতিয়ালৈকে খোলাই নাই। মই কালিলৈ ৰাতিপুৱা সেইবিলাক দোকানত দিম। তুমি তাৰ পৰা কিনিব পাৰিবা।'' এই কথা শুনি মই বৰ হতাশ হলো। কিন্তু আন কোনো উপায় নথকাত মই পিছদিনা সূৰ্যোদয়লৈ অপেক্ষা কৰিলো।

পিছদিনা মই স্কুললৈ যোৱাৰ আগতেই কিতাপৰ দোকানখনলৈ গলো। দোকানীয়ে কলে যে এজেন্টজনে তেতিয়ালৈকে চান্দমামা দি যোৱাহি নাই। মই চিন্তা কৰিলো যে পিছত আহি লাভ নাই আৰু গতিকে তাতে বহি অপেক্ষা কৰিলো। অলপ সময়ৰ পিছত এজেন্টে আহি দোকানত

চান্দমামাৰ দহটা কপি দি গ'লহি। লগে লগে মই ছয় অনা দি চান্দমামা এখন কিনি পেলালো আৰু ঘৰলৈ দৌৰ মৰিলো। সেইদিনা স্কুললৈ নগৈ মই ঘৰতে বহি আলোচনীখন পঢ়ি, ছবি চাই কটালো। এয়াই আছিল চান্দমামাৰ লগত মোৰ সেইকালৰ অভিজ্ঞতা। তাৰ পিছৰে পৰা মই নিয়মিতভাৱে চান্দমামা পঢ়ি আহিছো।

মই যেতিয়া প্ৰথমবাৰৰ বাবে মাদ্ৰাজলৈ যাও, জৰ্জ ষ্ট্ৰীটত থকা চান্দমামাৰ কাৰ্যালয়লৈ গৈছিলো। ১৯৬৬ চনত মই চান্দমামা প্ৰকাশন কাৰ্যালয়তে চাকৰি পালো। মই 'বিজয় চিত্ৰ'ৰ সহ সম্পাদক আছিলো। তেতিয়াৰ পৰা মই চান্দমামাৰ আৰু অধিক নিকট সম্পৰ্কীয় হৈ পৰিলো। ছপা হৈ ওলোৱাৰ লগে লগে চান্দমামাৰ এটা কপি মোৰ কোঠাত ৰখা হৈছিল। যি চান্দমামাৰ বাবে মই এটা সময়ত সমগ্ৰ চহৰ দৌৰি ফুৰিছিলো, সেই চান্দমামা ছপা হোৱাৰ লগে লগে আহি মোৰ ওচৰ পাইছিলহি। মই সঁচাকৈ বৰ ভাগ্যৱান আছিলো। শৈশৱ কালত চান্দমামা হাতত তুলি লওতে মোৰ মনত যি উত্তেজনা আৰু আনন্দ আছিল, সেই একেই উত্তেজনা মই আজিও চান্দমামা হাতত তুলি লওতে অনুভৱ কৰো।

মোৰ স্মৃতি – উড়ীয়া

৪৫ বছৰৰ আগতে চান্দমামা, মনোজ দাস আৰু মই। মই তেতিয়া উচ্চ মাধ্যমিক স্তৰত অধ্যয়ন কৰি আছিলো। তেতিয়া জনপ্ৰিয় লেখক মনোজ দাসে সমাজ নামৰ দৈনিক বাতৰি কাকতখনত 'সংবাদ আৰু সমীক্ষা' নামৰ এটা শিতান লিখিছিল। সেয়া আছিল সাম্প্ৰতিক সময়ৰ নানান খবৰ সম্বন্ধে। এটা সংখ্যাত তেওঁ তামিলনাডুত কিতাপ উন্মোচন আৰু কিতাপৰ প্ৰয়োজনীয়তাৰ বিষয়ে লিখিছিল। তেওঁ দহখন কিতাপৰ এখন তালিকাৰ কথা উল্লেখ কৰিছিল, যাক পঢ়ি বিশ্ব সাহিত্যৰ এক সাম্যক আভাস পাব পাৰি।

Name: B.K. Satapathy
Occ : Retd. Bank Officer,
Bhubaneswar, Odisha.

সেই লেখনি পঢ়াৰ পিছত মই সেই কিতাপৰ তালিকাখন বিচাৰি মনোজ দাসৰ পণ্ডিচেৰীৰ ঠিকনাত এখন পোষ্টকাৰ্ড প্ৰেৰণ কৰো। কেইদিনমানৰ পিছতে মই সেই তালিকাখন লাভ কৰো। কিন্তু মই সেই সময়ত কিতাপ কেইখন কিনিব নোৱাৰিলো। ২০ বছৰ পাৰ হৈ যোৱাৰ পিছত মই যেতিয়া চাকৰি কৰিবলৈ আৰম্ভ কৰিলো, তেতিয়া তালিকাখন হেৰাই থাকিল।

মই তেতিয়া মনোজ দাসক পুণৰ তালিকাখনৰ বাবে অনুৰোধ কৰিলো, কিন্তু তেৰো সেইখন বিচাৰি উলিয়াব নোৱাৰিলে। তেওঁ মোলৈ লিখিলে, ''আপুনি এখন ভাল আলোচনী পঢ়িব বিচাৰে নেকি? চান্দমামা নামৰ আলোচনীখন নিয়মিত পঢ়ক।''

সেই তেতিয়াৰে পৰাই মই নিয়মিত চান্দমামা পঢ়ি আহিছো।

বেতাল কথা

দুই পুত্ৰ

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, ''মহাৰাজ বিক্ৰম, মই এই কথা বুজি পোৱা নাই যে কাৰ লাভৰ বাবে তুমি এনে এটা কষ্টকৰ কাম কৰাৰ দায়িত্ব লৈছা। বহু মহান লোকে সৎ উদ্দেশ্য লৈ পক্ষপাতিতা নকৰাকৈ কাম আৰম্ভ কৰে যদিও শেষত ইচ্ছাকৃত বা অনিচ্ছাকৃত ভাৱে পক্ষপাতিতা কৰিবলৈ আৰম্ভ কৰে। তুমি তেনে চিন্তাৰে কাম আৰম্ভ কৰিছা যদিও কোনে জানে, শেষত হয়তো এনে হোৱাতো অসম্ভৱ নহয়। ঠিক আছে বাৰু, মই তোমাক স্বৰ্ণধাৰা ৰাজ্যৰ ৰজা বিক্ৰম ভূপতিৰ কাহিনীটো কম। সেই কাহিনী শুনি তুমি কষ্ট পাহৰি যাব পাৰিবা।'' এইবুলি বেতালে কাহিনীটো কবলৈ আৰম্ভ কৰিলে।

স্বৰ্ণধাৰা ৰাজ্যৰ ৰজা বিক্ৰম ভূপতি আছিল সাহসী আৰু দয়ালু। তেওঁৰ শাসনত ৰাজ্যৰ

সকলো প্ৰজাই সুখে-সমৃদ্ধিৰে বাস কৰিছিল। ৰজা এটা কথাক বাদ দি বাকী সকলো দিশৰে পৰাই সুখী আছিল। সেয়া হ'ল, তেওঁৰ কোনো সন্তান নাছিল। সন্তান কামনা কৰি ৰাজ দম্পত্তিয়ে নানা ধৰণৰ পুজা-পাতল কৰিছিল। তেওঁলোকে নানা ঋষি-মুণিৰ পৰামৰ্শ গ্ৰহণ কৰিছিল। কিন্তু কোনো ফল লাভ কৰা নাছিল।

ৰাণী মুকুণ্ডমালাই ৰজাক পুণৰ বিবাহ কৰাব পৰামৰ্শ দি আছিল। কিন্তু ৰজাই বহু দিনলৈকে সেই পৰামৰ্শ মানি লোৱা নাছিল। কিন্তু শেষত আন কোনো উপায় নেদেখি হৈ তেওঁ পুণৰ বিবাহ কৰাবলৈ মান্তি হ'ল। তেওঁ বাল্লিকা দেৱী নামৰ কণ্যাক বিবাহ কৰালে।

অলপ দিনৰ ভিতৰতে বাল্লিকা দেৱী গৰ্ভৱতী হ'ল। ৰজাৰ লগতে ৰাণী মুকুণ্ডমালাও বৰ আনন্দিত হ'ল।

এটা শুভ দিনত ৰাণী বাল্লিকা দেৱীয়ে এটা স্বাস্থ্যৱান সন্তান জন্ম দিলে। ৰজা বিক্ৰম ভূপতিয়ে পুত্ৰৰ নাম ৰাখিলে জয়তেজ। তাৰ কিছুদিনৰ পিছতে ৰাণী মুকুণ্ডমালাও গৰ্ভৱতী হৈ পৰিল। সময়ত তেৱোঁ এটা পুত্ৰ সন্তান জন্ম দিলে। সেই সন্তানৰ নাম ৰখা হ'ল ময়ুৰধ্বজ।

দুয়ো ৰাজকুমাৰ লাহে লাহে ডাঙৰ হৈ আহিবলৈ ধৰিলে। তেওঁলোকৰ এজনে আনজনক বৰ ভাল পাইছিল। কাজিয়া আদি কেতিয়াও নকৰিছিল। ৰজা বিক্ৰম ভূপতিয়ে দুয়ো পুত্ৰকে শিক্ষা গ্ৰহণ কৰিবৰ বাবে গুৰুকুললৈ প্ৰেৰণ কৰিলে। জয়তেজ আৰু ময়ুৰধ্বজ দুয়ো ৰাজকুমাৰে গুৰুকুলত নানা ধৰণৰ শিক্ষা লাভ কৰিলে আৰু সুঠাম যুৱকত পৰিণত হ'ল। ৰজায়ো তেওঁলোকক লৈ বৰ গৌৰৱান্বিত হ'ল।

লাহে লাহে ৰজা বিক্ৰম ভূপতি বৃদ্ধ হৈ আহিল। তেওঁ এজন পুত্ৰক সিংহাসন অৰ্পণ কৰিব খুজিলে। প্ৰথম পত্নীৰ জ্যেষ্ঠ পুত্ৰক সিংহাসনত আৰোহন কৰাটো এক পৰম্পৰা আছিল। কিন্তু তেওঁৰ দ্বিতীয় পত্নীৰ সন্তান জ্যেষ্ঠ আছিল। তেওঁ দোমোজাত পৰিল। তেওঁ দ্বিতীয় পত্নীৰ গৰ্ভত ওপজা জ্যেষ্ঠ পুত্ৰক ৰজা ঘোষণা কৰিবনে প্ৰথমা পত্নীৰ গৰ্ভত ওপজা কনিষ্ঠ পুত্ৰক ৰজা ঘোষণা কৰিব ? তেওঁ কোনো সিদ্ধান্তত উপনীত হব নোৱাৰিলে। তেওঁ এই সম্পৰ্কে মন্ত্ৰীসকলৰ পৰা পৰামৰ্শ বিচাৰিলে। কিন্তু কোনো জনেই যুক্তি সংগত পৰামৰ্শ প্ৰদান কৰিব নোৱাৰিলে।

ৰজাই এদিন দুই পুত্ৰক মতাই আনিলে।

তেওঁ কলে, ‘‘মই ছমাহৰ বাবে তোমালোক দুয়োয়ে ৰাজ্য ভ্ৰমণ কৰাটো বিচাৰো। তোমালোকে চুবুৰীয়া ৰাজ্যও ভ্ৰমণ কৰিবা। তাৰপিছত মোক লগ ধৰি তোমালোকৰ অভিজ্ঞতা বৰ্ণনা কৰিবা।’’ ৰজাৰ উপদেশ অনুসৰি দুয়ো ৰাজকুমাৰ দেশ ভ্ৰমণলৈ ৰাওনা হ’ল।

ছমাহৰ পিছত যেতিয়া তেওঁলোক উভতি আহিল, ৰজা বিক্ৰম ভূপতিয়ে তেওঁলোকক নিজৰ নিজৰ অভিজ্ঞতা বৰ্ণনা কৰিবলৈ কলে। জ্যেষ্ঠ পুত্ৰ জয়তেজই কলে, ‘‘মই আমাৰ ৰাজ্যৰ লগতে কাষৰীয়া ৰাজ্য বৈকুণ্ঠিকা ভ্ৰমণ কৰিলো। আমাৰ ৰাজ্য সকলো দিশৰে পৰা সমৃদ্ধিশালী। আপোনাৰ শাসনত সকলো প্ৰজাই সুখী। বৈকুণ্ঠিকাৰ অৱস্থা আমাৰ ৰাজ্যৰ লগত তুলনাই কৰিব নোৱাৰি। কিন্তু তেওঁলোকে আমাৰ ৰাজ্যৰ প্ৰশাসনক সকলো সময়তে সমালোচনা কৰি থাকে। একেসময়তে তেওঁলোকে আমাৰ প্ৰশাসন ব্যৱস্থা অনুসৰণ কৰিবলৈ চেষ্টা কৰি আছে। এই ঘটনাই আমাৰ ৰাজ্যৰ মহানতা প্ৰমাণ কৰে।’’

ৰজা বিক্ৰম ভূপতিয়ে ডাঙৰ পুত্ৰৰ কথা শুনাৰ পিছত সৰু পুত্ৰৰ ফালে চালে। ময়ুৰধ্বজে কলে, ‘‘দাদাই কোৱাৰ দৰে আমাৰ ৰাজ্য সকলো দিশৰ পৰাই সমৃদ্ধিশালী। কিন্তু মই ভাৱো যে এজন ৰজা নিজৰ সফলতাত কেতিয়াও সন্তুষ্ট হোৱাটো উচিত নহয়। আমাৰ ৰাজ্যত এতিয়াও বহু দৰিদ্ৰ লোক আছে। আমি সেইসকলৰো সমৃদ্ধিৰ বাবে আঁচনি লব লাগে। তাৰোপৰি, মই যেতিয়া আমাৰ কাষৰীয়া ৰাজ্যৰ মাজেদি গংগা নদী বৈ যোৱা দেখিলো, মোৰ মনত এটা কথা খেলাল। যদি আমি কিবা প্ৰকাৰে সেই নদীৰ পানী আমাৰ ৰাজ্যলৈ বোৱাই আনিব পাৰো, আমাৰ ৰাজ্যত



উচিত নহব। মই বিশ্বাস কৰো যে প্ৰতিটো সমস্যাৰে একোটা সমাধান থাকে। আমি চেষ্টা কৰি চোৱাটো ভাল হব।''

''ময়ুৰধ্বজে কোৱাৰ দৰে আমি এবাৰ চেষ্টা কৰি চোৱাটো ভাল হব।'' ৰজা বিক্ৰম ভূপতিয়ে এইদৰে কৈ আলোচনাৰ অন্ত পেলালে।

কেইমাহমান পাৰ হৈ গ'ল। বৈকুণ্ঠিকাৰ ৰজাই ৰজা বিক্ৰম ভূপতিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। লগে লগে ৰজা বিক্ৰম ভূপতিয়ে আলোচনাৰ বাবে সকলো মন্ত্ৰীৰ লগতে দুই পুত্ৰকো মতাই আনিলে। সকলোৰে পৰা তেওঁ পৰামৰ্শ বিচাৰিলে। তেতিয়া জয়তেজই কলে, ''আমাৰ সৈন্যৰ সংখ্যাতকৈ ৰুদ্ৰকেতুৰ সৈন্যৰ সংখ্যা দুগুণ। তেনে স্থলত যুদ্ধ হলে আমাৰ পৰাজয় নিশ্চিত। গতিকে মোৰ বোধেৰে আমি বৈকুণ্ঠিকাৰ লগত বুজাপৰালৈ অহাটোৱেই যুক্তিসংগত হব।''

তাৰপিছত ৰজা বিক্ৰম ভূপতিয়ে ময়ুৰধ্বজৰ পৰামৰ্শ বিচৰাত তেওঁ কলে, ''আমি এই সুবিধা গ্ৰহণ কৰাটো উচিত হব। আমি যদি উচিত আঁচনি তৈয়াৰ কৰি লব পাৰো, তেন্তে গংগাৰ পানী আমাৰ ৰাজ্যলৈ বোৱাই অনাটো সম্ভৱ হৈ উঠিব। যিহেতু কোনো কাৰণ নোহোৱাকৈ ৰজা ৰুদ্ৰকেতুৱে আমাৰ ৰাজ্য আক্ৰমণ কৰিব বিচাৰিছে, তেনেক্ষেত্ৰত আমি আমাৰ আন চুবুৰীয়া ৰাজ্যৰ পৰা সহায় বিচাৰিব পাৰো। তেওঁলোকে আমাক সহায় কৰিবৰ বাবে সৈন্যবাহিনী প্ৰেৰণ কৰিলে আমি বেছ শক্তিশালী হৈ উঠিম।''

ৰজা বিক্ৰম ভূপতিয়ে অনুভৱ কৰিলে যে এইটো এটা ভাল উপায়।

কেতিয়াও পানীৰ সমস্যা নহব আৰু আমি মাত্ৰ বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰি থাকিবলগীয়া নহব। তেনে ক্ষেত্ৰত আমি আৰু অধিক সমৃদ্ধি লাভ কৰিব পাৰিম।''

''তুমি যি কৈছা সেয়া বেছ যুক্তি সংগত। কিন্তু বৈকুণ্ঠিকাৰ ৰজা ৰুদ্ৰকেতুৱে আমাক শত্ৰু জ্ঞান কৰে। তেনেস্থলত আমি তেওঁলোকৰ ৰাজ্যৰ নদীৰ পানী কেনেকৈ বোৱাই আনিব পাৰিম? এই কথাত ৰুদ্ৰকেতুৱে সন্মতি দিব বুলি মোৰ মনে নধৰে।'' ৰজা বিক্ৰম ভূপতিয়ে সুধিলে।

তেতিয়া জয়তেজই কলে, ''আমাৰ চুবুৰীয়া ৰাজ্য বৈকুণ্ঠিকাৰ পৰা নদীৰ পানী আমাৰ ৰাজ্যলৈ বোৱাই অনাটো অসম্ভৱ।''

সেই কথা শুনি ময়ুৰধ্বজে কলে, ''আমি চেষ্টা নকৰাকৈ সেই কাম অসম্ভৱ বুলি কোৱাটো

চুবুৰীয়া ৰাজ্যবিলাকলৈ অনুৰোধ প্ৰেৰণ কৰাত ময়ুৰধ্বজে ভবাৰ দৰে তেওঁলোকে সহায়ৰ বাবে সৈন্যবাহিনী প্ৰেৰণ কৰিলে। ময়ুৰধ্বজে নিজেই সৈন্যবাহিনীৰ নেতৃত্ব প্ৰদান কৰিলে আৰু যুদ্ধত হেলাৰঙে ৰুদ্ৰকেতুৰ সৈন্যবাহিনীক পৰাস্ত কৰিলে।

নিজৰ ৰাজ্যলৈ উভতি আহি ময়ুৰধ্বজে পিতৃক যুদ্ধ জয়ৰ সুখবৰটো দিলেহি। তাৰপিছত তেওঁ কলে, ‘‘যুদ্ধৰ আগতে আমাৰ ৰাজ্যৰ শাসন ভাৰ আপুনি মোক দিবনে দাদা জয়তেজক দিব সেই লৈ চিন্তিত আছিল। এতিয়া সেই সমস্যা দূৰ হ'ল। দাদা জয়তেজক আমাৰ ৰাজ্যৰ ৰজা পাতিবলৈ মই আপোনাক অনুৰোধ কৰো। তাৰপিছত মোক বৈকুণ্ঠিকাৰ ৰজা হিচাপে ঘোষণা কৰিব।’’

আনন্দতে ৰজা বিক্ৰম ভূপতিয়ে ৰাজকুমাৰ ময়ুৰধ্বজক আকোৱালি ললে।

তৰপিছত এটা শুভদিন চাই তেওঁ ময়ুৰধ্বজক স্বৰ্ণধীৰ ৰাজ্যৰ ৰজা পাতিলে আৰু লগতে জেষ্ঠ পুত্ৰ জয়তেজক স্বৰ্ণধীৰ ৰাজ্যৰ অংগ ৰাজ্য বৈকুণ্ঠিকাৰ নতুন ৰজা হিচাপে ঘোষণা কৰিলে।

ইমানলৈকে কাহিনীটো কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, ‘‘হে মহাৰাজ, মোৰ এনে বোধ হয় যে জয়তেজৰ চিন্তা বেছি বাস্তৱিক আছিল। সেইবাবেই তেওঁ কৈছিল যে তেওঁলোকৰ ৰাজ্যৰ অৱস্থা বৈকুণ্ঠিকাতকৈ বহু ভাল। একেদৰে তেওঁ কৈছিল যে তেওঁলোকে কামৰীয়া ৰজা ৰুদ্ৰকেতুৰ লগত মিলামিছা কৰাই উচিত হব, কিয়নো ৰুদ্ৰকেতুৰ সৈন্যবাহিনী স্বৰ্ণধীৰৰ সৈন্য সংখ্যাতকৈ দুগুণ আছিল। তাৰোপৰি যুদ্ধ এৰাই চলিলে বহু লোকৰ প্ৰাণ ৰক্ষা কৰাটোও সম্ভৱ। বিপৰীতে ময়ুৰধ্বজে তেওঁৰ দেউতাকে ভাল পোৱাকৈ কৈছিল যে যদি তেওঁলোকে গংগাৰ পানী বৈকুণ্ঠিকাৰ পৰা বোৱাই আনিব পাৰে তেন্তে অধিক সমৃদ্ধি সম্ভৱ হৈ উঠিব। তাৰপিছত তেওঁ এই কথাৰে দেউতাকক মান্তি কৰোৱাইছিল যে যুদ্ধত জয়ী হৈ নদীৰ পানী তেওঁলোকৰ ৰাজ্যলৈ বোৱাই আনিব পৰা যাব। ভাগ্য ভাল আছিল যে তেওঁলোক যুদ্ধত বিজয়ী হ'ল। পৰাজিত হোৱা হলে তেওঁলোকে নিজৰ ৰাজ্যও হেৰুৱাবলগীয়া হ'লহেতেন। ইয়াৰ ওপৰিও, ময়ুৰধ্বজে পিতৃক পৰামৰ্শ দিছিল যে জয়তেজক স্বৰ্ণধীৰৰ ৰজা পাতিব লাগে আৰু তেওঁ নিজে বৈকুণ্ঠিকাৰ ৰজা হব। কিন্তু ৰজা বিক্ৰম

ভূপতিয়ে তাৰ ঠিক ওলোটাটো কৰিলে। তেওঁ ময়ুৰধ্বজক স্বৰ্ণধীৰৰ আৰু জয়তেজক বৈকুণ্ঠিকাৰ ৰজা পাতিলে। লগতে তেওঁ এই ঘোষণাও কৰিলে যে বৈকুণ্ঠিকা স্বৰ্ণধীৰৰ অংগৰাজ্য। সেইফালৰ পৰা জয়তেজ স্বৰ্ণধীৰৰ তলতীয়া ৰজা হৈ পৰিল। সকলো কথাতে স্বৰ্ণধীৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হ'ল। এই কথাই প্ৰমাণ নকৰেনে যে ৰজাই সৰু পুত্ৰ ময়ুৰধ্বজক বেছি ভাল পাইছিল আৰু সেইবাবে তেওঁৰ পক্ষপাতিতা কৰি অধিক ক্ষমতা প্ৰদান কৰিলে। যদি তুমি মোৰ প্ৰশ্নৰ উত্তৰ জনা স্বত্বেও নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমে কলে, ''মই বিশ্বাস কৰো যে এখন ৰাজ্যই তেতিয়াহে অধিক সমৃদ্ধি লাভ কৰাটো সম্ভৱ যেতিয়া সেই ৰাজ্যৰ ৰজা নিজৰ সাফল্যত সন্তুষ্ট নাথাকে। ৰজা যদি নিজৰ সাফল্যত সন্তুষ্ট হৈ পৰে, তেন্তে ৰাজ্যৰ শ্ৰীবৃদ্ধি বন্ধ হৈ যোৱাৰ সম্ভাৱনা থাকে। লগতে তেওঁ ৰাজ্যৰ ভৱিষ্যতৰ সম্পৰ্কেও চিন্তা কৰা প্ৰয়োজন। তেওঁ সেইবাবে নানা ধৰণৰ পৰিকল্পনা কৰিবলগীয়া হব পাৰে।

আনহাতে যদি ৰজাৰ চিন্তা সঠিক নহয়, তেন্তে ৰাজ্যৰ সমৃদ্ধিত বাধাৰ সৃষ্টি হয়। বহুক্ষেত্ৰত ময়ুৰধ্বজে বিচক্ষণতাৰ প্ৰমাণ দিলে। তেওঁ নিজে আঁচনি প্ৰস্তুত কৰি, সৈন্যবাহিনীৰ নেতৃত্ব দি যুদ্ধ জয় কৰি এজন চক্ৰৱৰ্তী ৰজাৰ চিনাকি দিলে। সেইবাবে ৰজা বিক্ৰম ভূপতিয়ে স্বৰ্ণধীৰ ৰাজ্যৰ শাসনভাৰ ময়ুৰধ্বজৰ হাতত অৰ্পণ কৰিলে। লগতে তেওঁ চিন্তা কৰিলে যে সুচাৰুৰূপে ৰাজ্য পৰিচালনা কৰিবৰ বাবে জয়তেজক কিছু অভিজ্ঞতাৰ প্ৰয়োজন। সেইবাবেই বৈকুণ্ঠিকাক স্বৰ্ণধীৰৰ অংগৰাজ্য ঘোষণা কৰিলে। যাতে তেওঁ দৰকাৰ হলে স্বৰ্ণধীৰৰ পৰা সহায় লব পাৰে। তেওঁ এই কাম কনিষ্ঠ পুত্ৰ ময়ুৰধ্বজৰ প্ৰতি অধিক মৰম থকাৰ বাবে কৰা নাছিল।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি এইদৰে বেতালৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ আগৰ দৰেই গছজোপাত ওলমি ৰ'লগৈ।

– এন শিৱ নাগেশ্বৰ ৰাও

পাপী কোন?

এখন গাৱঁত ধনগুপ্তনামৰ এজন ধনী মানুহে বাস কৰিছিল। তেওঁ বহু পাপ কৰি কোটি কোটি টকা জমা কৰিছিল। তেওঁক আদৰ্শ হিচাপে মানি আৰু বহু বেপাৰীয়ে বেয়া আৰু অসৎ পথ অৱলম্বন কৰি লাখপতি হৈ পৰিছিল।

ধনগুপ্ত লাহে লাহে বৃদ্ধ হৈ আহিবলৈ ধৰিলে। পাপীয়ে বৃদ্ধ হৈ অহাৰ লগে লগে পাপ কথা চিন্তা কৰি ভয় খাবলৈ আৰম্ভ কৰে। জীৱনভৰ পাপ কৰাৰ পিছত যদি বৃদ্ধ কালত অলপমান পূণ্য নকৰে, কোনে জানে নৰকত কি কি শাস্তি ভোগ কৰিব লাগিব। এনে চিন্তা কৰি ধনগুপ্তই তীৰ্থ ভ্ৰমণ কৰাটোকে ঠিক কৰিলে।

ধনগুপ্ত তীৰ্থ কৰিবলৈ ওলোৱা দেখি আন তিনিজন ধনী ব্যৱসায়ীও তেওঁৰ লগতে যাবলৈ তৈয়াৰ হ'ল। তেওঁলোকেও জীৱনত কেতিয়াও কোনো পূণ্য কৰা নাছিল, কেৱল পাপহে পৰিছিল।

ধনগুপ্তই কোনো উদ্দেশ্য নোহোৱাকৈ কোনো কাম কৰা নাছিল। তেওঁ ভাৱিলে, 'পূণ্যৰ কথা বাদ, এই যাত্ৰাৰ পৰাও কোনো লাভ হব পাৰে। চাৰিজন মিলি গলে এনেয়ে খৰচো কমি যাব। ৰাস্তাত কাৰোবাৰ বেমাৰ হলে আনকেইজনে সহায় কৰিবই।' এইদৰে ভাৱি ধনগুপ্তই বাকী তিনিজনৰ লগত তীৰ্থ যাত্ৰা আৰম্ভ কৰিলে।

তেওঁলোকে আলোচনা কৰিলে যে কাশীলৈ যোৱাটো উচিত হবনে ৰামেশ্বৰমলৈ যোৱাটো ভাল হব। ৰামেশ্বৰম বেছি দূৰ নাছিল। ৰাস্তাও দূৰ্গম নাছিল। তাতে তেওঁলোকৰ গাৱঁৰ ৰামলাল নামৰ শূদ্ৰ

সিংগমপল্লী আপাৰাও

ঘৈনীয়েকৰ লগত কাজিয়া কৰি তিনিবাৰমান ৰামেশ্বৰমলৈ গৈ আহিছিল। ৰামেশ্বৰমলৈ যোৱাটো তাৰ বাবে ভাতৰ লগত পানী খোৱাৰ দৰে আছিল। গতিকে তেওঁলোকে তীৰ্থ ভ্ৰমণলৈ যাওতে তাকো লগত লৈ যাবলৈ ঠিক কৰিলে।

শুভ দিন এটা চাই ৰামলালক লগত লৈ চৰিওজনে মুখত ৰাম নাম জপি ৰামেশ্বৰম অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। কেইবাদিনৰ যাত্ৰা ভালে ভালে পাৰ হৈ গ'ল। ৰামেশ্বৰম পাবলৈ দুদিনমানৰ ৰাস্তা বাকী থাকোতেই অকস্মাতে আকাশ কলা হৈ আহিল আৰু গাজনি মাৰিবলৈ ধৰিলে। প্ৰথমতে বৰষুণ পৰিল আৰু তাৰপিছত জোৰেৰে ধুমুহা বলিবলৈ ধৰিলে।

সেইসময়ত তেওঁলোক এখন অৰণ্যৰ মাজেদি গৈ আছিল। ধুমুহাত অৰণ্যৰ ডাঙৰ ডাঙৰ গছ ভাঙি পৰিবলৈ ধৰিলে। ধুমুহা-বৰষুণত তেওঁলোকে ধোঁৱা-কোঁৱা দেখিবলৈ ধৰিলে।

গোটেই কেইজনে অলপদূৰ যেনে তেনে যোৱাৰ পিছত এটা মন্দিৰ দেখা পাই তাৰ বাৰান্দাত সোমালগৈ। লাহে লাহে বিজুলী আৰু বৰষুণ অধিক হৈ আহিল। ভয়ংকৰ শব্দ কৰি বজ্ৰপাত পৰিবলৈ ধৰিলে। একেবাৰে কাষতে থকা এজোপা ডাঙৰ গছতো বজ্ৰপাত পৰিল। গছজোপাৰ আধা জ্বলি গ'ল আৰু বাকী আধা সশব্দে মাটিত বাগৰি পৰিল। পাঁচোজনৰ ভয়ত হাত-ভৰি লুকাল।

''আৰে ভাইসকল, এয়া কেনেধৰণৰ বিজুলীৰ বৰষুণ। মই জীৱনত এনেকুৱা



বৰষুণ দেখা পোৱা নাই। আমাৰ মাজত নিশ্চয় কোনোবা পাপী আছে। সেই পাপীৰ বাবেই সম্ভৱত বতৰে এনে ৰূপ লৈছে।'' ধনগুপ্তই কলে।

''এই ৰামলালেই পাপী হব লাগিব। আমি এই শূদ্ৰক লগত অনাটোৱেই ভুল হ'ল। এতিয়া সি এই পৱিত্ৰ স্থানত একেলগে থিয় হৈ আছে। এয়া কি ভগৱানে দেখা পোৱা নাই? তেওঁ কি এনে কথাত বেয়া নাপাব?'' এজন ব্যৱসায়ীয়ে কলে।

সেই ব্যৱসায়ীৰ কথাত সকলোৱে হয়ভৰ দিলে আৰু চাৰিওজনে মিলি ৰামলালক জোৰ কৰি মন্দিৰৰ বাৰান্দাৰ পৰা বাহিৰলৈ উলিয়াই দিবলৈ চেষ্টা কৰিলে।

''বাবুসকল, বাহিৰত বৰ বৰষুণ হৈ আছে। মই তিতি জুৰুলি-জুপুলি হম। মোক আপোনালোকে দয়া কৰক। মোক দয়া কৰিলে আপোনালোকৰ পূণ্য হব। মই পাপী হব পাৰো। মোৰ বাবে ভগৱানে আপোনালোকক এই দণ্ড দিয়া নাই। তেওঁ এনে অন্যায় নকৰে। মোক দয়া কৰক।'' ৰামলালে চাৰিওজনক অনুনয় বিনয় কৰিবলৈ ধৰিলে।

ৰামলালে এইদৰে বহু অনুৰোধ কৰাৰ পিছতো ব্যৱসায়ী কেইজনে তাৰ কথা মানি নললে। শেষত তেওঁলোকে তাক ঠেলা মাৰি বাৰান্দাৰ পৰা বাহিৰ কৰি দিলে। বেচেৰা ৰামলালে উপাইবিহীন হৈ দৌৰ মাৰি এজোপা ডাঙৰ গছৰ তলত আশ্ৰয় ললেগৈ। লগে লগে ওচৰতে বজ্ৰপাত পৰাত এটা ডাঙৰ শব্দ হ'ল। সি ভয়তে চকু মুদি দিলে।

অলপ সময়ৰ পিছত সি চকু মেলি চাই সন্মুখত কোনো মন্দিৰ দেখা নাপালে। কেৱল শিলৰ দম পৰি আছিল। ব্যৱসায়ী চাৰিজনকো তেওঁ দেখা নাপালে। দেখা পাবইবা কেনেকৈ? ৰামলালক পাপী আৰু নিজেক পুণ্যৱান বুলি দাবী কৰা ব্যৱসায়ী কেইজনৰ বজ্ৰপাতত মৃত্যু হৈছিল।



চোৰৰ প্ৰবৃত্তি সলনি কৰা কুকুৰটো

এখন অৰণ্যৰ মাজত থকা এটা সৰু ঘৰত মনোহৰ নামৰ এটা চোৰে বাস কৰিছিল। তেওঁ ৰাতি শিৱপুৰ নামৰ ঠাইলৈ আহি চুৰ কৰিছিল আৰু ৰাতিপুৱা পুণৰ অৰণ্যৰ মাজত থকা নিজৰ বাসস্থানলৈ উভটি গৈছিল।

এদিনাখন চুৰ কৰি ঘৰলৈ উভতি যাওতে মনোহৰে ৰাস্তাত এটা সৰু কুকুৰৰ পোৱালী দেখা পালে। সেই পোৱালীটোৱে তেওঁক ঘৰলৈকে অনুসৰণ কৰি গ'ল। মনোহৰেও মৰমতে কুকুৰ পোৱালীটোক নিতৌ খাবলৈ দিয়াত সি তাতে স্থায়ীভাৱে থাকিবলৈ ললে। তেওঁ ভাৱিলে যে নিসংগতা দূৰ কৰিবৰ বাবে সেয়া তেওঁলৈ ভগৱানৰ উপহাৰ। লাহে লাহে কুকুৰৰ পোৱালীটো ডাঙৰ হৈ এক বিশালকায় কুকুৰত পৰিণত হ'ল।

এদিনাখন ৰাতি এঘৰ মানুহত চুৰ কৰোতে মনোহৰ ধৰা পৰিল। বিচাৰত তেওঁক দুবছৰ কাৰাদণ্ড বিহা হ'ল। তেওঁক কাৰাবাসৰ বাবে জেললৈ প্ৰেৰণ কৰা হ'ল।

মনোহৰ ঘৰলৈ উভতি নহা দেখি কুকুৰটোৱে মনোহৰক বিচাৰি গ'ল। কেইবাদিনৰ পিছত সি ভাগৰি পৰিল আৰু এটা ঘৰৰ বাৰান্দাতে শুই পৰিল। সেই ঘৰটো আছিল নিৰ্মল নামৰ এজন খেতিয়কৰ। তেওঁ কুকুৰটো ভোকত থকা বুলি অনুমান কৰি কিবা খাবলৈ দিলে। এইদৰে অতি কম সময়ৰ ভিতৰতে নিৰ্মলে কুকুৰটোৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ সমৰ্থ হ'ল। নিৰ্মলৰ লগত সদায় পথাৰলৈ কুকুৰটোৱেও অহা-যোৱা কৰিবলৈ ধৰিলে। তাৰোপৰি সি ৰাতি নিৰ্মলৰ ঘৰ পহৰা দিবলৈ ধৰিলে।

দুবছৰ পাৰ হৈ গ'ল। কাৰাগাৰৰ পৰা মনোহৰে মুক্তি লাভ কৰিলে। তেওঁ ঘৰলৈ উভতি আহিল আৰু কুকুৰটো বিচাৰিবলৈ

ডি পূৰ্ণিমা

ধৰিলে। মৰমৰ কুকুৰটোক ক'তো বিচাৰি নাপাই তেওঁ বৰ বেজাৰ পালে আৰু এই কথা চিন্তা কৰিবলৈ ধৰিলে যে সি ক'লৈ যাব পাৰে।

চোৰ প্ৰবৃত্তি এৰিব নোৱাৰি এদিন পুণৰ মনোহৰে চুৰি কৰিবৰ বাবে শিৱপুৰলৈ গ'ল। তেওঁ সেইদিনা যিটো ঘৰত চুৰ কৰিবলৈ গ'ল সেইটো আছিল নিৰ্মলৰ ঘৰ। মনোহৰে নিৰ্মলৰ ঘৰত সিন্ধি খান্দিবলৈ ধৰিলে। কুকুৰটোৱে কোনোবা মানুহ অহাৰ গম পাই ভুকিবলৈ লওতেই হঠাতে মনোহৰৰ গোন্ধ পালে আৰু নুভুকি মনে মনে ৰ'ল। মনোহৰে কুকুৰটোৰ উপস্থিতি গমেই নাপালে।

কুকুৰটো এই ভাৱি বিপাঙত পৰিল যে সি ভুকিবনে নুভুকে। কিয়নো মনোহৰে তাক সৰুৰে পৰা মৰম কৰি ডাঙৰ কৰিছিল। ইফালে বৰ্তমানে আশ্ৰয় প্ৰদান কৰা নিৰ্মলৰ প্ৰতিও সি বিশ্বাসী হোৱা উচিত।

ইতিমধ্যেই সিন্ধি খন্দাৰ শব্দত নিৰ্মল সাৰ পাই উঠিল। তেওঁ হাতত এডাল লাঠি লৈ চোৰ সেই সুৰংগইদি ভিতৰলৈ সোমোৱাৰ লগে লগে আক্ৰমণ কৰিবলৈ সাজু হৈ থাকিল।

কুকুৰটোৱে দুৱাৰৰ ফাঁকেদি লাঠি লৈ থকা নিৰ্মলক দেখা পালে। সি বুজিব পাৰিলে যে মনোহৰক আঘাত কৰিবলৈ নিৰ্মল সাজু হৈ আছে। সি কি কৰিব একো গম ধৰিব নোৱাৰি ইফালে সিফালে দৌৰিবলৈ ধৰিলে।

মনোহৰে ঘৰৰ ভিতৰত সোমাবলৈ লোৱাৰ সময়তে কুকুৰটো ভিতৰলৈ সোমাই গ'ল আৰু লগে লগে নিৰ্মলে মাৰ সোধালে। সেই লাঠিৰ কোব কুকুৰৰ মূৰত পৰাত তাৰ থিতাতে মৃত্যু হ'ল। মনোহৰ তাৰ পৰা পলাই যাবলৈ সক্ষম হ'ল। নিৰ্মলে একো বুজিব নোৱাৰিলে, কিন্তু নিজৰ কুকুৰটোক ভুলতে মৰিয়াই মৰাৰ বাবে বৰ দুখ পালে।

পিছদিনা দিনত মনোহৰে সেই গাঁৱলৈ আহি গম পালে যে মৰা কুকুৰটো আচলতে তেওঁৰেই হেৰুৱা কুকুৰটো আছিল। তেওঁ হতভম্ব হৈ পৰিল। মনৰ দুখতে তেওঁৰ চকুপানী ওলাই আহিল। তেওঁ সেইদিনাৰে পৰা সলনি হৈ পৰিল। চুৰ কৰা বাদ দি এজন পৰিশ্ৰমী আৰু সৎ লোক হৈ পৰিল।

মন্ত্ৰী কোন?

এজন ৰজাৰ প্ৰধান মন্ত্ৰীৰ হঠাতে মৃত্যু হ'ল। তেওঁৰ তিনিজন উপমন্ত্ৰী আছিল। ৰজাৰ মনত এই প্ৰশ্ন উঠিল যে তেওঁলোকৰ কোনজনক প্ৰধান মন্ত্ৰীৰ পদবী দিয়াটো ভাল হব। এজনক সেই পদবী দিলে বাকী দুজনৰ প্ৰতি অন্যায় কৰা হব পাৰে। ৰজাই বহু চিন্তা কৰিও এইটো ঠিক কৰিব নোৱাৰিলে যে কোন প্ৰধান মন্ত্ৰীৰ যোগ্য হব।

কিছুদিন পাৰ হৈ গ'ল। এদিন ৰজা সবলদলে গৈ নদীৰ পাৰ পালেগৈ। তেওঁৰ লগত তিনি মন্ত্ৰীও আছিল। সকলো নদীৰ পাৰত বহি নানাধৰণৰ কথা পাতি আছিল। তেনেতে ৰজাই নদীত কিবা এটা বস্তু ভাঁহি অহা দেখি তিনিওলৈ চাই সুধিলে, ''পানীত কিবা এটা বস্তু উটি আহি আছে। সেয়া কি বস্তু বাৰু?''

এজনে চকুত হাত থৈ দূৰলৈ চাই কলে, ''সম্ভৱ কিবা ফল হব পাৰে?''

দ্বিতীয় জনে থিয় হৈ চাই কলে, ''মহাৰাজ, সেয়া সম্ভৱত আম।''

তৃতীয়জনে নিজৰ কোটচোলা আৰু পাগুৰি খুলি পাৰত থৈ নদীলৈ গ'ল। তাৰ পিছত সাঁতুৰি সেই ফলৰ ওচৰ পালেগৈ। সেইটো এটা আম আছিল। সেইটো লৈ আহি নদীৰ পাৰ পালেহি আৰু ৰজাৰ হাতত দি কলে, ''মহাৰাজ, এইটো এটা আম।''

ৰজাই সেই উপমন্ত্ৰীক প্ৰধান মন্ত্ৰীৰ পদত নিযুক্তি দিলে।

সম্পত্তিৰ ভাগবতৰা

বহু দিনৰ আগতে ৰায়পুৰ নামৰ এখন গাঁৱত ৰামানন্দ নামৰ এজন ধনী খেতিয়কে বাস কৰিছিল। বৃদ্ধ হৈ অহাত তেওঁৰ সম্পত্তিবিলাক পুত্ৰসকলৰ মাজত ভাগবতৰা কৰি থৈ যোৱাৰ কথা চিন্তা কৰিলে।

লাহে লাহে ৰামানন্দৰ স্বাস্থ্য পৰি আহিল। তেওঁ চাৰিও পুত্ৰই কি চিন্তা কৰে তাক জানিবৰ বাবে সিঁহতক মতাই আনিলে। তেওঁ কলে, ‘‘পুত্ৰসৱ, মই ইতিমধ্যে বৃদ্ধ হৈ পৰিলো। আৰু কিমান দিন জীয়াই থাকিম তাৰ কোনো ঠিক নাই। মই মৰাৰ আগতে মোৰ সম্পত্তি তোমালোকৰ মাজত ভাগ কৰি থৈ যাব বিচাৰো। তোমালোকে যদি নিজৰ নিজৰ ভৱিষ্যতৰ আঁচনি মোৰ আগত বৰ্ণনা কৰা, তেন্তে সেই অনুসৰি মই তোমালোকক সম্পত্তি প্ৰদান কৰিম। মই মৰাৰ পিছত সম্পত্তিক লৈ তোমালোকে কাজিয়া কৰাটো নিবিচাৰো।’’

‘‘পিতা, মই খেতি বাতি কৰিব বিচাৰো।’’ লগে লগে ডাঙৰ পুত্ৰই কলে, যেন সেইবিষয়ে তেওঁ ইতিমধ্যেই চিন্তা কৰি থৈছে। দ্বিতীয় পুত্ৰই অলপ সময় চিন্তা কৰি কলে, ‘‘পিতা, মই এই গাঁৱত থকা ব্যৱসায়ৰ দায়িত্ব লব বিচাৰো।’’ তাৰপিছত তৃতীয় পুত্ৰই কলে, ‘‘মই আন ঠাইত থকা আমাৰ ব্যৱসায়বিলাকৰ দায়িত্ব লম।’’ এইদৰে তিনিপুত্ৰই নিজৰ ইচ্ছা ব্যক্ত কৰাৰ পিছত বাকী থাকিল কেৱল বিদেশত থকা বেপাৰ। ৰামানন্দই আশা কৰিলে যে সৰু পুত্ৰই তাৰ দায়িত্ব লব বিচাৰিব। কিন্তু সৰু পুত্ৰই অলপ সময় নিৰৱে থকাৰ পিছত কলে, ‘‘পিতা, আপুনি মোক একো প্ৰদান নকৰিব। আপুনি মোক জন্ম দি এজন সক্ষম পুৰুষ হিচাপে গঢ় দিলে। সেয়াই যথেষ্ঠ নহয় জানো? মই আপোনাৰ যত্ন লম।’’

সৰু পুত্ৰৰ কথাত ৰামানন্দ বৰ সুখী হ’ল। তেওঁ চাৰিও পুত্ৰৰ মাজত সম্পত্তি সমানে ভগাই দিলে আৰু জীয়াই থকা দিনকেইটা সৰু পুত্ৰৰ ঘৰত পাৰ কৰিলে। *– পি ভেংকটেশ*

পঞ্চতন্ত্ৰৰ সাধু

ৰাজভৱনত এটা পোহনীয়া বান্দৰ আছিল। বান্দৰটোক ৰজাই বৰ ভাল পাইছিল। তেওঁ সেই বান্দৰটোকে নিজৰ দেহৰক্ষী কৰি ললে। বান্দৰটোৱে ৰজাৰ তৰোৱাল হাতত লৈ মাজে সময়ে দপদপাই ফুৰিছিল। তাৰ কথা কাণ্ড দেখি সকলোটিৰ হাঁহি উঠিছিল। ৰজাই খোৱা খাদ্যবস্তু বান্দৰটোকো খাবলৈ দিছিল। ৰজাই মৰম কৰাৰ বাবে মন্ত্ৰীৰ পৰা প্ৰজালৈকে সকলোৱে বান্দৰটোক মৰম কৰিছিল। ৰজাই আনকি বান্দৰটোৰ বাবে এখন বিশেষ তৰোৱাল বনাই দিছিল। সেই তৰোৱালখন হাতত লৈ বান্দৰটোৱে য'লৈ ত'লৈ গৈছিল।

ৰজাৰ উদ্যানখন আছিল বৰ মনোৰম। উদ্যানত নানান ধৰণৰ, নানা বৰণৰ ফুল ফুলিছিল। গছে গছে ওলমিছিল ফল। এক জোনাক নিশা ৰজা আৰু ৰাণীয়ে সেই উদ্যানত ফুৰি ফুৰিছিল।

সেইসময়ত ৰজা আৰু ৰাণীৰ লগত আন কোনো নাছিল। কেৱল ৰজাৰ দেহৰক্ষী বান্দৰটো আছিল।

অলপপৰ ঘূৰি ফুৰাৰ পিছত ৰজাই বান্দৰক কলে, ‘‘মই ইয়াতে অলপ শুম। কোনো বিপদ হলে মোক জগাবা। মই শুৱাৰ সময়ত তুমি সাৰে থাকিবা।’’

ৰজা নিদ্ৰামগ্ন হোৱাৰ পিছত ৰাণীও টোপনী গ'ল। বান্দৰে অস্ত্ৰ হাতত লৈ ৰজাক পহৰা দি থাকিল।

ৰজাৰ দেহত সনা আতৰৰ আমোল-মোলোৱা গোন্ধ পাই এটা ভোমোৰা উৰি আহি ৰজাৰ মূৰত বহিলহি।

তাকে দেখি বান্দৰে কলে, ‘‘কি তোৰ

মিত্ৰ ভেদ – ৩২

ইমান স্পৰ্ধা। মই ইয়াত থাকোতে মোৰ ৰজাৰ মূৰত বহিছহি।'' এইবুলি কৈ বাওঁহাতেৰে ভোমোৰাটোক খেদিবলৈ চেষ্টা কৰিলে। খেদা খাই ভোমোৰাটো উৰি গ'ল। কিন্তু পিছমুহূৰ্ততে আকৌ ৰজাৰ মূৰত বহিলেহি। বান্দৰে আকৌ খেদিলে। ভোমোৰাইও আকৌ মূৰতে বহিল।

বান্দৰটোৰ খং চৰি গ'ল। কলে, ''ৰবি, তোক দিও এসেকা।'' এইবুলি সোঁহাতেৰে তৰোৱালখন দাঙি লৈ ভোমোৰাটোক প্ৰচণ্ড জোৰেৰে ঘপিয়াই দিলে। লগে লগে ৰজাৰ মূৰ দুছেও হৈ গ'ল। তৎক্ষণাত ৰজাৰ মৃত্যু হ'ল।

তেনেসময়তে ৰাণী শুই থকাৰ পৰা সাৰ পাই উঠিল। ৰাণীয়ে কান্দি কান্দি বান্দৰক কলে, ''ৰজাই তোক ইমান মৰম কৰিছিল আৰু তয়েই ৰজাক হত্যা কৰিলি।''

ৰজাৰ পাত্ৰ-মন্ত্ৰীসকলো আহি সেই ঠাই পালেহি। সকলোৰে আগত বান্দৰে গোটেই ঘটনাটো বিৱৰি কলে। সকলো শুনি ৰজাৰ পৰিষদবৰ্গই মূৰ্খ বান্দৰক মাৰি-কিলাই খেদি পঠিয়ালে।

মন্ত্ৰীপুত্ৰই এইখিনিতে ৰৈ আকৌ কলে, ''মূৰ্খ বন্ধুতকৈ বিবেকবান শত্ৰুও বহুগুণে ভাল। যিগৰাকী ৰজা বিবেকবান শত্ৰুৰ হাতত নমৰিল, সেইগৰাকী ৰজা মৰিবলগীয়া হ'ল বান্দৰৰ হাতত।''

কৰটকে দমনকক এই কাহিনী বখানি কলে, ''আমাৰ ৰজা সিংহৰ তোমাৰ দৰে মূৰ্খ বন্ধু থকাতকৈ বিবেকবান শত্ৰু থকাটোও বহু ভাল। মনত ৰাখিবা, মিছা মানে মিছা আৰু সঁচা মানে সঁচা। পিয়াহত অন্ঠ কণ্ঠ শুকালেও লেতেৰা পানী কোনেও নাখায়। পিছে তোমাৰ দৰে ৰাজনীতিজ্ঞই বেছিদিনলৈ গা এৰা দি চলিব নোৱাৰে। জোনাকী পৰুৱা দেখাত জুইৰ-আঙঠাৰ দৰে হলেও সি দৰাচলতে জুই নহয়। আকাশখনক সমান দেখা গলেও সি প্ৰকৃততে সমান নহয়। সঁচাক মাজে সময়ে মিছা বুলি বোধ হয় আৰু মিছাকো সঁচাৰ দৰে লাগে। কিন্তু সেই ভুল সোনকালেই ভগি যায়। বেছি দিনলৈ নাথাকে।

কৰটকে আৰু বহু কিবা কিবি কলে। কিন্তু দমনকে তাৰ কথাত ভাল

নাপালে। সি মিচিকিয়াই হাঁহি মাৰি গুচি গ'ল।

ইফালে পিংগলক আৰু সঞ্জীৱকে দবৰা-দবৰি কৰি থাকিল। ক্ৰমে ক্ৰমে পিংগলকে সংহাৰ মূৰ্তি ধাৰণ কৰিলে। তেওঁ একেবাৰে হিতাহিত জ্ঞানশূণ্য হৈ পৰিল। সঞ্জীৱকেও মৰো-জিউ আধিকৈ যুঁজি থাকিল। সঞ্জীৱকৰ কোব খাই পিংগলক কৰ্ফলি খাই পৰিল। পিংগলক প্ৰচণ্ডভাৱে আহত হ'ল। কিন্তু তেওঁ অৱশেষত সঞ্জীৱকক বধ কৰিলে।

ইমান দিনৰ বন্ধুক বধ কৰাৰ পিছত পিংগলক মৰ্মাহত হ'ল। তেওঁ মনে মনে কলে, ''হায়, মই এয়া কি কৰিলো। এসময়ত আমি নলে গলে লগা বন্ধু আছিলো আৰু আজি মই নিজৰ বন্ধুক হত্যা কৰিলো। মোৰো আধামৰা অৱস্থা।''

তেনেসময়তে দমনকে পিংগলকৰ ওচৰ চাপি কলে, ''মহাৰাজ, এতিয়া আৰু বেজাৰ কৰি লাভ নাই। পিতৃ হওক, ভাতৃ হওক, পুত্ৰ হওক বা বন্ধু হওক, ৰজাৰ শত্ৰু শত্ৰুৱেই। শত্ৰুৰ সঁচ নৰখাই ভাল। মূৰ্খ ৰজা, নীতিহীন বিচাৰক, নীতিভ্ৰষ্ট পত্নী, কপট বন্ধু, দাম্ভিক চাকৰক বেছিদিনলৈ সহ্য কৰা উচিত নহয়। ৰজা ৰজায়েই। ৰাইজৰ চকুত ঠিক বস্তুটো ৰজাৰ চকুত ঠিক নহবও পাৰে। ৰজাৰ নিজস্ব চিন্তা এটা থাকিব লাগে। ৰজাৰ চিন্তা শেষ চিন্তা। ৰজাৰ মন কোমল হব পাৰে কিন্তু প্ৰয়োজনত বজ্ৰাদাপি কঠোৰ হব লাগিব। ৰজা হব সঞ্চয়ী কিন্তু প্ৰয়োজনত পানীৰ দৰে ধন খৰচ কৰিব। আপোনাৰ সিংহাসনৰ মৰ্যদা ৰক্ষাৰ বাবে সঞ্জীৱকক বধ কৰাৰ প্ৰয়োজন আছিল। আপুনি সময়ৰ শৰ সময়তে মাৰিছে।

এইবিলাক কথা শুনি পিংগলকৰ দুখ বেজাৰ দূৰ হ'ল। তাৰপিছৰ পৰা পিংগলকে দমনকক মন্ত্ৰীৰ বাব দি সেই অৰণ্যত শাসন চলাই থাকিল। *(মিত্ৰ ভেদ সমাপ্ত)*

যোগ্যতা

মহতী ৰাজ্যত এখন গুৰুকুল আছিল। সেই গুৰুকুলৰ গুৰু আছিল গুৰু শৰৎ। সেই গুৰুকুলৰ মালীৰ পুত্ৰৰ নাম আছিল নন্দ। গুৰু শৰতে লিখা-পঢ়াৰ প্ৰতি নন্দৰ ধাউতি থকা কথাটো লক্ষ্য কৰিলে আৰু নিজৰ শিষ্য হিচাপে গ্ৰহণ কৰিলে। গুৰুৰ অধীনত নন্দই মনপুতি পঢ়া শুনা কৰিবলৈ ধৰিলে আৰু অতি কম দিনৰ ভিতৰতে নিজৰ প্ৰতিভাৰ উমান দিবলৈ সক্ষম হ'ল।

এক কাষৰীয়া ৰাজ্যৰ ৰজাৰ পুত্ৰ ৰাজকুমাৰ বিজয়ে আহি গুৰুকুলত নাম ভৰ্তি কৰিলেহি। গুৰু শৰতে ৰাজকুমাৰক আশীৰ্বাদ কৰি কলে, ‘‘বাছা, তুমি আমাৰ গুৰুকুলৰ নিয়মবিলাক জানানে? এটা কাম কৰা। সেই বটগছৰ কাষত ফুলপুলি আৰু শাক-পাচলি লগাবৰ বাবে এজন বালকে মাটি ভাঙি আছে। তেওঁ হ'ল নন্দ। যোৱা, তেওঁৰ লগত চিনাকি হোৱাগৈ। তেওঁ তোমাক জানিবলগীয়া সকলো কথা বুজাই কব।

গুৰুৰ কথা শুনি লগে লগে বিজয়ে সেই বটগছজোপাৰ ফালে গ'ল। তেওঁ তাত তেওঁৰ সমবয়সীয়া ল'ৰা এটা দেখিলে।

ৰাজকুমাৰ বিজয়ে সেই বালকক সুধিলে, ‘‘গুৰুৱে মোক কলে যে ইয়াত নন্দ নামৰ এজন বালক আছে। তেওঁক ক'ত লগ পোৱা যাব তুমি মোক কবানে?’’

‘‘ময়েই নন্দ, কোৱা, মই তোমাক কেনেকৈ সহায় কৰিব পাৰো।’’ বিজয়ে নন্দৰ চেহেৰা দেখি অবাক হ'ল। কলা বৰণৰ নন্দ তেওঁৰ একেবাৰে পচন্দ নহ'ল। তেওঁ সুধিলে, ‘‘তুমি কোন ৰাজ্যৰ ৰাজকুমাৰ?’’

‘‘মই কোনো ৰাজ্যৰ ৰাজকুমাৰ নহয়। মোৰ পিতা এই গুৰুকুলৰ মালী।’’ নন্দই উত্তৰ দিলে। তাকে শুনি বিজয়ে কলে, ‘‘অহ,

ড. চিৰি

তাৰমানে তুমি গুৰুৰ দয়াৰ বাবে ইয়াত শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা পাইছা। তুমি নাজানানে যে তুমি ইয়াৰ বাবে যোগ্য নহয়। তোমাৰ চেহেৰা-পাতিও একেবাৰে বেয়া। তাৰোপৰি ভাল বংশৰ পৰাও অহা নাই। তোমাৰ দৰে লোক থকা ঠাইত মোৰ দৰে ৰাজকুমাৰে থকাটো পচন্দ নকৰে। সেইকথা তুমি এতিয়ালৈকে বুজি উঠা নাইনে?'' এইবুলি কৈ ৰাজকুমাৰ বিজয় সেই ঠাইৰ পৰা গুচি গ'ল।

ৰাজকুমাৰৰ ব্যৱহাৰত নন্দই বৰ দুখ পালে। সদাই হাঁহি মাতি থকা নন্দ সেইদিনাৰ পৰা একেবাৰে নিমাত হৈ থাকিবলৈ ধৰিলে। তেওঁ প্ৰায়খিনি সময় বাগিছাত কাম কৰিয়েই পাৰ কৰিবলৈ ধৰিলে।

গুৰু শৰতে নন্দৰ এই পৰিৱৰ্তন লক্ষ্য কৰিলে। তেওঁ অনুমান কৰিলে যে নিশ্চয় কিবা কথাই নন্দক আমনি কৰি আছে। তেওঁ মৰমেৰে নন্দক সেই বিষয়ে সুধিলে। তেওঁ গুৰুক সকলো কথা বিৱৰি কলে আৰু কলে যে তেওঁ আৰু গুৰুকুলত অধ্যয়ন কৰিব নিবিচাৰে। পৰিৱৰ্তে তেওঁ বাগিছাৰ প্ৰতিপালন কৰা কামত পিতাকক সহায় কৰি যাব।

গুৰু শৰতে গম পালে যে বিজয়ৰ শিশুসুলভ স্বভাৱ এই কাৰ্যৰ বাবে দায়ী। তেওঁ নন্দক কলে, ''বাছা, তুমি ভাৱিছা যে তোমাৰ চেহেৰা আৰু বংশ পৰিচয় শিক্ষাৰ ক্ষেত্ৰত বাধা হৈ উঠিব। ঠিক আছে, তোমাৰ কথাই হব। মই কিবা এটা কামত এতিয়া কাষৰ গাওঁখনলৈ যাও। তুমি মোৰ লগতে আহা।''

তেওঁলোক দুয়োয়ে চুবুৰীয়া গাঁওখনলৈ বুলি খোজ ললে। গাওঁ দুখনৰ মাজত থকা অৰণ্যখন পাৰ হওতে গুৰুৱে সুধিলে, ''তোমাৰ প্ৰিয় গছ কি?''

''বেল গছ।'' নন্দই উত্তৰ দিলে।

''চোৱা, সেইজোপা এজোপা বেল গছ।'' এইবুলি গুৰুৱে এজোপা গছলৈ আঙুলিয়াই দিলে।

এইদৰে গৈ গৈ তেওঁলোক এটা জুৰি পালেগৈ। জুৰিৰ পানীৰ শব্দ নন্দৰ সংগীতময় যেন বোধ হ'ল। সি আনন্দতে জুৰিৰ পানীত খেলিবলৈ ধৰিলে। এইদৰে নন্দই যাত্ৰা কালত নানা ভাললগা বস্তু দেখিবলৈ পালে আৰু সেইবিলাকৰ সম্বন্ধে নানা কথা গুৰুৰ পৰা শিকি পেলালে।

সন্ধিয়া সময়ত তেওঁলোক গৈ চুবুৰীয়া গাওঁখনত উপস্থিত হ'লগৈ। তেওঁলোক সেই গাঁৱত থকা শিৱ মন্দিৰটোলৈ গ'ল। গুৰুৱে নন্দক শিৱ লিংগৰ সন্মুখত থকা চাকিটো জ্বলাই

দুটামান শ্লোক আবৃত্তি কৰিবলৈ কলে। নন্দই তাকে কৰিলে। নন্দৰ সুৰীয়া শ্লোক শুনি মন্দিৰলৈ অহা আনবিলাক মানুহ আঁচৰিত হৈ পৰিল আৰু সকলোৱে নন্দৰ সংগীত প্ৰতিভাৰ বৰ প্ৰশংসা কৰিলে।

পিছদিনা গুৰু আৰু নন্দ নিজৰ গাৱঁলৈ উভতি আহিল। আহি থাকোতে গুৰুৱে নন্দক সুধিলে, ‘‘নন্দ, তুমি ভাৱিছিলা যে তোমাৰ চেহেৰা আৰু বংশ ভাল নোহাৱাৰ বাবে তুমি শিক্ষা লাভ কৰাৰ উপযুক্ত নোহোৱা। এই যাত্ৰাত তুমি মাটিত খোজ কাঢ়িলা, মলয়া উপভোগ কৰিলা, পানীত খেলিলা, চাকিত জুই দিলা, আকাশৰ তলত শয়ন কৰিলা। এই পঞ্চভূতে তোমাক তেনে কৰাৰ পৰা বাৰণ কৰিলে নেকি? এই পাঁচটা বস্তুৱেই ব্ৰহ্মাণ্ডৰ মূল। এই পঞ্চভূতক উপভোগ কৰি জীয়াই থাকিবলৈ তুমিও যোগ্য। আজি মন্দিৰত তুমি তোমাৰ সুৰীয়া শ্লোকেৰে তোমাৰ লগত থকা দেৱী স্বৰস্বতীৰ আশীৰ্বাদৰ কথা সকলোৰে আগত প্ৰমাণ কৰিলা। মই নিশ্চিত যে এই পৃথিৱীৰ আন আন মানুহৰ প্ৰতি মৰম আৰু স্নেহেৰে তোমাৰ হৃদয় ভৰি আছে। তেনে এজন লোক কেনেকৈ শিক্ষা লাভ কৰাৰ বাবে অনুপযুক্ত হব পাৰে? হব পাৰে যে কেতিয়াবা শাৰিৰীক ভাৱে দেখনীয়াৰ লোকে বাকীসকলতকৈ সহজতে আনৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে। কিন্তু সঁচা মানসিক সৌন্দৰ্যক কোনেও লুকুৱাই থব নোৱাৰে। মই কি কৈছো তুমি বুজিব পাৰিছানে?’’ গুৰুৱে এইদৰে কৈ নন্দক সুধিলে।

গুৰুৰ কথাই নন্দৰ মনত থকা সকলো ভুল ভাঙি দিলে। তেওঁ এই ব্ৰহ্মাণ্ডৰ বিশালত্বৰ কথা উপলব্ধি কৰিব পাৰিলে। তেওঁ এইকথাও বুজিব পাৰিলে যে তেওঁৰ গুৰু কিমান মহান! এইধৰণৰ সৰু সৰু কথাৰ বাবে শিক্ষা গ্ৰহণৰ দৰে এক কাৰ্য পৰিত্যাগ কৰিবলৈ লোৱাটো যে কিমান ডাঙৰ ভুল আছিল তাক তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিলে। তেওঁ মুখত এক জ্ঞানৰ জেউতি জিলিকি উঠিল।

নন্দই তেওঁৰ কথা বুজি পোৱা বুলি গম পাই গুৰু শৰৎ বৰ সুখী হ’ল। তেওঁ নন্দক প্ৰাণভৰি আশীৰ্বাদ কৰিলে। নন্দইয়ো পিছদিনাৰ পৰাই পুণৰ অধ্যয়ন আৰম্ভ কৰিলে।





কৃপণ ভিক্ষাৰী

বহুদিনৰ আগৰ কথা। এখন ৰাজ্যত এজন ৰজা আছিল। তেওঁ বৰ দয়ালু আছিল। আনৰ সমস্যাৰ কথা শুনিলে তেওঁ বৰ চিন্তিত হৈ উঠিছিল। তেনে সময়ত তেওঁ সোণ-ৰূপ, মণি-মুকুতা, মোহৰ, হীৰা আদি যিয়েই ওচৰতে থাকে, তাকেই দান কৰি দিছিল।

এবাৰ ৰজাই এটা পথেৰে ৰথত গৈ আছিল। সেই পথতে এটা ভিক্ষাৰী আৰু তাৰ পৰিয়ালে বাস কৰিছিল। ৰথত উঠি ৰজা সেই পথেদি আহিব বুলি গম পাই ভিক্ষাৰী আনন্দিত হৈ উঠিল। সেই সময়তে, এজন লোকে ভিক্ষাৰীৰ ভিক্ষাৰ বাতিত চাউল বাকী দি আছিল। ৰজা সেই বাটেদি অহা দেখা পাই, ভিক্ষাৰীয়ে ভিক্ষা দিয়া মানুহজনক ঠেলা মাৰি আঁতৰাই ৰজাৰ ফালে দৌৰ দিলে আৰু ৰজাৰ ওচৰ পাই ৰজাক সম্ভাষণ জনালে।

"মহাৰাজ, মই মানুহে আপোনাক দানবীৰ বুলি প্ৰশংসা কৰা শুনিবলৈ পাইছো। শুনিছো যে প্ৰয়োজনৰ সময়ত আপুনি সকলোকে সহায় কৰে। মই বহুদিনৰ পৰাই আপোনাক দেখা কৰিবলৈ চেষ্টা কৰি আছিলো। আজি নিজৰ সন্মুখত আপোনাক দেখা পাই বুজিব পৰা নাই যে এয়া সপোন নে দিঠক। মই আশাকৰো যে মই কোনো নকবলগীয়া কথা কোৱা নাই। এইদৰে গৈ থাকোতে আপোনাক বাট ভেটি কথা পতাৰ বাবে মোক ক্ষমা কৰিব। যদি কিবা নকবলগীয়া কথা কৈ পেলাইছো তাৰ বাবে মোৰ দোষ মাৰ্জনা কৰিব।" ৰজাক ভিক্ষাৰীয়ে কলে। তাৰ পিছত সি ৰজাৰ বহু প্ৰশংসা কৰিবলৈ ধৰিলে।

ৰজাই সাৰথিক ৰথখন পথৰ দাঁতিলৈ নি ৰখাবলৈ কলে। সাৰথিয়ে তেনে কৰাত ৰজাই ভিক্ষাৰীক সুধিলে, "তুমি কোন?"

"মহাৰাজ, আপোনাৰ সকলোতকৈ

এম মদন মোহন ৰাও

দুৰ্ভগীয়া প্ৰজাসকলৰ ভিতৰত ময়ো এজন। ভোক মোৰ ঘৰত আলহী হৈ নিগাজীকৈ থাকিবলৈ লৈছে। কালি পিছবেলাৰে পৰা মোৰ পেটত একো এটা পৰা নাই। হে মহাৰাজ, আপুনি অনুগ্ৰহ কৰি মোক দয়া কৰক।'' ভিক্ষাৰীয়ে ৰজাক এইদৰে প্ৰাৰ্থনা কৰিলে।

''এই দুখলগা কাহিনীৰ বাদে মোক দিবলৈ তোমাৰ ওচৰত আন একোৱেই নাইনে? মোক কিবা এটা দিয়া?'' এইবুলি কৈ ৰজাই ভিক্ষাৰীৰ ফালে হাত মেলি দিলে। তেওঁৰ চঁকুত দুষ্টমিৰ হাঁহি লাগি আছিল।

ভিক্ষাৰী আচৰিত হ'ল। তাৰপিছত নিজৰ ভিক্ষা পাত্ৰৰ পৰা গণি গণি পাঁচটা চাউল লৈ ৰজাৰ হাতত দিলে।

ভিক্ষাৰীৰ কাণ্ড দেখি ৰজাৰ হাঁহি উঠিল। তেওঁ ভিক্ষাৰীক একো প্ৰদান নকৰি তাৰ পৰা নিজৰ লক্ষ্যস্থানলৈ গুচি গ'ল।

ভিক্ষাৰী বৰ দুখী হৈ পৰিল। সি ৰজাক কৃপণ বুলি বহু গালি পাৰি ভিক্ষা পাত্ৰ লৈ ভিক্ষা কৰিবলৈ গ'ল।

ভিক্ষা কৰি সন্ধিয়া সি ঘৰলৈ উভতি আহিল। আহি সি নিজৰ ঘৰৰ আগত এটা চাউলৰ ডাঙৰ বস্তা দেখিবলৈ পালে। সি ভাৱিলে, 'হয়তো কোনোবা দয়ালু লোকে মোৰ বাবে এই বস্তাটো ইয়াত থৈ গৈছে।' এইদৰে ভাৱি সেই চাউলৰ বস্তাটো টানি টানি ঘৰৰ ভিতৰলৈ লৈ গৈ তাৰ পৰা চাউল উলিয়াবলৈ ধৰোতেই তাৰ ভিতৰত এডোখৰ সোণ পালে। তেতিয়া তেওঁ উপলব্ধি কৰিলে যে হয়তো ৰজাই সেই বস্তাটো তেওঁৰ বাবে থৈ গৈছে। তাৰপিছত ভিক্ষাৰীয়ে সেই বস্তাৰ চাউলৰ মাজত পাঁচ টুকুৰা সোণ পালে। সেয়া আছিল ভিক্ষাৰীয়ে ৰজাক প্ৰদান কৰা চাউলৰ দানাৰ সমসংখ্যক।

''ৰজা কৃপণ নহয়, মইহে কৃপণ। যদি মই মোৰ পাত্ৰত থকা সকলোবিলাক চাউল দি দিলোহেতেন, তেন্তে ৰজাই মোক বহু সোণৰ টুকুৰা প্ৰদান কৰিলেহেতেন আৰু তেতিয়া মই এজন বেছ ধনী লোক হৈ পৰিলোহেতেন।'' ভিক্ষাৰীয়ে এইদৰে চিন্তা কৰি এটা হুমুনিয়াহ পেলালে।





ভৈৰৱ শাস্ত্ৰী

বহুদিনৰ আগতে কলিংগ দেশত ৰজা মণিভদ্ৰই শাসন কৰিছিল। তেওঁ মন্ত্ৰী ইন্দুশৰ্মা বৰ বুদ্ধিমান আছিল। তেওঁ ৰাজ্যত সুশাসন চলাই যোৱাত ৰজাত সোঁহাত হৈ থাকি সহায় কৰিছিল।

ৰজাৰ মনোৰঞ্জনৰ বাবে ভৈৰৱ শাস্ত্ৰী নামৰ এজন ব্যক্তিক নিযুক্ত কৰা হৈছিল। ৰজাৰ আজৰি সময়ত শাস্ত্ৰীয়ে নানা ধৰণে তেওঁৰ মনোৰঞ্জন কৰিছিল।

কেৱল ৰজাৰ বাহিৰে আন কাৰোৰে লগত ভৈৰৱ শাস্ত্ৰীৰ একো কাম নাছিল। গতিকে তেওঁ আন কাকো গণ্যই নকৰিছিল। তেওঁ ভাৱিছিল যে যেতিয়া ৰজাই স্বয়ং তেওঁৰ অনুকুল, আনৰ কথা মানি চলাৰ কনো প্ৰয়োজন নাই। শেষত তেওঁ মন্ত্ৰীকো গণ্য নকৰা হ'ল। সেই কথাত মন্ত্ৰী বিতুষ্টহৈ উঠিল।

মন্ত্ৰীয়ে ভৈৰৱ শাস্ত্ৰীক এক শিক্ষা দিব খুজিলে। তেওঁ ৰাজমহলৰ পহৰাদাৰক কলে, "কালিলৈ ভৈৰৱ শাস্ত্ৰীক ভিতৰলৈ সোমাবলৈ নিদিবি।"

পিছদিনাখন ভৈৰৱ শাস্ত্ৰীয়ে ৰজাক দেখা কৰিবলৈ অহাত পহৰাদাৰে কলে, "আপুনি ভিতৰলৈ যাব নোৱাৰে। এনে কৰিবৰ বাবে মোক হুকুম দিয়া হৈছে।"

ভৈৰৱ শাস্ত্ৰী অবাক হ'ল। তেওঁ ভাৱিলে যে নিশ্চয় কোনো ভুল হৈছে। আগদিনাখন ৰজাই তেওঁৰ লগত ভাল ব্যৱহাৰেই কৰিছিল। কিন্তু হঠাতে কি হ'ল? তেওঁ একো বুজি নাপালে।

'মহাৰাজ, মোক কিয় দণ্ড দিয়া হ'ল? অনুগ্ৰহ কৰি মোক কওক যে মই কি ভুল কৰিলো। মই সেই ভুল শুধৰাই লম।'

চিদানন্দ

এইদৰে এখন চিঠি লিখি ভৈৰৱ শাস্ত্ৰীয়ে ভিতৰলৈ প্ৰেৰণ কৰিলে।

সেই চিঠি নি পহৰাদাৰে মন্ত্ৰীক দিলেগৈ আৰু মন্ত্ৰীয়ে সেই চিঠি পেলনীয়া কাকতৰ খৰাহীত পেলাই দিলে।

যেতিয়া দুদিন ধৰি ভৈৰৱ শাস্ত্ৰী নাহিল, তেতিয়া ৰজাই পৰিচাৰকক সুধিলে, ''আজিকালি ভৈৰৱ শাস্ত্ৰীক দেখা নাই। তাৰ কাৰণ কি?''

ৰজাই যাকেই এই কথা সুধিলে, সকলোৱে ভৈৰৱ শাস্ত্ৰীৰ বিষয়ে নাজানে বুলি কলে। শেষত ৰজাই মন্ত্ৰীক এই কথা সোধাত মন্ত্ৰীয়ে কলে, হে মহাৰাজ, ভৈৰৱ শাস্ত্ৰীয়ে পৰি দুখ পাইছিল। যোৱা কালি তেওঁৰ মৃত্যু হ'ল। আজি আমি তেওঁৰ শ্ৰাদ্ধাদি কৰি আহিছো।''

ইফালে যেতিয়া ভৈৰৱ শাস্ত্ৰীয়ে ৰজাৰ পৰা চিঠিৰ কোনো উত্তৰ নাপালে, তেতিয়া তেওঁ অনুমান কৰিলে যে হয়তো তেওঁৰ চিঠি গৈ ৰজাৰ ওচৰ নাপালেগৈ। কাকো গণ্য নকৰা স্বভাৱৰ বাবে ৰাজমহলত তেওঁৰ কোনো বন্ধুও নাছিল। তেওঁ ভাৱি-চিন্তি থিক কৰিলে যে ৰজা যেতিয়া মহলৰ পৰা বাহিৰলৈ আহিব তেতিয়াই ৰজাক লগ কৰিব পৰা যাব। এই ভাৱি তেওঁ উচিত সুবিধাৰ প্ৰতীক্ষা কৰি ৰ'ল।

এদিনাখন সন্ধিয়া, ৰজা, মন্ত্ৰী আৰু পহৰাদাৰ ঘোঁৰাত উঠি ৰাজমহলৰ পৰা ওলাই চহৰলৈ ফুৰিবলৈ গৈ আছিল। ভৈৰৱ শাস্ত্ৰীয়ে পথতে ৰৈ আছিল। ভৈৰৱ শাস্ত্ৰীক দেখি ৰজা বৰ আচৰিত হ'ল। তেওঁ কিবা কোৱাৰ আগতেই মন্ত্ৰীয়ে কলে, ''হে ভগৱান, ভৈৰৱ শাস্ত্ৰী ভূত হৈ পৰিল।''

ৰজাৰ লগত যোৱা পহৰাদাৰে আগৰে পৰা সকলো কথা গম পাইছিল। তেওঁ মন্ত্ৰীৰ কথা শুনি হয়ভৰ দি কলে, ''হয় মন্ত্ৰী মহোদয়, ময়ো ভৈৰৱ শাস্ত্ৰীৰ ভূত দেখা পাইছো।''

ৰজাই মন্ত্ৰী আৰু পহৰাদাৰ কথাত বিশ্বাস কৰি ললে।

এই কথোপকথন পথৰ কাষত অপেক্ষা কৰি থকা ভৈৰৱ শাস্ত্ৰীয়ে শুনা পালে। তেওঁ আচৰিত হ'ল। পিছত তেওঁ চিন্তা কৰি নিজৰ ভুল বুজিব পাৰিলে। তেওঁ এটা শ্লোক লিখি পেলালে আৰু সেই ঠাইতে ৰৈ থাকিল। ৰজা উভতি অহাৰ সময়ত ৰজাৰ হাতত দিলে। ৰজাই সেই শ্লোকটো পঢ়িলে–

ৰাষ্ট্ৰ সেব্যৌ নৃপঃ সেব্যঃ
ন সেব্যঃ কেৱলৌ নৃপঃ
ৰাষ্ট্ৰৱক প্ৰভাৱতে
ভৈৰৱৌ ভূততা গতঃ

(ৰজাৰ লগতে দৰবাৰত থকা বাকীবিলাক লোককো সন্মান কৰা উচিত। কেৱল ৰজাকেই যে সন্মান কৰিব লাগে এনে নহয়। দৰবাৰৰ বাকীসকল বিষয়াৰ কৃপা নথকাৰ বাবে জীৱন্ত ভৈৰৱ মৰি ভূত হৈ পৰিল।)

সেই শ্লোক পঢ়াৰ পিছত ৰজাই সকলো কথা বুজি পালে আৰু মন্ত্ৰীক সুধিলে, ''প্ৰধান মন্ত্ৰী ডাঙৰীয়া, আপুনি মোক মিছাকৈ কৈছিল নেকি যে ভৈৰৱ শাস্ত্ৰীৰ মৃত্যু হ'ল আৰু তেওঁ ভূতলৈ ৰূপান্তৰিত হ'ল।''

তেতিয়া মন্ত্ৰীয়ে সকলো কথা বিৱৰি কলে। এজন বিদুষকৰ বাবে ৰজাই সামৰ্থ মন্ত্ৰীক বিতুষ্ট কৰিব নুখুজিলে। কেৱল তেওঁ মন্ত্ৰীক কলে যে ভৈৰৱ শাস্ত্ৰীক পুণৰ চাকৰিটো দিব লাগে। এই ঘটনাৰ পিছত ভৈৰৱ শাস্ত্ৰীয়েও সকলো কথা বুজি পালে আৰু সকলোকে সন্মান কৰি ৰজাৰ মনোৰঞ্জন কৰি যাবলৈ ধৰিলে।

ৰঙালাও চোৰ

মহীপুৰ নামৰ এখন গাঁৱত বীৰু নামৰ এজন খেতিয়কে বাস কৰিছিল। তেওঁ শাক-পাচলিৰ খেতি কৰাত বৰ পাকৈত আছিল। তেওঁৰ যিবা অলপমান মাটি আছিল তাতে নানা ধৰণৰ শাক-পাচলিৰ খেতি কৰিছিল আৰু বেছ কিছু দাম লৈ বিক্ৰী কৰিছিল। সেই আয়ৰ পৰাই তেওঁ বহুকেইটা মাহ আৰামৰ জীৱন কটাইছিল। তেওঁ শাক-পাচলিক ইমানেই ভাল পাইছিল যে ডাঙৰ ৰঙালাও আৰু জাতিলাওৰ নামো ৰাখিছিল।

সেই গাঁৱতে ভৈৰৱ নামৰ আন এজন খেতিয়ক আছিল। তেওঁৰ মাটিৰ পৰিমাণ বীৰুতকৈ বেছি আছিল আৰু সাৰুৱাও আছিল। কিন্তু তেওঁ সদায় বেছি টকা ঘটাৰ চিন্তা কৰিছিল। তেওঁ ভালদৰে শাক-পাচলিৰ খেতি নকৰিছিল। গতিকে তেওঁৰ মাটিত উৎপাদিত শাক-পাচলিৰ বাবে বীৰুৱে লাভ কৰাৰ সমান দাম লাভ নকৰিছিল।

"তুমি কিছু হলেও পঢ়া শুনা কৰা লোক। সেই বীৰুৱে আখৰৰ অটোও নাজানে। কিন্তু কি লাভ? তুমিটো তাৰ দৰে শাক-পাচলিৰ খেতি কৰিব নাজানা।" মানুহবিলাকে এইদৰে ভৈৰৱক কথা শুনাইছিল।

এটা বছৰ বীৰুৰ বাগিছাত ডাঙৰ ডাঙৰ ৰঙালাও লাগিছিল। ইমান ডাঙৰ ৰঙালাও কোনোৱে আগতে দেখাই নাছিল। বীৰুৱে ৰঙালাওৰ আকাৰ দেখি বৰ সুখী হ'ল। সি মৰমতে ৰঙালাওৰ নামো দিলে- 'সোনাই, ৰুপাই, মহালক্ষ্মী ইত্যাদি ইত্যাদি।

তেওঁ এদিন বাগিছালৈ গৈ পিছদিনাখন বজাৰলৈ নিবলগীয়া ৰঙালাওবিলাকত চিন

শকুন্তলা

দি থৈ আহিল। সেইদিনা ৰাতি বীৰুৰ টোপনী নাহিল। তেওঁ মৰমেৰে ডাঙৰ কৰা সেই ৰঙালাওবিলাক নিজৰ সন্তান বোধ হ'ল আৰু এনে লাগিল যে নিজৰ কণ্যাক বিয়া দি শহুৰৰ ঘৰলৈ পঠিয়াব বিচাৰিছে।

পিছদিনা গাড়ী লৈ বীৰু বাগিছালৈ গ'ল। বাগিছা পোৱাৰ মাত্রকে তেওঁৰ বুকুৰ ঢিপঢিপনী বন্ধ হোৱা যেন হ'ল। ৰঙালাওবিলাক কোনোবাই চিঙি লৈ গুচি গ'ল। বীৰু পাগল হবৰ উপক্রম হ'ল। তেওঁ তাতে থিয় হৈ চোৰক উদ্দেশি গোৱাল গালি পাৰিবলৈ ধৰিলে। মাজে মাজে তেওঁ নিজৰ ভাগ্যকো দুষিবলৈ ধৰিলে।

হঠাতে তেওঁৰ মনলৈ এক চিন্তা আহিল। চোৰে এটা বা দুটা ৰঙালাও চুৰ কৰি নিয়াটো অসম্ভৱ নহয়। কিন্তু ছল্লিছটা ৰঙালাও নিয়াটো সম্ভৱ নহয়। যদি কোনোবাই নিছেও তেন্তে নিশ্চয় বজাৰলৈকে লৈ গৈছে। তেওঁ নিজৰ ৰঙালাও অতি সহজেই চিনি উলিয়াব পাৰিব।

তেওঁ লগে লগে গৰু গাড়ী লৈ বজাৰ অভিমুখে ৰাওনা হ'ল। তেওঁ বজাৰ পাই তাত থকা শাক-পাচলিৰ দোকানবিলাকত ভালদৰে লক্ষ্য কৰিলে। সেই দোকানবিলাকৰ ভিতৰৰ তেওঁ এখনত নিজৰ ৰঙালাওবিলাক দেখা পালে। তেওঁ লগে লগে দোকানীৰ ওচৰলৈ গৈ কলে, "এয়া কি ৰকমৰ কাম কৰিছা তুমি? মোৰ বাগিছাৰ পৰা ৰঙালাও চুৰ কৰি আনি তুমি নিজৰ দোকানত বেচিছাহি।"

এনে কথা শুনি দোকানী আঁচৰিত হ'ল। তেওঁ কলে, "এয়া তোমাৰ গাঁৱৰে ভৈৰৱে

মোক বিক্ৰী কৰিছে। মই এই ৰঙালাওবিলাকৰ বাবদ তেওঁক পুৰা দহ টকা দিছো।''

''ভৈৰৱ এতিয়াও এই বজাৰতে আছে। সি হয়তো কোনো দোকানত গৈ কিনা-কুটা কৰিছে।'' কাষৰে দোকানীজনে কলে।

বীৰুৱে সেই বজাৰৰ অধিকাৰীৰ ওচৰলৈ গ'ল আৰু অভিযোগ দাখিল কৰিলে। তেওঁ কলে যে ভৈৰৱে তেওঁৰ বাগিছাৰ পৰা ৰঙালাও চুৰি কৰি বজাৰত বিক্ৰী কৰি দিছে।

অলপ পৰৰ পিছতে ভৈৰৱক দুজনমানে ধৰি সেই দোকানখনৰ ওচৰলৈ লৈ আহিল। বজাৰৰ অধিকাৰীও সেইখিনি পালেহি।

''এয়া যে তোমাৰ ৰঙালাও তাক তুমি কেনেকৈ জানিলা? তোমাৰ কথাৰ কি প্ৰমাণ আছে?'' বজাৰৰ অধিকাৰীয়ে সুধিলে।

''মই কেনেকৈ নাজানিম ? ময়েই যত্ন লৈ এইবিলাকক ডাঙৰ কৰিছিলো। এয়া হ'ল- মহালক্ষ্মী, এয়া হ'ল সোনা...'' এইবুলি তেওঁ প্ৰতিটো ৰঙালাওৰ নাম লৈ লৈ আঙুলিয়াই দেখুৱালে।

বীৰুৰ সৰলতা দেখি তাত উপস্থিত থকা সকলো লোকে হাঁহিলে। বজাৰৰ অধিকাৰীয়েও হাঁহি মাৰি কলে, ''তুমি কেৱল এইবিলাক তোমাৰ নিজৰ ৰঙালাও বুলি চিনি পালেই নহব। তোমাৰ ওচৰত আন কোনো এনে সাক্ষী আছে নেকি যি এইবিলাকক তোমাৰ বুলি কব খোজে? তুমি প্ৰমাণ দিয়াৰ দৰকাৰ।''

তাৰপিছত অধিকাৰীয়ে ভৈৰৱক সুধিলে,



"বীৰুৰ দাবী হ'ল যে এই ৰঙালাওবিলাক তুমি তেওঁৰ বাগিছাৰ পৰা চুৰি কৰিছা। এই ক্ষেত্ৰত তোমাৰ কি কবলগীয়া আছে ? তুমি বিৱৰি কব পাৰা।"

"মোৰ ওচৰত বহী আছে। সেই বহীত মই শাক-পাচলি লগোৱা আৰু বেচা-কিনা কৰাৰ সম্পূৰ্ণ হিচাপ লিখি ৰাখো। যদি আপুনি বিচাৰে, তেন্তে সেই বহী আনি আপোনাক দেখুৱাব পাৰো।" ভৈৰৱে কলে।

এই কথা শুনি বীৰুৱে কলে, "এইবিলাক যে মোৰ ৰঙালাও তাক প্ৰমাণ কৰিবৰ বাবে মোৰ ওচৰতো প্ৰমাণ আছে। মই সেয়া ঘৰৰ পৰা লৈ আহোগৈ।" এই কথা শুনি ভৈৰৱে ঠাট্টা কৰি হাঁহিলে।

বজাৰৰ অধিকাৰীয়ে চিপাহীৰ লগত দুয়োকে বহী আনিবৰ বাবে গাঁৱলৈ পঠিয়াই দিলে। অলপ পৰৰ পিছতে বহী লৈ ভৈৰৱ উভতি আহিল। বীৰুৱে লৈ আহিল এখন সৰু চুৰি।

ভৈৰৱৰ বহীত লিখা আছিল যে তেওঁ সেইদিনা ছত্ৰিশটা ৰঙালাও বজাৰত বিক্ৰী কৰিছে।

"তোমাৰ হিচাপ ক'ত?" অধিকাৰীয়ে বীৰুক সুধিলে।

বীৰুৱে হাতৰ চুৰি খনেৰে এটা ৰঙালাওৰ ঠাৰি ডালৰ কাষতে এটা দাগ দি কলে, "হুজুৰ, এয়াই মোৰ হিচাপ।" তাৰপিছত তেওঁ এটা এটাকৈ ৰঙালাও লৈ তাৰ ঠাৰিৰ ওচৰত থকা একে ধৰণৰ দাগলৈ আঙুলিয়াই দিলে। তেওঁ অধিকাৰীক কলে, "মহাশয়, এতিয়া আপুনি নিশ্চয় বুজিব পাৰিছে যে এয়া কাৰ ৰঙালাও।"

এই কথা শুনাৰ লগে লগে অধিকাৰীয়ে পুৰা ছত্ৰিশটা ৰঙালাওৰ দাম বীৰুক দিবলৈ ভৈৰৱক আদেশ দিলে। সেইদিনাৰ পৰা গাঁৱৰ সকলো লোকে ভৈৰৱক 'ৰঙালাও চোৰ' নামেৰে অভিহিত কৰিবলৈ ধৰিলে।





যোগ্য প্ৰাৰ্থী

এসময়ত সেউজপুৰত যাদৱ নামৰ এজন মধ্যবিত্ত লোকে বাস কৰিছিল। তেওঁৰ চহৰত শস্য বিক্ৰী কৰাৰ ব্যৱসায় আছিল। তেওঁ সেই কাম কৰি যথেষ্ট পৰিমাণৰ ধন উপাৰ্জন কৰিব পাৰিছিল আৰু সেই ধনেৰে কিছু সা-সম্পত্তিও ক্ৰয় কৰিছিল।

যাদৱে নিজৰ ব্যৱসায় বৃদ্ধি কৰিব খুজিছিল আৰু সেইবাবে তেওঁ এনে এজন বিশ্বাসী যুৱকৰ সন্ধানত আছিল যি মেনেজাৰৰ কাম কৰিব পাৰে। এদিন তেওঁ বন্ধু কৃষ্ণক লগ পোৱাত এই বিষয়ে তেওঁৰ পৰামৰ্শ দিবলৈ অনুৰোধ কৰিলে।

কিছুসময় চিন্তা কৰি কৃষ্ণই কলে, ‘‘মই দুজন যুৱকক জানো, যি হয়তো এই কামৰ বাবে উপযুক্ত হব। সিঁহতে জমিদাৰৰ কাৰ্যালয়ত কাম কৰে।’’

‘‘ঠিক আছে, মই দুয়োজনকে পৰীক্ষা কৰি চাব বিচাৰো। তুমি দুয়োজনকে তোমাৰ ঘৰলৈ সাধাৰণভাৱে আমন্ত্ৰণ কৰিব পাৰিবা নেকি? মই চাকৰিৰ বাবে তেওঁলোকক লগ ধৰিব বিচাৰো বুলি নকবা কিন্তু।’’ এই কথাত কৃষ্ণ মান্তি হ’ল।

দুদিনৰ পিছত সেই দুজন যুৱক জিতেন্দ্ৰ আৰু শিৱ কৃষ্ণৰ ঘৰলৈ আহিল। আগতে পাঙি থোৱাৰ দৰে সেইসময়ত যাদৱো কৃষ্ণৰ ঘৰলৈ গ’ল। তেওঁ দেখিলে যে জীতেন্দ্ৰ আৰু শিৱ দুয়োজনে কৃষ্ণৰ ঘৰৰ বাৰান্দাত বহি দবা খেলি আছে।

অলপ সময়ৰ পিছতে যাদৱে কৃষ্ণৰ ফালে চাই চিন্তিতভাৱে কলে, ‘‘বস্তুৰ মূল্য বৃদ্ধি পাই আকাশলংঘী হৈছে। অনাগত দিনবিলাকত খাই-বৈ জীয়াই থকাই টান হব।’’ কৃষ্ণই যাদৱৰ কথাত হয়ভৰ দিলে।

শিৱই মাজতে কলে, ‘‘মূল্যবৃদ্ধিৰ বাবে

জি প্ৰিয়া ৰাণী



আমি প্ৰয়োজনতকৈ বেছি খৰচ কৰি গৈ থাকো, তেন্তে কঠিন পৰিশ্ৰম কৰিলেও সিমানখিনি ধন ঘটিবলৈ কঠিন হব। গতিকে মই ভাৱো এইদৰে মূল্যবৃদ্ধি হোৱাটো চিন্তাৰ বিষয় আৰু মই ইয়াক সমৰ্থন নকৰো।''

তেতিয়া যাদৱে কলে, ''পৃথিৱীখন দিনকদিনে অসাম্য হৈ পৰিছে। সাধাৰণ মানুহৰ পক্ষে ভাল জীৱন যাপন কৰাটো অসম্ভৱ হৈ পৰিছে। ধনী আৰু প্ৰতিপত্তিশালী লোকসকলে সাধাৰণৰ মানুহক আৰু তললৈ ঠেলি দিছে। মই কেতিয়াবা চিন্তা কৰো যে এই পৰিস্থিতি কেতিয়াবা সলনি হৈ সমাজখন সুন্দৰ হৈ উঠিবনে?''

কথা শুনি শিৱই হাঁহিলে আৰু কলে, ''পৃথিৱীখন সলনি হোৱালৈ অপেক্ষা কৰি থকাৰ পৰিৱৰ্তে মানুহে নিজকে সলনি কৰা প্ৰয়োজন। যদি আপুনি বিদ্ৰোহ আৰম্ভ কৰে, তেন্তে আন সকলোৱে আপোনাক সমীহ কৰি চলিব। আজিকালি সকলো মানুহকে দৈহিক শক্তিৰ প্ৰয়োজন আছে।''

শিৱৰ কথা শুনি জীতেন্দ্ৰই কলে, ''মই এই কথাটো শিৱৰ লগত একমত হব নোৱাৰো। দৈহিক শক্তিতকৈ মানুহক জ্ঞানৰ বেছি প্ৰয়োজন। এনেদৰে ভৱাটো মূখামি যে আমি দৈহিক শক্তিৰে সকলো কাম সমাধা কৰিব পাৰিম। তাৰোপৰি আমি সকলো নিজৰ নিজৰ বিবেকৰ ওচৰত দায়বদ্ধ। মই ভাৱো যে মানুহে নিজৰ বিবেকৰ পৰামৰ্শমতেহে চলিব লাগে।''

তেওঁলোকে এইদৰে কথা পাতি থাকোতেই অলপ দূৰৰ পৰা এক চিঞৰ-বাখৰৰ শব্দ ভাঁহি অহা শুনিবলৈ পালে। যাদৱ আৰু কৃষ্ণ দুয়ো

চিন্তিত হোৱাৰ কোনো প্ৰয়োজন নাই। তেনে পৰিস্থিতিৰ লগত খাপ খাবৰ বাবে আমি অধিক পৰিশ্ৰম কৰিব লাগিব। আজিকালি ধন ঘটাৰ বাবে নানা ধৰণৰ উপায় আৰু সুবিধা আছে। আমি মাত্ৰ চকু-কান খুলি ৰাখিব লাগে।''

যাদৱে লক্ষ্য কৰিলে যে জীতেন্দ্ৰই একো মন্তব্য কৰা নাই। তেওঁ জীতেন্দ্ৰক সুধিলে, ''এইবিষয়ে তুমি কি ভাৱা। তুমিও শিৱই ভৱাৰ দৰেই ভাৱা নেকি?''

জীতেন্দ্ৰই দীঘলকৈ এটা উশাহ লৈ কলে, ''মহাশয়, মই এই কথাত শিৱৰ লগত একমত নহয়। এনেওটো হব পাৰে যে মূল্যবৃদ্ধি আমাৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ যায়। আমি আমাৰ আকাংখ্যাক সীমাৰ ভিতৰত ৰাখিব লাগে। আমি কেৱল টকা উপাৰ্জন কৰাতকৈ এটা সুখী সৰল জীৱন যাপন কৰাতহে গুৰুত্ব দিব লাগে। যদি

লৰালৰিকৈ সেইফালে ঢাপলি মেলিলে। জীতেন্দ্ৰ আৰু কৃষ্ণও পিছে পিছে গ'ল।

তেওঁলোকে দেখিলে যে গাৱঁৰ সভা বহা স্থানত দুজন মানুহে তৰ্ক কৰি আছে আৰু তাত বহু মানুহ গোট খাইছে।

যাদৱে কলে, "বীৰে দাবী কৰিছে যে ৰংগাই তেওঁৰ গৰু এটা চুৰ কৰি বজাৰত বিক্ৰী কৰি দিলে। আনহাতে ৰংগাই কৈছে যে সি বীৰৰ গৰু চুৰ কৰা নাই। দুয়োৰে মাজত এই কাজিয়া যোৰা কেইবাদিন ধৰি চলি আছে। আজি ইয়াত লগ পাই পুণৰ কাজিয়া কৰা আৰম্ভ কৰিছে। তোমালোক দুয়ো শিক্ষিত, বহু কথাই জানা। তোমালোকৰ মতে কোনজনৰ যুক্তি শুদ্ধ বাৰু?"

শিৱই একো নকৈ মনে মনে ৰ'ল। জীতেন্দ্ৰই অলপ সময় চিন্তা কৰি কলে, "মোৰ বোধেৰে বীৰৰ কথা বেছি যুক্তিপূৰ্ণ। ৰংগাই সঁচাকৈয়ে বীৰৰ গৰু চুৰ কৰি বজাৰত বিক্ৰী কৰিছে। মোৰ কথাৰ প্ৰমাণ আপোনালোকে অলপ সময়ৰ ভিতৰতে পাব।"

অলপ সময়ৰ ভিতৰতে এইটো প্ৰমাণ হ'ল যে ৰংগাই বীৰৰ গৰু চুৰ কৰি অতি কম দামতে বজাৰত বিক্ৰী কৰি দিছিল। গাৱঁৰ পুলিচে ৰংগাক গ্ৰেপ্তাৰ কৰিলে।

ঘৰলৈ উভতি আহোতে যাদৱে জীতেন্দ্ৰক সুধিল, "তুমি কেনেকৈ গম পালা যে ৰংগাই বীৰৰ গৰু চুৰ কৰিছে?"

জীতেন্দ্ৰই কলে, "যি ভুল কাম কৰে তেওঁ সদায়েই উচ্চ স্বৰত যুক্তি দিবলৈ চেষ্টা কৰে। সেয়া হ'ল মিছা কথা এটাক সঁচা বুলি প্ৰমাণ কৰাৰ অপচেষ্টা। আনহাতে বীৰে গহীন গম্ভীৰ ভাৱে কথা কৈ আছিল। সেয়া আছিল তেওঁৰ নিজৰ সততাৰ ওপৰত থকা আত্মবিশ্বাস। চিঞৰি চিঞৰি তৰ্ক কৰাটোৱেই ৰংগাৰ অপৰাধৰ ইংগিত দিয়ে।"

যাদৱে জীতেন্দ্ৰই বিশ্লেষণ শুনি প্ৰশংসা নকৰি নোৱাৰিলে। তেওঁ চিন্তা কৰিলে যে ধন আৰু প্ৰতিপত্তি মানুহৰ সক্ষমতাক চিনি পোৱাৰ একমাত্ৰ উপায় নহয়। তেওঁ বুজিব পাৰিলে শিৱতকৈ জীতেন্দ্ৰৰ জ্ঞান বহু ওপৰত।

যাদৱে লগে লগে সিদ্ধান্ত কৰি পেলালে আৰু জীতেন্দ্ৰক তেওঁৰ ব্যৱসায় চোৱা-চিতা কৰিবৰ বাবে মেনেজাৰ পদত নিযুক্তি দিলে।



উপযুক্ত শাস্তি

স্কুলৰ ঘন্টাটো বাজি উঠিল। শিক্ষক চন্দন সপ্তম শ্ৰেণীৰ কোঠাটোলৈ সোমাই গ'ল। তেওঁ উপস্থিতিৰ হিচাপ লোৱা আৰম্ভ কৰিলে। যেতিয়া অৰুণাৰ নাম মাতিলে, তেওঁ কোনো উত্তৰ নাপালে। তেওঁ বাকীসকল ছাত্ৰ-ছাত্ৰীক সুধিলে যে অৰুণা কিয় অনুপস্থিত, তেওঁলোকৰ কোনোবাই জানে নেকি। বিনীতাৰ বাহিৰে আন সকলোবোৰে নাজানে বুলি কলে।

বিনীতাই থিয় হৈ কলে, ''ছাৰ, মই জানো যে অৰুণা আজি কিয় স্কুললৈ নাহিল। অৰুণাই তেওঁলোকৰ চুবুৰীয়াৰ ঘৰৰ পৰা কিবা বস্তু চুৰ কৰিলে। তাই চুৰ কৰাৰ কথা অস্বীকাৰ কৰি থকাত তেওঁলোকে পুলিচৰ ওচৰত গোচৰ দিলে। এনে হোৱাত তাই বৰ লাজ পালে আৰু সেইবাবেই স্কুললৈ নাহিল।'' এইবুলি কৈ বিনীতা বহি পৰিল।

ঘটনা শুনি শ্ৰেণীৰ আনবিলাক শিশু আঁচৰিত হ'ল আৰু ভূন-ভূনাই কথা পাতিবলৈ ধৰিলে। অৰুণা পিছৰ দুদিনো স্কুললৈ নাহিল আৰু সেইবাবে সকলোৱে ধৰি ললে যে বিনীতাই কোৱা কথাবোৰ সঁচা।

তিনিদিনৰ পিছত যেতিয়া অৰুণা স্কুললৈ আহিল, তেতিয়া তাই এনেদৰে ব্যৱহাৰ কৰিলে যেন একো হোৱাই নাই। সকলো আঁচৰিত হ'ল। শিক্ষক চন্দনে তেওঁলোকৰ প্ৰথমটো শ্ৰেণী লয়। তেওঁ শ্ৰেণীত অৰুণাক দেখাৰ লগে লগে কলে, ''তুমি কি কৰিছিলা আমি সকলোৱে জানো। কিন্তু তুমি কিয় বিদ্যালয়ত যোৱা তিনিদিন অনুপস্থিত আছিলা সেই কথা শ্ৰেণীৰ শিক্ষকক কব নালাগে জানো?''

''আঁচলতে মই.....'' অৰুণাই কবলৈ চেষ্টা কৰিলে।

''বিনীতা, থিয় হোৱা।'' শিক্ষক চন্দনে বিনীতাক থিয় হবলৈ কৈ ছাত্ৰ-ছাত্ৰীসকলক

কে কে ৰঘুনন্দন

কলে, ‘‘বিনীতাই কোৱা বাবে আমি বিনীতাক জানো শাস্তি দিব নালাগে?’’ এইবুলি কৈ তেওঁ গোটেই শ্ৰেণীটোৰ ফালে চালে।

সকলো আঁচৰিত হ’ল আৰু সুধিলে, ‘‘ছাৰ, বিনীতাক কিয় শাস্তি দিব লাগে?’’

‘‘বিনীতাক এই বাবেই শাস্তি দিব লাগে যে তাই আমাক কৈছিল যে অৰুণাই বেয়া কাম কৰিছে।’’ শিক্ষক চন্দনে কলে।

কথা শুনি সকলো আৰু বেছি আঁচৰিত হ’ল। শিক্ষক চন্দনে কৈ গ’ল, ‘‘আঁচল কাৰণ হ’ল বিনীতাই অৰুণাক ঈৰ্ষা কৰে। তাই এদিন শ্ৰেণীত উপস্থিত নথকাত তাই অৰুণাৰ বদনাম হোৱাকৈ আমাক মিছা কথা কলে। আঁচলতে অৰুণাই যোৱা কেইদিন গোটেই চহৰ ঘূৰি ঘূৰি বানপানীত সৰ্বস্ব হেৰুওৱা লোকসকলৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰি আছিল। কিন্তু বিনীতাই কলে যে অৰুণাই চুবুৰীয়াৰ ঘৰৰ পৰা চুৰি কৰিলে আৰু সেইবাবে বিদ্যালয়লৈ অহা নাই। গতিকে অৰুণাৰ বদনাম কৰাৰ বাবে বিনীতাকহে শাস্তি দিব লাগে।’’

‘‘বিনীতা, যদি তুমি কাৰোবাৰ প্ৰতি ঈৰ্ষা অনুভৱ কৰা তেন্তে সেই ভাৱনাক নিয়ন্ত্ৰণ কৰিব লাগে। তুমি আনৰ বিষয়ে এনে কথা বিয়পাই দিব নালাগে।’’

শিক্ষকে কৈ গ’ল, ‘‘এইটো আমি সকলোৱেই জানো যে পৰীক্ষাত অৰুণাই বিনীতাতকৈ বেছি নম্বৰ লাভ কৰে আৰু সেইবাবেই বিনীতাই অৰুণাক ঈৰ্ষা কৰে। গতিকে তোমালোকেই কোৱা আমি বিনীতাক কি শাস্তি দিয়া উচিত হব?’’ শিক্ষকে শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীকে উদ্দ্যেশি সুধিলে।

এইবুলি সুধি তেওঁ ক্ষন্তেক ৰ’ল আৰু তাৰপিছত কলে, ‘‘বিনীতাই অৰুণাক ক্ষমা খোজা উচিত। তাৰপিছত পিছৰটো পৰীক্ষাত তাই ভালদৰে পঢ়া শুনা কৰি অৰুণাতকৈ অন্তত আধা নম্বৰ বেছিকৈ লাভ কৰা উচিত। যদি তাই সেয়া কৰিব নোৱাৰে, তেন্তে তেতিয়া আমি তাইক সঁচাকৈয়ে শাস্তি বিহিম।’’

এইকথা শুনি বিনীতাৰ কান্দোন ওলাই আহিল। তাই অৰুণাক ক্ষমা খুজিলে। শিক্ষকৰ দয়া দেখি সকলো ছাত্ৰ-ছাত্ৰীসকল বৰ সুখী হ’ল।



তিম্মৰসু

কৃষ্ণদেৱৰায়ৰ নাম নিশ্চয় সকলোৱেই শুনিছা। তেওঁৰ বাবেই বিজয় নগৰ সম্ৰাজ্যই এক বিশেষ সুনাম অৰ্জন কৰিছিল।

যেতিয়া তেওঁৰ পিতা সাম্ব নৰসিংহৰায়ে শাসন কৰি আছিল, তেওঁৰ প্ৰধান মন্ত্ৰী মৃত্যু মুখত পৰিছিল। নৰসিংহৰায়ে ঘোষণা কৰিলে যে কোনো লোকে যদি নিজকে বুদ্ধিমান বুলি প্ৰমাণ কৰিব পাৰে, তেন্তে তেওঁক প্ৰধান মন্ত্ৰী পতা হব।

বহুটো লোকে নিজৰ বুদ্ধিমত্তাৰ প্ৰমাণ দিবৰ বাবে আহিল। কিন্তু কাৰো বুদ্ধিমত্তাতেই নৰসিংহৰায় সন্তুষ্ট নহ'ল। তেওঁ কাকো পচন্দ নকৰিলে।

শেষত নৰসিংহৰায়ে এটা উপায় ভাৱি উলিয়ালে। তেওঁ এখন কাকতত চিয়াহীৰে চাৰি আঙুল দীঘল এক ৰেখা আকিলে আৰু সেই কাকত নিজৰ গোলামক দি কলে, "যিয়েই ইয়াক মচি নেপেলোৱাকৈ চুটি কৰি পেলাব পাৰে, তাক মোৰ ওচৰলৈ লৈ আহিবি।"

গোলামে সেই কাকত লৈ নানা ঠাইলৈ গ'ল। কাৰোবাক বুদ্ধিমান যেন লাগিলেই তেওঁ কাকত দেখুৱাই কয়, "আপুনি মচি নেপেলোৱাকৈ এই ৰেখাক চুটি কৰিব পাৰিবনে?"

কিছুমানে কলে, "এই কাম সম্ভৱ নেকি? তোমাৰ মূৰ ঠিকেই আছেতো। নমচাকৈ এই ৰেখাক কেনেকৈ চুটি কৰিব পৰা যায়?" আন কিছুমানে খং কৰি কলে, "তুমি মোৰ লগত ধেমালি কৰিছা নেকি?"

গোলামে নানা ঠাই ভ্ৰমি শেষত এখন ব্ৰাহ্মণৰ গাওঁ পালেগৈ। তেওঁ সেই গাঁৱতো

টি ৰাজাগোপাল ৰাও

বহু লোকক সুধিলে। শেষত, তাত এখন পাঠশালা দেখা পাই তালৈ গৈ দেখিলে যে এজন পণ্ডিতে শিশু কিছুমানক শিক্ষা দি আছে।



গোলামে সেই পণ্ডিতৰ ওচৰলৈ গৈ সুধিলে, ''মহাশয়, আপুনি এই কাগজত থকা ৰেখা ডালক নমচাকৈ চুটি কৰিব পাৰিব নেকি?'' পণ্ডিতে উত্তৰত কলে, ''মই কিয়, কোনেও এই কাম কৰিব নোৱাৰে। তুমি কোনো যাদুকৰক সুধি চোৱা।'' পণ্ডিতৰ কথা শুনি গোলামে তাৰ পৰা উভতি আহিল।

সেই শ্ৰেণীত এটা ষোল্ল বছৰীয়া ল'ৰাই শিক্ষা গ্ৰহণ কৰিছিল। তাৰ নাম আছিল তিম্মৰসু। সি পণ্ডিতক কলে, ''গুৰুদেৱ, তেওঁ যি কাম কৰাৰ কথা কৈছে, সেই কাম একো কঠিন নহয়। যদি এই ৰেখাৰ কাষত ততোকৈ দীঘল আন এডাল ৰেখা অংকন কৰা হয়, তেন্তে এই ৰেখাডাল আপুনা-আপুনি চুটি হৈ পৰিব।''

পণ্ডিতে সেই ছাত্ৰৰ কথা লগে লগে বুজিব পাৰিলে। তেওঁ গোলামক মাতি আনি কলে, ''কাগজখন মোক দিয়াচোন।'' তাৰপিছত পণ্ডিতে সেই চাৰি আঙুল দীঘল ৰেখাৰ কাষত তাতোকৈ দীঘল ৰেখা এডাল অংকন কৰি কলে, ''তোমাৰ ৰেখা এতিয়া চুটি হৈ পৰিল। ঠিক আছেনে?''

গোলাম বৰ আনন্দিত হ'ল। সি কলে, ''মোক মহাৰাজ সাল্ব নৰসিংহৰায়ে প্ৰেৰণ কৰিছে। তেখেতে এই কাকত মোক দি যিয়েই এই ৰেখা নমচাকৈ চুটি কৰি দিব পাৰিব তাকে লগত লৈ যাবলৈ কৈছে। বহু লোকক মই এই কাকত দেখুৱালো, কিন্তু কোনেও এই কাম কৰিবলৈ সমৰ্থ নহ'ল। মই ভাবিছিলো যে আপুনিও হয়তো এই কাম কৰিব নোৱাৰিব। কিন্তু আপুনি এই সমস্যা সমাধান কৰিলে। মই আপোনাৰ বাবে পাল্কী অনাম। ৰাজধানীলৈ যাবলৈ সাজু হৈ থাকক।'' এই বুলি কৈ গোলামে বিদায় লৈ গুচি গ'ল।

পণ্ডিত বৰ সুখী হ'ল। তেওঁ তিম্মৰসুক কলে, ''বাছা, সম্ভৱত ৰজাই কিবা উপহাৰ প্ৰদান কৰিব। আচলতে এই উপহাৰ তুমিহে পাব লাগিছিল, কিন্তু এইবাৰ পুৰস্কাৰ মোক গ্ৰহণ কৰিবলৈ দিয়া। ধৰি লোৱা যে এয়াই



পালে আৰু লগতে লৈ আহিছে, তেতিয়া ৰজা নৰসিংহৰায় বৰ সুখী হ'ল। কিন্তু সেই পণ্ডিত দেখাত একেবাৰে বুদ্ধিয়ক যেন নালাগিছিল। ৰজাৰ বিশ্বাস নহ'ল যে সেই পণ্ডিত ইমান বুদ্ধিয়ক হব পাৰে। গতিকে তেওঁ সেই পণ্ডিতৰ আন এটা পৰীক্ষা ললে।

দৰবাৰত এক বেদিকাত নানা ধৰণৰ কাকত-পত্ৰিকা থৈ দিয়া আছিল। সেই বেদিকাৰ চাৰিওফালে ডাঙৰ ডাঙৰ গাদী থৈ দিয়া আছিল। ৰজাই পৰীক্ষা কৰিবৰ মনেৰে পণ্ডিতক ৰাজসভালৈ মতাই আনিলে।

"পণ্ডিত প্ৰৱৰ, সম্ভৱ আপুনি নেজানে যে এই কাকতত অংকন কৰা ৰেখা চুটি কৰাৰ সমৰ্থবান লোক মই কিয় বিচাৰি ফুৰিছো। তাৰ আঁৰৰ কথা মই আপোনাক কও বাৰু। মোৰ প্ৰধানমন্ত্ৰী মৃত্যু মুখত পৰিল। গতিকে মোৰ এজন উপযুক্ত লোকৰ আৱশ্যক যি প্ৰধনমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি সুকলমে ৰাজ্য পৰিচালনা কৰাত সহায় কৰিব পাৰে। সেই বাবেই মই এই কামৰ দ্বাৰা এজন সমৰ্থবান লোকৰ সন্ধান কৰিছিলো।"

তাৰপিছত ৰজাই সেই বেদিকাৰ ফালে দেখুৱাই কলে, "আপোনাৰ পদৰ লগত সম্বন্ধিত কাকত-পত্ৰিকা সেই বেদিকাৰ ওপৰত থৈ দিয়া আছে। অনুগ্ৰহ কৰি লৈ আহকগৈ। কিন্তু এটা কথা মনত ৰাখিব যে আপুনি গাদীৰ ওপৰত ভৰি ৰাখিব নোৱাৰিব।"

পণ্ডিতে এই কথা চিন্তা কৰি আছিল যে

তোমাৰ গুৰু দক্ষিণা। তোমাৰ বয়স কম, বেছ বুদ্ধিমানো। ভৱিষ্যতে তুমি বহু উপহাৰ লাভ কৰিব পাৰিবা। এই কথা তুমি কিন্তু কাকো নকবা দেই।"

তিম্মৰসুৱে কলে, "আপুনি কিয় ইমান চিন্তা কৰিছে। আপুনিয়েই সেই ৰেখাক চুটি কৰিলে। মই কৰা নাই।"

ছাত্ৰৰ কথা শুনি পণ্ডিত বৰ সুখী হ'ল। তেওঁ গাঁৱৰ সকলোকে কলে যে তেওঁক ৰজাই সন্মানিত কৰিব।

গোলামে পাল্কী লৈ অহাৰ লগে লগে তাত বহি পণ্ডিত ৰাজধানী অভিমুখে ৰাওনা হ'ল।

যেতিয়া গোলামে ৰজাক গৈ কলেগৈ যে তেওঁ ৰেখাডাল চুটি কৰিব পৰা লোক বিচাৰি

তেওঁ বহু মূল্যৱান পুৰস্কাৰ লাভ কৰিব। যেতিয়া তেওঁ শুনিলে যে তেওঁক মন্ত্ৰী পদ দিয়া যাব, তেওঁ ভিতৰি ভিতৰি ঘামিবলৈ ধৰিলে। তেওঁ এইটোও নাজানিছিল যে গাদীৰ ওপৰত ভৰি নৰখাকৈ কেনেকৈ সেই বেদিকাৰ ওপৰত থকা কাকত-পত্ৰিকা আনিব পৰা যাব। ৰাজসভাত সকলোৰে আগত অপমান পোৱাৰ ভয়ত একো মাত-বোল নকৰি মনে মনে ৰৈ থাকিল।

ৰজা নৰসিংহৰ সন্দেহ সঁচা হ'ল। তেওঁ পণ্ডিতক কলে, "পণ্ডিত মহাশয়, আপুনি মই কোৱা ধৰণে সেই কাকত-পত্ৰিকা আনিব নোৱাৰে নেকি? সঁচা কথা কওক যে সেই ৰেখা চুটি কৰাৰ সমস্যা আপুনি নিজে সমাধান কৰিলেনে, আন কোনোবাই কৰি দিলে?"

লগে লগে পণ্ডিতে ৰজাৰ ভৰিত পৰি কলে, "মহাৰাজ, মোৰ ক্ষমা কৰি দিয়ক। লোভত পৰি মই এই অনুচিত কাম কৰিলো। মোৰ ছাত্ৰ তিম্মৰসুৱেহে এই সমস্যা সমাধান কৰিছিল।" এইবুলি পণ্ডিতে সঁচা কৰা স্বীকাৰ কৰিলে।

লগে লগে ৰজাই সেই গাঁৱলৈ এখন পাল্কী প্ৰেৰণ কৰিলে আৰু তিম্মৰসুক মতাই আনিলে। ৰজাই তেওঁক কলে, "সেই কাকতত অংকিত ৰেখাক চুটি কৰাৰ উপায় তুমি ভাৱি উলিয়াইছিলা নেকি?"

তিম্মৰসুৱে ৰজাৰ কথাত হয়ভৰ দিয়াত ৰজাই পুণৰ কলে, "মই তোমাক মন্ত্ৰী পদত নিযুক্তি দিছো। যোৱা, সেই বেদিকাত থকা কাকত-পত্ৰিকা লৈ আহা। কিন্তু মনত ৰাখিবা, তুমি সেই গাদীৰ ওপৰত ভৰি ৰাখিব নোৱাৰিবা।"

তিম্মৰসুৱে সেই গাদীৰ ওপৰেদি বগুৱা বাই বেদিকাৰ ওচৰলৈ গৈ কাকত-পত্ৰিকা লৈ আহিল। তিম্মৰসুৰ বুদ্ধিমত্তা দেখি ৰজা নৰসিংহৰায় বৰ সুখী হ'ল আৰু তেওঁক মন্ত্ৰীপদত নিযুক্তি দিলে।

মানৱীয় দায়বদ্ধতা

জয় আৰু বিজয় সৰুৰে পৰা বন্ধু আছিল। তেওঁলোক দুয়োয়ে জমিদাৰৰ কাৰ্যালয়ত চাকৰি কৰিছিল। দুয়ো প্ৰায় একেবয়সৰে আছিল বাবে একেটা বছৰতে দুয়োৰে বিবাহ হ'ল। এতিয়া দুয়োৰে সন্তানো প্ৰায় একেবয়সৰ আৰু সহপাঠী বন্ধু।

এদিনাখন বিজয় কামৰ পৰা ঘৰলৈ উভতি গৈ দেখিলে যে তেওঁৰ পুত্ৰ সোমদেৱে কিবা এটা বস্তু লাগে লাগে বুলি মাকক কুটুৰি আছে। তেওঁ সোধা-পোচা কৰি গম পালে যে সি মাকক অলপমান পইছা বিচাৰি আছে যাতে পিছদিনা সি শ্ৰেণীৰ সকলো সহপাঠীক মিঠাই কিনি খুৱাব পাৰে। কিয়নো পিছদিনাখন তাৰ জন্মদিন আছিল।

''চোৱা সোম, আমি ধুম-ধামেৰে জন্মদিন পাতিবৰ বাবে লাখপতি বা কোটিপতি নহয়। তুমি কালিলৈ যি খাবলৈ মন যায় তাকে ৰান্ধি মাৰাক দিবলৈ কোৱা। সেয়া খালেই যথেষ্ট হব। মিছাতে পইছা খৰচ কৰি শ্ৰেণীৰ সকলো সহপাঠীক কিয় মিঠাই খুৱাব লাগে?'' বিজয়ে পুতেকক কলে।

সোমে উত্তৰ দিলে, ''সেইদিনা আপোনাৰ বন্ধুৰ ল'ৰা শংকৰে তাৰ জন্মদিনত শ্ৰেণীৰ সকলো ছাত্ৰৰ মাজত মিঠাই বিলাই দিছিল। সিঁহত কি বৰ ধনী নেকি?''

বিজয়ে বুজিলে যে পুতেকৰ লগত তৰ্ক কৰি থাকি লাভ নাই। তেওঁ পুতেকক টোপ দি কলে, ''সকলোৰে বাবে মিঠাই কিনি পইছা নষ্ট কৰাতকৈ সেই পইছাৰে মই তুমি ভাল পোৱা পুতলা এটা কিনি আনিম। তেতিয়া আনক মিঠাই খুওৱাতকৈ তোমাৰ বেছি লাভ হব। তুমি এই কথাত ৰাজী আছানে?''

সোম সেইকথাত মান্তি হ'ল। পিছদিনাই

বি ভি পাটনায়ক

সি দেউতাকৰ লগত বজাৰলৈ গৈ এটা পুতলা কিনি আনিলে।

দিন বাগৰি যোৱাৰ লগে লগে সোমে দেউতাকক কৈ থাকিল যে শংকৰে তেওঁৰ সহপাঠীসকলক সহায় কৰে আৰু সিও তেনে কৰিব খোজে। সি তেনেধৰণৰ কাম কৰিবৰ বাবে মাজে সময়ে দেউতাকৰ পৰা পইছা বিচাৰিবলৈ ধৰিলে।

বিজয়ে পুতেক সোমক বুজাবলৈ চেষ্টা কৰিলে। মাজে সময়ে ইটো সিটো উপহাৰ দি তাৰ মন ঘূৰাবলৈ চেষ্টা কৰিলে।

এবাৰ আনকি বিজয়ে জয়ক কলে যে তেওঁৰ পুত্ৰ শংকৰৰ ব্যৱহাৰে কেনেকৈ সোমৰ স্বভাৱত প্ৰভাৱ পেলাইছে।

"জয়, তোমাৰ পুত্ৰই আন সহপাঠীসকলক হকে-বিহকে টকা-পইচা আৰু বয়-বস্তু দি সহায় কৰিছে। এনে হলে অতি সোনকালেই তোমাৰ অৱস্থা লাওলোৱা হব।"

বিজয়ৰ কথাত জয়ে কলে, "আচলতে ময়েই মোৰ পুত্ৰক শিকাইছো যে সামৰ্থ অনুযায়ী সদায় আনক সহায় কৰা উচিত। স্বাৰ্থপৰ হবলৈ শিকোৱাটো কেৱল অনুচিতেই নহয়, অন্যায়ো। মই মোৰ পুত্ৰক তেনে শিক্ষা কেতিয়াও দিব নোৱাৰো। আনক সহায় কৰাটো তুমি ভুল বুলি কব বিচাৰা নেকি? মানুহ হিচাপে আনক সামৰ্থ অনুযায়ী সহায় কৰাটো আমাৰ মানৱীয় দায়বদ্ধতাৰ ভিতৰত পৰে।"

বিজয়ে তেওঁ বন্ধুৰ এনে মনোবৃত্তি বৰ ভাল নাপালে। তেওঁ উত্তৰত একো নকলে। তেওঁৰ মনত বন্ধুৰ প্ৰতি এক বেয়া পোৱা ভাৱ আৰম্ভ হ'ল। লাহে লাহে তেওঁ জয়ৰ



লগত কথা-বতৰা পতাও কমাই দিলে। তেওঁ পুতেক সোমক শংকৰৰ লগত নাথাকিবলৈ উপদেশ দিবলৈ ধৰিলে।

দুয়োৰে পুত্ৰ ডাঙৰ হৈ আহিল। শংকৰে পঢ়া-শুনা সমাপ্ত কৰি দূৰণিত চাকৰি কৰিবলৈ গ'ল। জয়ো পুতেকৰ লগত বাস কৰিবৰ বাবে গাওঁ এৰি গুচি গ'ল।

কিছুবছৰ পাৰ হৈ গ'ল। শংকৰৰ ইতিমধ্যেই এটা অভ্যাস গঢ় লৈ উঠিছিল। তেওঁ দৰমহাৰ পৰা আনক সহায় কৰিবৰ বাবে কিছু টকা নিলগাই থৈ দিছিল। তেওঁ জানিব পাৰিলে যে তেওঁলোকৰ পুৰণা গাৱঁত এখন বৃদ্ধাশ্ৰম আছে। তেওঁ সেই গৃহৰ বাবে কিছু টকা দান কৰিব বিচাৰি সেইবিষয়ে দেউতাকৰ লগত আলোচনা কৰিলে।

পুতেকৰ কথা শুনি জয় বৰ সুখী হ'ল।



তেওঁ পুতেকক কলে, ‘‘তুমি নিজে ডাঙৰ হোৱা ঠাইৰ ভাল হোৱাকৈ কিবা এটা কৰাটো নিজৰ মাতৃৰ প্ৰতি কৃতজ্ঞ হোৱাৰ সমান। এয়া এক মহান কাম। তুমি এনে মহান কাম কৰি মানসিক সুখ লাভ কৰিব পাৰিবা।’’

কথামতেই কাম। অলপদিনৰ ভিতৰতে জয় আৰু তেওঁৰ পুত্ৰ শংকৰ সেই পুৰণা গাৱঁলৈ গ’ল আৰু বৃদ্ধাশ্ৰম পালেগৈ। তেওঁলোকে দেখা পালে যে সেই আশ্ৰম অতি সুন্দৰকৈ তদাৰক কৰা হৈছে। সন্মুখত এখন ডাঙৰ ফুলৰ বাগিছা, দুয়োকাষে দুখন ডাঙৰ ফল-মূলৰ বাৰীৰে বিশাল চৌহদ সুন্দৰকৈ সজাই তোলা হৈছে। সেই আশ্ৰমত বাস কৰা কিছু বৃদ্ধ লোকে সেই বাগিছা আৰু ফলমূলৰ বাৰীত নানাধৰণৰ কাম-বন কৰি আছে।

জয়ে এবাৰ বাগিছালৈ গৈ তাৰ ৰেহ-ৰূপ চাব বিচাৰিলে। তেওঁ শংকৰক গৈ পৰিচালকক লগ ধৰিবলৈ কৈ নিজে বাগিছালৈ সোমাই গ’ল। বাৰীৰ ভিতৰত তেওঁ এজন লোকে ফুল গছৰ গুৰিত পানী দি থকা দেখিলে। একেসময়তে তেওঁ ফুলেৰে ভৰি থকা গছজোপাৰ পৰা ফুল চিঙি এটা কুঁকিত থৈ গৈছিল।

বৃদ্ধ বয়সতো ফুল পুলিৰ ইমান যত্ন লৈ বাগিছা সুন্দৰ কৰি থোৱাৰ বাবে জয়ৰ মন সেই বৃদ্ধৰ প্ৰতি প্ৰশংসাৰে ভৰি পৰিল। ওচৰ চাপি গৈ তেওঁ কলে, ‘‘মহাশয়, আপুনি এই বাগিছাখন নিজৰ সন্তানৰ দৰে যত্ন লৈ ইমান সুন্দৰ কৰি ৰাখিছে। নহলে এনে কাম সম্ভৱপৰ নহয়। আপোনাৰ এই কাৰ্যই সমগ্ৰ মানৱ জাতিকে সহায় কৰিছে। মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰো যে আপুনি সুন্দৰ স্বাস্থ্যৰ অধিকাৰী হৈ দীৰ্ঘজীৱন লাভ কৰক।’’ সেই বৃদ্ধৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি জয়ে কলে।

জয়ৰ কথা শুনি সেই বৃদ্ধই মূৰ ডাঙি চালে। জয়ৰ মাত তেওঁৰ চিনাকি যেন লাগিল। মূৰ ডাঙি চায়েই সেই বৃদ্ধ অতি আঁচৰিত হৈ পৰিল।

জয়েও লগে লগে সেই বৃদ্ধক চিনি পালে। সেয়া আছিল তেওঁৰ পুৰণা বন্ধু বিজয়। দুয়ো দুয়োকে দেখা পাই আনন্দত অধীৰ হ’ল আৰু এজনে আনজনক আকোৱালি ললে। দুয়ো দুয়োৰে খবৰ-খাতি লোৱাৰ পিছত এজোপা গছৰ তলত গৈ বহি কথা পাতিবলৈ ধৰিলে। ‘‘তুমি কিবা কামত ইয়ালৈ আহিছা নেকি?’’ বিজয়ে জয়ক সুধিলে। বিজয়েও তেওঁ কিয় তালৈ আহিছে সেইবিষয়ে ভাঙি পাতি কলে। সেইকথা শুনাৰ পিছত বিজয়ে কলে,

‘‘পৰিচালকে এজন মহান দাতাৰ বাবে মোক এডাল ফুলৰ মালা তৈয়াৰ কৰিবলৈ কৈছে। তেওঁ আজি আমাৰ এই বৃদ্ধাশ্ৰমলৈ অহাৰ কথা। এতিয়াহে মই বুজিব পাৰিছো যে সেইজন মহান দাতা কোন? মই আনন্দিত যে মই ইমান প্ৰতিপালন কৰি কৰা এই বাগিছাৰ ফুলৰ মালাই এজন যোগ্য লোকৰ ডিঙিত ঠাই পাব।’’

‘‘এয়া মোৰ মহানতা নহয়, এয়া ভগৱানৰ ইচ্ছা। মই কেৱল নিমিত্তহে। বৃদ্ধ বয়সত সময় পাৰ কৰিবৰ বাবে তুমি যি কামত হাত দিছা সেয়া মই অতি ভাল পাইছো। এফালৰ পৰা তুমি বৃদ্ধসকলৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰিছা।’’ জয়ে কলে।

‘‘তোমাৰ কথাৰ বাবেই মই আজি এই মহান কামত ভাগ লোৱাৰ সুবিধা পাইছো। তুমি মোক এবাৰ কৈছিলা যে সামৰ্থ অনুযায়ী আনক সহায় কৰাটো আমাৰ সকলোৰে মানৱীয় দায়বদ্ধতা। সেই কথা মানি চলিয়েই মই আনক সহায় কৰিবলৈ চেষ্টা কৰি সময় পাৰ কৰিছো।’’ আবেগেৰে বিজয়ে কলে।

‘‘তোমাৰ পৰিয়াল ক’ত?’’ জয়ে বিজয়ৰ পৰা জানিব বিচাৰিলে।

‘‘মোৰ পুত্ৰ, যাক মই স্বাৰ্থপৰ হবলৈ শিক্ষা দিছিলো, সি মোৰ শিক্ষা ভালদৰেই গ্ৰহণ কৰিলে আৰু বৃদ্ধ বয়সত আমাক পৰিত্যাগ কৰিলে। এই কথা বুজি পাৰলৈ মোৰ বহু সময় লাগিল যে পিতৃ-মাতৃৰ ভুল সিদ্ধান্ত আৰু ভুল শিক্ষাৰ বাবে সন্তানৰ স্বভাৱ নষ্টহৈ পৰিব পাৰে। সিঁহত অমানুহ হৈ উঠিব পাৰে। তুমি পুত্ৰক আনক সহায় কৰাৰ শিক্ষা প্ৰদান কৰিছিলা। এটা সন্মানজনক জীৱন যাপন কৰাত সিয়ে তোমাক সহায় কৰিছে। তুমি পুত্ৰক এনে শিক্ষা প্ৰদান কৰাৰ বাবে আজি মোৰ দৰে বহু বৃদ্ধলোক সুখেৰে থাকিব পাৰিছে।’’ বিজয়ৰ চকুৰ পৰা চকুপানী ওলাই আহিল।

‘‘মানুহৰ সমস্যা সদায় নাথাকে। আহা, তুমি ইয়াত থকাতকৈ আমাৰ লগত থাকিব পাৰিবা।’’ জয়ে কলে।

‘‘নহয়, মই ইয়াতে থাকি মোৰ মানবীয় দায়বদ্ধতা পূৰণ কৰিবলৈ চেষ্টা কৰিম। সম্ভৱ হলে মাজে মাজে আহিবা। দুই এষাৰ সুখ-দুখৰ কথা পাতিব পাৰিম।’’ বিজয়ে কলে।

ভাল প্ৰশাসনৰ গোপন ৰহস্য

অৱন্তী ৰাজ্যৰ প্ৰশাসন মুখ্যমন্ত্ৰী মনিষ সিঙে ভালদৰেই চলাই আছিল। তেওঁ প্ৰজাৰ নিৰাপত্তা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত বিশেষভাৱে চকু দিছিল। তাৰোপৰি তেওঁ বহু শৈক্ষিক প্ৰতিষ্ঠান আৰু প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি তাত যোগ্য শিক্ষকক নিযুক্তি দিছিল, যাতে তাৰ শিক্ষাৰে শিক্ষিত হৈ ৰাজ্যৰ বুজন সংখ্যক ছাত্ৰ ভাল প্ৰশাসক হৈ উঠিব পাৰে।

এবছৰ আনন্দ আৰু গোবিন্দ নামৰ দুজন ছাত্ৰই তেনে এটা নামজ্বলা প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ হৈ আহিল। সকলো ধৰণৰ পৰীক্ষাতে সিঁহত প্ৰথম হ'ল। সেই প্ৰতিষ্ঠানৰ মুৰব্বী পৰামৰ্শ অনুসৰি দুয়োকে দুখন চহৰত মুখ্য চৰকাৰী বিষয়া পদত নিযুক্তি প্ৰদান কৰা হ'ল।

অলপ দিনৰ পিছত প্ৰতিষ্ঠনৰ মুৰব্বী নাৰায়ণচাৰ্যই তেওঁৰ ছাত্ৰৰ প্ৰশাসন পৰীক্ষা কৰি চাব খুজিলে আৰু প্ৰয়োজনত পৰামৰ্শ আগবঢ়াব খুজি প্ৰথমতে আনন্দ থকা চহৰখনলৈ ৰাওনা হ'ল।

আনন্দই তেওঁৰ নাৰায়ণচাৰ্য দেখা পাই সম্ভাষণ জনালে। তেওঁ প্ৰয়োজনীয় সকলো যতনাই দিয়াত নাৰায়ণচাৰ্যই মুখ-হাত ধুলে আৰু তাৰপিছত দুয়ো আনন্দৰ কাৰ্যালয়লৈ ৰাওনা হ'ল। নাৰায়ণচাৰ্যই আনন্দৰ কাৰ্যালয়ৰ কৰ্মীসকল আৰু তেওঁলোকৰ কাম-কাজ লক্ষ্য কৰিলে। তেওঁ দেখিলে যে আনন্দক যথেষ্ট অৱসাদৰ মাজত থকা যেন লাগে। লগতে তেওঁ ইয়াকো লক্ষ্য কৰিলে যে আনন্দই কৰ্মীসকলৰ লগত অস্থিৰ ব্যৱহাৰ কৰে আৰু কোনো সিদ্ধান্তলৈ আহিবলৈ বেছ সময় লয় আৰু সংকোচ কৰে।

তেওঁ আনন্দক সুধিলে, "আনন্দ, চাকৰি কৰি তোমাৰ কেনে লাগিছে?" আনন্দই উত্তৰ দিলে, "মহাশয়, মোৰ কৰ্মীসকলৰ অদক্ষতাৰ বাবে কামত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে আৰু

চি ইউ কে এল ছাই প্ৰশান্তি

ময়ো তাৰ বাবে আত্মবিশ্বাস হেৰুৱাই পেলাইছো।''

''বাৰু। আমি এবাৰ গোবিন্দৰ কাৰ্যালয়লৈ যাও আহা।'' নাৰায়ণচাৰ্যই আনন্দক লগত যাবৰ বাবে আমন্ত্ৰণ কৰিলে।

গোবিন্দই তেওঁৰ শিক্ষক আৰু সহপাঠীক দেখা পাই বৰ সুখী হ'ল। তেওঁ দুয়োকে স্বাগতম জনালে। গোবিন্দৰ কাৰ্যালয়ৰ সকলো কৰ্মচাৰীকে সতেজ আৰু উদ্যমী দেখা গ'ল। নাৰায়ণচাৰ্য আৰু আনন্দ দুয়ো দেখিলে যে গোবিন্দই সকলো কৰ্মচাৰী আৰু কাৰ্যালয়লৈ অহা লোকসকলকৰ লগত হাঁহি মুখেৰে কথা পাতিছে। তাৰোপৰি গোবিন্দক একেবাৰে ভাগৰুৱা দেখা নগ'ল। নাৰায়ণচাৰ্যই তেওঁৰ প্ৰশাসন পদ্ধতি ভালদৰে লক্ষ্য কৰিলে।

উভতি আহোতে আনন্দই নাৰাণচাৰ্যৰ মতামত আৰু পৰামৰ্শ বিচৰাত তেওঁ কলে, ''আনন্দ, তুমি আৰু গোবিন্দ দুয়ো সমানে মেধাবী আৰু প্ৰতিভাৱান। কিন্তু যেতিয়া তুমি উচ্চ পদত কাম কৰি থাকা, তেতিয়া তোমাৰ তলৰ কৰ্মীসকলক ভালদৰে বাছনি কৰিব লাগিব। তুমি প্ৰতিটো কামৰ বাবে সঠিক লোকক বাছনি কৰি নিযুক্তি প্ৰদান কৰিব লাগিব। যদি কোনো কৰ্মচাৰীৰ কোনো সমস্যা হোৱা যেন বোধ হয়, সেয়া তেওঁৰ লগত আলোচনা কৰি সমাধান কৰিবলৈ চেষ্টা কৰিব লাগিব। একেষাৰতে কবলৈ গলে, তোমাৰ কৰ্মচাৰীয়ে তোমাৰ প্ৰতি যি সম্মান প্ৰদৰ্শন কৰে সেয়া তোমাৰ প্ৰতি থকা তেওঁলোকৰ ভয়ৰ পৰা সৃষ্টি হোৱা। আনহাতে, গোবিন্দই সকলোৰে পৰা সৰ্বাধিক কাম আদায় কৰি লবলৈ এইবাবেই সক্ষম হৈছে যে তেওঁ সকলোকে প্ৰয়োজনীয় স্বাধীনতা প্ৰদান কৰিছে। তেওঁলোকে গোবিন্দক কৰা সন্মানৰ আধাৰ হ'ল গোবিন্দৰ প্ৰতি থকা তেওঁলোকৰ ভাল পোৱা। কৰ্মচাৰীৰ সুখ-সুবিধাৰ প্ৰতি লক্ষ্য ৰখা মূৰব্বীক কৰ্মচাৰীয়ে সহযোগিতা আগবঢ়াবই। এয়াই হ'ল ভাল প্ৰশাসনৰ গোপন ৰহস্য। মই ভাৱো যে এতিয়া তুমি নিজৰ সমস্যা নিজেই সমাধান কৰিব পাৰিবা।''

নাৰায়ণচাৰ্যৰ কথাত আনন্দ বৰ সুখী হ'ল আৰু এনে মূল্যৱান পৰামৰ্শৰ বাবে ধন্যবাদ জনালে।



মই কিয় চিন্তা কৰিব লাগে?

শ্যাম ৰাও তেওঁৰ পত্নীৰ বিবাহ বহুদিনৰ আগতেই হৈছিল যদিও তেওঁৰ পত্নীয়ে সৰু সৰু কথাতে কাজিয়া কৰিবলৈ এৰা নাছিল। শ্যাম ৰাৱে পত্নীৰ গালি-গালাজলৈ মন কান নিদি মনে মনে নিজৰ কাম কৰি গৈছিল।

এবাৰ তেওঁ লোকৰ বিবাহ বাৰ্ষিকী আহিল। যেতিয়া পত্নী বিমলাই এই কথা শ্যামৰাওক সোঁৱৰাই দিলে, তেতিয়া তেওঁ পত্নীক ৰাতিৰ আহাৰৰ লগত খাবৰ বাবে কিবা মিঠাই তৈয়াৰ কৰিবলৈ কলে। লগে লগে বিমলাৰ খং উঠি আহিল। লগত কিমান যৌতুক আনিছিল, তেওঁলোকৰ বিয়াত দেউতাকে কিমান খৰচ কৰিবলগীয়া হৈছিল আদি কথা কৈ কৈ তাই শ্যামৰাওক বকিবলৈ আৰম্ভ কৰিলে। বকনি শুনি শুনি এটা সময়ত শ্যাম ৰাৱে ধৈৰ্য হেৰুৱাই পেলালে আৰু তেৰো তাইক বকিবলৈ ধৰিলে। বহু সময়ৰ পিছত কিবা প্ৰকাৰে কাজিয়াৰ শাম কাটিল আৰু দুয়ো একো নোখোৱা-নোবোৱাকৈ শুই পৰিল।

সেইৰাতি, কিবা এটা আচৰিত শব্দত বিমলা সাৰ পাই উঠিল। তেওঁ অনুমান কৰিলে যে ঘৰত নিশ্চয় চোৰ সোমাইছে। তাই চিন্তিত হৈ উঠিল। তাই শ্যাম ৰাওক জগাবলৈ চেষ্টা কৰিলে। শ্যাম ৰাৱে সাৰ পাই কি হ'ল সোধাত তাই কলে যে সম্ভৱ ঘৰত চোৰ সোমাইছে। ''মই কিয় চিন্তা কৰিব লাগে। এই ঘৰত থকা সকলো বস্তু তোমাৰহে।'' এইবুলি তেওঁ আনফালে মুখ কৰি পুণৰ শুই থাকিল।

– *মহাবীৰ নানা*



শিথিলালয় – ২৮

(শিখিমুখী আৰু তেওঁৰ দলে এটা সৰু চৰত শিৱিৰ পাতিলে। শিথিলালয়ৰ পুজাৰীৰ এক সেৱকে ৰাতি তেওঁলোকৰ নাও ডুবাবৰ বাবে চেষ্টা কৰিলে আৰু নাগসোমৰ হাতত শেলবিদ্ধ হৈ মৃত্যুবৰণ কৰিলে। তাৰপিছত চাৰি দিন যাত্ৰা কৰাৰ পিছত তেওঁলোক বৃশ্চিকৰ দ্বীপ পালেগৈ। সেই দ্বীপতে শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে এক প্ৰাচীন মন্দিৰৰ ধ্বংসাৱশেষ দেখিবলৈ পালে। তাৰপিছত...)

টিলাৰ ওপৰৰ পৰা শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে পাহাৰৰ ঢালত যি প্ৰাচীন মন্দিৰৰ ধ্বংসাৱশেষ দেখা পালে, দুয়ো সেই দিশত আগুৱাই গ'ল। বৃশ্চিকৰ দ্বীপত উপস্থিত হোৱালৈকে তেওঁলোকে বহু কষ্ট ভোগ কৰিবলগীয়া হৈছিল। তেওঁলোকে এই কথা সপোনতো ভৱা নাছিল যে বৃশ্চিকৰ দ্বীপত উপস্থিত হোৱাৰ পিছত ইমান সহজতে শিথিলালয়ৰ ঠিকনা গম পোৱা যাব। সহজেই শিথিলালয়ৰ ঠিকনা গম পাই তেওঁলোক বেছ আনন্দিত হ'ল।

সূৰ্য ডুবো ডুবো হৈছিল। লাহে লাহে চাৰিওফালে আন্ধাৰে আৱৰি ধৰিবলৈ আৰম্ভ কৰিছিল। ঠিক তেনেসময়ত দুয়োজন গৈ মন্দিৰত উপস্থিত হ'লগৈ। কিন্তু মন্দিৰত উপস্থিত হৈ দুয়ো বৰ নিৰাশ হ'ল। এয়া সঁচা যে মন্দিৰ অতি পুৰণি আছিল। কিন্তু মহাৰাজ বিক্ৰমকেশৰীয়ে ভৱাৰ দৰে সেই মন্দিৰ অপূৰ্ব কাৰুকাৰ্য আৰু মূল্যৱান ধাতুৰে পৰিপূৰ্ণ নাছিল। সমগ্ৰ মন্দিৰ কেৱল শিলেৰে নিৰ্মিত আছিল। গৰ্ভগৃহত থকা কালীদেৱীৰ মূৰ্তি

দাসৰি সুব্ৰমন্যাম



এটা ফালে হাওলি আছিল। দেৱালত থকা বহু মূৰ্তি ভাঙি তলত পৰি আছিল। তেওঁলোকে অনুমান কৰিলে যে হয়তো কোনো বৃহৎ ভূমিকম্পৰ বাবে মন্দিৰৰ এনে অৱস্থা হ'ল। ভাৱ হ'ল যে শিথিলালয় সম্বন্ধে তেওঁলোকৰ মনত যিধৰণৰ কল্পনা আছিল, এই মন্দিৰ কোনোদিশৰ পৰাই তেনেকুৱা নহয়।

‘‘বিক্ৰম, মোৰ এনে অনুমান হৈছে যে আমি যি শিথিলালয়ৰ সন্ধানত আহিছো, এইটো সেয়া নহয়। তোমাৰ ককাদেউতা মহাৰাজ বিক্ৰমকেশৰীয়ে যি মন্দিৰৰ সম্বন্ধে শুনা পাইছিল আৰু ইম্যুজাতিৰ লোকসকলে যি মন্দিৰৰ বিষয়ে বৰ্ণনা কৰিছিল, তাৰ তুলনাত এই মন্দিৰত একোৱেই নাই। আমি এই কথাও শুনিছিলো যে সেই মন্দিৰৰ সোণ–ৰূপৰ জিকমিকনিয়ে দৰ্শকৰ চকু চাট মাৰি ধৰে। কিন্তু সেইবিলাকৰ একো এটা বস্তুৱেই ইয়াত দেখিবলৈ পোৱা নাই।’’ শিখিমুখীয়ে কলে।

বিক্ৰমকেশৰীয়ে শিখিমুখীৰ কথাত শলাগি মূৰ দুপিয়ালে। সেইসময়তে মূৰ্তিৰ পিছফালৰ পৰা এটা বৃশ্চিক ওলাই দেৱালত বগাবলৈ ধৰিলে। সেই বৃশ্চিক সাধাৰণ বৃশ্চিকতকৈ প্ৰায় দহ–বাৰ গুণ মান ডাঙৰ আছিল। বিক্ৰমে সেই বৃশ্চিকক মাৰিবলৈ তৰোৱাল উলিয়াওতেই মূৰ্তিৰ পিছফালৰ পৰা আৰু দুটা বৃশ্চিক ওলাই আহিল আৰু দেৱালত বগাবলৈ ধৰিলে।

শিখিমুখীয়ে বিক্ৰমক বাধা দি কলে, ‘‘বিক্ৰম, এই বৃশ্চিকবিলাকক মাৰিবলৈ চেষ্টা নকৰিবা। এই দ্বীপৰ নামেই বৃশ্চিকৰ দ্বীপ। কিমান বৃশ্চিক মাৰিবা তুমি! বৃশ্চিক মাৰি থাকিলে আন কামবিলাক কৰিবলৈ সময়েই নাপাবা। আমি এইবিলাকক উপেক্ষা কৰি নিজৰ কামত মন দিয়াই ভাল হব। ব'লা, আমি ইয়াৰ পৰা আতৰি যাও।’’

‘‘তুমি শুদ্ধ কথাই কৈছা। মোৰ ভাৱ হৈছে যে আমি এই বৃশ্চিকৰ পৰা আঁতৰি থকাই উচিত হব। এইটো ঠিক যে আমি যি শিথিলালয়ৰ কথা ভাৱি আহিছিলো, সেই শিথিলালয় এইটো নহয়। এতিয়া আমি কি কৰা ভাল হব বুলি তুমি ভাৱা?’’ বিক্ৰমে শিখিক সুধিলে।

ইতিমধ্যেই গৈ শিথিলালয়ত উপস্থিত হৈছেগৈ।’’

তাৰপিছত দুয়ো নাৱৰ কাষলৈ আহিল। তাত থকা বাকী লোকসকলক সকলো কথা বিৱৰি কলে। সেই কথা শুনি নাগসোমে কলে যে শিথিলালয় এই দ্বীপৰ যিকোনো ঠাইত থাকিব পাৰে। এটা সময়ত এই দ্বীপত হেজাৰ হেজাৰ ইম্যুলোকে বাস কৰিছিল। কিন্তু আজি সেইসকলৰ কোনো প্ৰজন্ম জীয়াই আছেনে নাই সেইবিষয়ে তেওঁ নিশ্চিত নহয়।

ৰাতিৰ আহাৰ তৈয়াৰ কৰি খোৱাৰ পিছত সকলো শুবৰ বাবে সাজু হ’ল। জোনাকৰ পোহৰত চাৰিওফালৰ পাহাৰ আৰু তাৰ বিশাল গছবিলাক জিলিকি আছিল। জংঘলাক নাৱৰ পহৰা দিয়াৰ দায়িত্ব অৰ্পণ কৰি সকলো শুই পৰিল।

শিখিমুখী সোনকালেই গভীৰ নিদ্ৰাত ঢলি পৰিল। হঠাৎ এটা শব্দ শুনি সাৰ পাই উঠিল। দেখিলে জংঘলাই লেঙেৰাই লেঙেৰাই তেওঁৰ ফালে আহিব ধৰিছে। ক্ষন্তেকৰ বাবে তেওঁৰ ভাৱ হ’ল জংঘলাই পুণৰ তেওঁলোকৰ লগত চতুৰামি কৰিব খুজিছে। তেওঁ লগে লগে হাতত তৰোৱাল লৈ থিয় হল।

শিখিমুখীয়ে তৰোৱাল লৈ থিয় হোৱা দেখি জংঘলা আচৰিত হ’ল। তাৰপিছত সি নিজকে চম্ভালি লৈ কলে, ‘‘শিখি চাহাব, আপুনি ভাবিছে ছাগে মই আপোনাক

শিখিমুখীয়ে ভাৰি ভাৰি মন্দিৰৰ পৰা বাহিৰলৈ ওলাই আহিল। তাৰপিছত চাৰিওফালে থকা পাহাৰৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি কলে, ‘‘আমি প্ৰকৃত শিথিলালয় বিচাৰি উলিয়াবৰ বাবে এই টিলাবিলাকৰ কোনোবা এটাৰ ওপৰত উঠি চাব লাগিব। লগতে আমি সাৱধান হৈ থাকিব লাগিব। নহলে দুষ্ট পুজাৰীৰ ফান্দত বন্দী হবলগীয়া হব।’’

‘‘শিখি, মোৰ ভাৱ হৈছে যে পুজাৰী হয়তো আমাতকৈ আগতেই আহি এই দ্বীপত উপস্থিত হৈছেহি। কালিলৈ সূৰ্যোদয়ৰ পিছত আমি এই দ্বীপত শিথিলালয়ৰ সন্ধান কৰিম। যদি ক’ৰবাত পুজাৰীৰ মুখামুখি হওঁ, তেন্তে তাক বধ কৰিম। মই নাভাৱো যে পুজাৰী

আক্ৰমণ কৰিবলৈ আহিছো। আপুনি এতিয়াও মোৰ ওপৰত সন্দেহ কৰে। কিন্তু মই আপোনাক বিপদৰ পৰা বাচি থাকিবৰ বাবে সচেতন কৰি দিবৰ বাবেহে আহিছো।''

শিখিমুখীয়ে নিজৰ লৰালৰিৰ বাবে অলপ লাজ পালে। তাৰপিছত তেওঁ সুধিলে, ''বিপদৰ পৰা বচাবলৈ আহিছ? শত্ৰু আহি পালেহি নেকি?''

''মই ঠিক গম ধৰিব পৰা নাই। মাটিত কাণ লগাই ভালদৰে শুনি চাওক। ঢোল বজোৱাৰ দৰে কিছুমান অস্পষ্ট শব্দ ভাহি আহিছে। শুনক, এতিয়া অলপ বেছি ভালকৈ শুনা গৈছে।'' এইবুলি কৈ জংঘলাই আশে-পাশে থকা গছগছনি বিলাকক ভালদৰে পৰ্যবেক্ষণ কৰিলে। যেন সি কিবা বিপদৰ উমানহে পাইছে।

শিখিমুখীয়েও সেই শব্দ স্পষ্টকৈ শুনা পালে। তেওঁ চিঞৰি উঠিল, ''শত্ৰু আহি পালেহি। সকলো উঠি সাজু হোৱা। শত্ৰু...''

শিখিমুখীৰ চিঞৰত বিক্ৰমকেশৰী, নাগসোম সকলো লগে লগে উঠি বহিল। বিপদ আহি কাষ পোৱাহি বুলি ভাৱি সকলোৱে অস্ত্ৰ-শস্ত্ৰ হাতত তুলি ললে। কিন্তু ইতিমধ্যেই তেওঁলোকক চাৰিওফালৰ পৰা প্ৰায় ত্ৰিছটামান লোকে বেৰি ধৰিলে। তাৰে ভিতৰৰ এজনে মুখত বৃশ্চিকৰ দৰে লগা এখন মুখা পিন্ধি আছিল। সেই মুখাত থকা

দুটা ফুটাৰ মাজেদি তেওঁৰ চকুকেইটা জিলিকি আছিল।

সেই মুখাধাৰীয়ে হাতত থকা শিলৰ কুঠাৰ তুলি লৈ নিজৰ অনুচৰক কলে, ''মোৰ সপোনত বৃশ্চিক মাতাই দৰ্শন দি কৈছিল যে এইসকলৰ ভিতৰত যোগ্য ব্যক্তিক বলি দিলে আমি কোনো বিপদৰ সন্মুখীন নোহোৱাকৈ বৃশ্চিক মাতাৰ মন্দিৰত প্ৰৱেশ কৰিব পাৰিম।''

শিখিমুখীয়ে বুজি পালে যে এইসকলৰ বৃশ্চিক দ্বীপৰ আদিমবাসী লোক হব লাগিব আৰু এই সময়ত তেওঁলোকৰ লগত মুখামুখি হোৱা বিপদহীন নহব। তেওঁ বিক্ৰমক মনৰ কথা কোৱাত বিক্ৰমেও সেই কথাত হয়ভৰ দিলে।



ৰাতিপুৱাৰ লগে লগেই আমি ইয়াৰ পৰা গুচি যাম।”

নাগসোমৰ কথা শুনি সেই জংঘলী দলৰ নেতা আচৰিত হ’ল। তেওঁ কলে, “আমি যে ইম্যু জাতিৰ লোক সেই কথা পুৰণা হ’ল। আমি এতিয়া বৃশ্চিক জাতিৰ লোক। দুদিনৰ আগতে শিথিলালয়ৰ পুজাৰী নামৰ এজন ব্যক্তি আহি এই দ্বীপ পাইছেহি। তেওঁ কৈছিল যে তেৱোঁ ইম্যু জাতিৰ লোক আৰু তেওঁ কোনো শিথিলেশ্বৰীৰ মন্দিৰ দৰ্শনৰ বাবে ইয়ালৈ আহিছে। মোৰ সন্দেহ হৈছে যে সেই পুজাৰী যি শিথিলেশ্বৰীৰ মন্দিৰ দৰ্শনৰ বাবে আহিছে, সেয়াই সম্ভৱত আমাৰ বৃশ্চিক দেৱীৰ মন্দিৰ। কালিলৈ আমি সেই দলৰ লগত লগ কৰাই দিম। তেতিয়া গম পোৱা যাব যে তোমালোক এই দ্বীপলৈ কিহৰ বাবে অহিছা। পৰহিলৈ পূৰ্ণিমাৰ দিনা মই উন্মত্ত ফল খাই এই কথা জানিবলৈ চেষ্টা কৰিম যে সেই মন্দিৰ ভূগৰ্ভত ক’ত আছে। তাৰপিছত তোমালোকক বৃশ্চিক মাতাৰ সন্মুখত বলি দিম।”

শিখিমুখীয়ে কিবা এটা কবলৈ লওতেই সেই জংঘলী দলৰ নেতাই হাতৰ শিলৰ কুঠাৰ তুলি তেওঁৰ দলক বন্দীসকলক লৈ আহিবৰ বাবে ইংগিত দি নিজে আগবাঢ়িল।

উপায়বিহীন হৈ শিখিমুখী আৰু তেওঁৰ দলে সেই নেতাৰ পিছে পিছে খোজ ললে আৰু জংঘলী দলৰ বাকী লোকসকল তেওঁলোকৰ পিছে পিছে গ’ল। শিখিমুখীয়ে

তেনে সময়তে নাগসোমে শিখিমুখীৰ ওচৰলৈ গৈ কলে, “এই লোকসকলে যি ভাষাত কথা পাতিছে, সেয়া আমাৰ ইম্যু ভাষাৰ লগত বহুখিনি মিলে।”

“তুমি কি এই কথা কব বিচাৰিছা নেকি যে ভাষা আমাৰ সহায় হৈ উঠিব পাৰে। তুমি ইহতক এই কথা বুজাবলৈ চেষ্টা কৰা যে আমি তেওঁলোকক আক্ৰমণ কৰিবৰ বাবে এই দ্বীপলৈ অহা নাই। বৰঞ্চ ধুমুহাত আমাৰ নাওঁ আহি এই দ্বীপত লাগিলহি।” শিখিমুীয়ে কলে।

নাগসোমে সেই জংঘলী জাতিৰ নেতাৰ ওচৰলৈ গৈ শিখিমুখীয়ে কোৱাৰ দৰেই কৈ বুজালে, “আমি সকলো একেই ইম্যু জাতিৰ লোক। আমাৰ মাজত কোনো শত্ৰুতা নাই।

বুজি পালে যে শিথিলালয়ৰ পুজাৰী ইতিমধ্যেই এই দ্বীপত উপস্থিত হৈ শিথিলালয়ৰ স্থান নিৰূপণ কৰিবৰ বাবে কিবা বুদ্ধি খটুৱাই আছে। বৃশ্চিক জাতিৰ নেতাৰ মতে তেওঁলোকে বিচাৰি অহা সেই শিথিলেশ্বৰীৰ মন্দিৰ এই দ্বীপৰ কোনো ঠাইৰ ভূগৰ্ভত আছে। কিন্তু উন্মত্ত ফল কি বস্তু?

নাগসোমেও এই কথাই ভাৱি আছিল। এক জংঘলীক সুধিলে, "এই উন্মত্ত ফল কি বস্তু? সেয়া ক'ত পোৱা যায়?"

জংঘলীটোৱে হাতেৰে পাহাৰৰ ফালে আঙুলিয়াই কলে, ফলৰ গছ সেই পাহাৰৰ মাজত থকা এটা হ্ৰদৰ পাৰত আছে। সেই ফল খালে ভূগৰ্ভৰ ক'ত কি বস্তু আছে তাক গম পোৱা যায়।"

উন্মত্ত ফলৰ মহিমাৰ সম্বন্ধে তেওঁ গোলভৰা গাঁৱত শুনিছিল। সেই ফল খালে হেনো পৃথিৱীখন বেলেগ ধৰণেৰে দেখা পোৱা যায় আৰু সেই ফল কেৱল বৃশ্চিক দ্বীপত পোৱা যায়। কিন্তু ইয়াত তেওঁ শুনিলে যে সেই ফলৰ সহায়ত ভূগৰ্ভৰ বস্তুৰ বিষয়ে গম পাব পাৰি।

নাগসোমে ভাৱিলে যে কিবা প্ৰকাৰে সেই ফল প্ৰাপ্ত কৰিব পাৰিলে শিথিলালয় সম্বন্ধে গম পোৱা যাব আৰু তাৰ লগে লগে সকলো সমস্যা দূৰ হৈ যাব। কিন্তু তালৈ যাবৰ বাবে বৃশ্চিক জাতিৰ লোকৰ চকুত ধুলি মাৰিব লাগিব।

তেনেসময়তে বৃশ্চিক জাতিৰ নেতাই এটা পাহাৰৰ গুহাৰ সন্মুখত ৰৈ কলে, "বন্দী সকল আজি এই ঠাইতে থাকিব লাগিব। ৰাতিপুৱা মই নিৰ্ণয় কৰিম যে তেওঁলোকক

কি কৰা হব।'' এইবুলি কৈ তেওঁ গুহাৰ ভিতৰলৈ গুচি গ'ল।

শিখিমুখী আৰু তেওঁৰ দল সেই গুহাৰ কাষত থকা গছৰ তলত জিৰণি লবৰ বাবে বহি পৰিল। বৃশ্চিক জাতিৰ বাকী লোকসকলো তাতে বহি পৰিল।

নাগসোমে এই সুবিধা লব খুজিলে। তেওঁ শিখিমুখীক উন্মত্ত ফলৰ সন্ধান কৰাৰ আচনিৰ কথা কব খুজিলে। কিন্তু তেওঁৰ ভয়ো লাগিল যে শিখিমুখীয়ে তেওঁক বাধা দিব পাৰে। গতিকে তেওঁ মনে মনে সেই হ্ৰদলৈ বুলি ৰাওনা হ'ল।

নাগসোমে সেই হ্ৰদৰ পাৰত উপস্থিত হৈ দেখিলে যে বৃশ্চিক জাতিৰ এটা প্ৰহৰী সেই ফলৰ গছক পহৰা দি আছে। তেওঁ সেই প্ৰহৰীক ঠগিবৰ বাবে এটা শিলৰ আঁৰত লুকাই এটা সুহুৰি বজালে।

সুহুৰিৰ শব্দ শুনি প্ৰহৰীটো শিলবিলাকৰ ফালে দৌৰি গ'ল। তাত তেওঁ কোনে সুহুৰি বজালে তাক বিচাৰি চাবলৈ ধৰিলে। নাগসোমে লুকাই থাকি সেই প্ৰহৰীৰ গলধনত আঘাট কৰিলে। প্ৰহৰী বাগৰি পৰিল। নাগসোমে এক শক্তিশালী লতাৰে প্ৰহৰীৰ হাত-ভৰি বান্ধি পেলালে আৰু তাক তাতে পেলাই থৈ সেই উন্মত্ত ফলৰ গছৰ ফালে দৌৰি গ'ল।

কেইমিনিটমানৰ ভিতৰতে প্ৰহৰীয়ে চেতনা ঘূৰাই পালে আৰু ফলৰ গছৰ ফালে চাই নাগসোমক দেখা পালে। সি বন্ধন খুলিবৰ বাবে চটফটাবলৈ ধৰিলে। বন্ধন খুলি নগ'ল, কিন্তু পিছফালৰ শিলটো লৰিবলৈ ধৰিলে। সি শিলটো তাৰ গাৰ ওপৰত পৰিব পাৰে বুলি ভয় খাই পিঠিৰে পিছলৈ ঠেলি দিলে। ঠেলাত সেই শিল তললৈ বাগৰি পৰিল আৰু শিলৰ লগত সেই পহৰাদাৰো শিখিমুখীৰ দল আৰু বৃশ্চিক জাতিৰ লোকসকলে জিৰণি লৈ থকা গুহাটোৰ ফালে বাগৰি পৰিবলৈ ধৰিলে। *(আগলৈ)*

মহাদাতা

এখন গাঁৱত এজন ধনী লোকে বাস কৰিছিল। তেওঁ দুখীয়া লোকক কেতিয়াও একো দান কৰা নাছিল। তেওঁ কৃপণ ৰূপে জনাজাত আছিল। সেইখন গাঁৱতে এজন মুচী আছিল। তেওঁৰ ওচৰলৈ গৈ কোনোবাই কিবা দান বিচাৰিলে তেওঁ সদায় সামৰ্থ অনুযায়ী প্ৰদান কৰিছিল। তেওঁ মহাদাতা বুলি প্ৰখ্যাত আছিল। এবাৰ এজন লোকে সেই ধনীলোকৰ ঘৰলৈ আহি দান বিচাৰিলে। "তুমি কোনখন গাঁওৰ?" ধনী লোকজনে সুধিলে। "এইখনেই মোৰ গাঁও।" সেই লোকজনে উত্তৰ দিলে।

"হবই নোৱাৰে। এই গাঁৱৰ সকলো লোকেই জানে যে মই কাকো কোনো দান নিদিও।" ধনী লোকজনে কলে।

কিছুদিনৰ পিছত সেই ধনী লোকজনৰ মৃত্যু হ'ল। গাঁৱৰ লোকে তেওঁ মৰাশ পথৰ দাঁতিত পুতি থলে। তেওঁৰ মৃত্যুত কোনোৱে অলপো দুখ নকৰিলে।

কিন্তু সেই মুচীৰ কাষলৈ বহুলোকে দান বিচাৰি গৈয়েই থাকিল। কিন্তু তেওঁ দান নিদি কবলৈ ধৰিলে, "মই দান কৰা বন্ধ কৰি দিছো।"

এদিন গাঁৱৰ মুখিয়ালে সেই মুচীক লগ পাই সুধিলে, "তোমাক সকলোৱে মহাদাতা বুলি অভিহিত কৰে। কিন্তু হঠাতে এনে কি ঘটিল যে তুমি দান কৰা বন্ধ কৰি দিলা?"

"দান কৰিবৰ বাবে সেই ধনীলোকজনে মোক নিয়মীয়াকৈ ধন–সম্পত্তি প্ৰদান কৰিছিল। মোক প্ৰতিজ্ঞা কৰোৱাই লৈছিল যে এইকথা মই কাকো নকও। তেওঁৰ মৃত্যুত মই দুখীয়া হৈ পৰিলো। দান দিবৰ বাবে মোৰ ওচৰত আছেইবা কি?" মুচীয়ে উত্তৰ দিলে।





ব্ৰক্ষ্মাৰ সৃষ্টি

আৰু এটা পূৰ্ণিমা আহিল। ককাই জোনাক সিঁচি থকা চন্দ্ৰমাৰ তলত আৰামেৰে বহি আছিল। নস্য নাকত দি তেওঁ এটা শ্লোক আওৰালে–

“বস্তুষু ব্ৰক্ষ্মাসৃষ্ঠু
স্থাৱৰেষু চৰেষুচ
সফলং হস্যাতে সৰ্ব
বিফল নোৱ হস্যাতে।”

শ্লোক শুনি চাৰিওদিকে বহি থকা শিশুবিলাকৰ এটাই সুধিলে, “ককা, এই শ্লোকৰ অৰ্থ কি?”

“এই শ্লোকৰ অৰ্থ জানিব বিচাৰিছা? শুনা তেনেহলে। ব্ৰক্ষ্মাৰ সৃষ্টিত স্থাবৰ আৰু অস্থাৱৰ কিমানযে বস্তু আছে। কিন্তু এই বিলাকৰ ভিতৰত কোনো বস্তুৱেই অপ্ৰয়োজনীয় নহয়। সকলো বস্তুৰে কিবা নহয় কিবা ব্যৱহাৰ আছে। শ্লোকৰ অৰ্থ এয়েই। বুজিলানে?” ককাই হাঁহি এটা মাৰি কলে।

“এই কথা কাক কোৱা হৈছে? তাৰ আঁৰত থকা কাহিনীটো কওকচোন।” শিশুবিলাকে আব্দাৰ ধৰিলে।

“ঠিক আছে, এই বিষয়ৰ লগত সম্বন্ধ থকা কাহিনী এটাই কও বাৰু।” এইবুলি ককাই কাহিনী কবলৈ ধৰিলে–

বহু দিনৰ আগতে অংগদেশত অংগপাল নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁ বহু দিন ধৰি অনুসন্ধান কৰিলে যে সংসাৰত কোনবিলাক বস্তু উপযোগী আৰু কোনবিলাক বস্তু অনুপযোগী। শেষত তেওঁ এই কথাৰ সিদ্ধান্ত কৰিলে যে মহ আৰু মকৰাৰ

চি শেষাদ্ৰী

বাহিৰে বাকী সকলো বস্তুৰে উপযোগীতা আছে।

তাৰপিছত তেওঁৰ ৰাজ্যত মহ আৰু মকৰা দেখা পোৱা গলেই সিবিলাকক মাৰি পেলাবলৈ আদেশ জাৰী কৰিলে।

সেই আদেশ ৰাজ্যৰ প্ৰজাই মানি চলিবলৈ ধৰিলে আৰু তাত ৰজা বৰ সুখী হ'ল। কিন্তু তেনেসময়তে শত্ৰুৱে অংগদেশ আক্ৰমণ কৰিলে। ৰজা অংগপাল এনে আক্ৰমণৰ বাবে একেবাৰেই প্ৰস্তুত নাছিল আৰু তেওঁ প্ৰাণ বচাবৰ বাবে বছা বছা কেইজনমান বিশ্বাসী সেৱকক লৈ ঘোৰ অৰণ্যলৈ পলাই গ'ল।

সেইদিনা ৰজা আৰু তেওঁৰ অনুচৰ কেইজনে অৰণ্যতে কটালে। কিন্তু ৰাতি মহে তেওঁ নিদ্ৰা ভংগ কৰিলে।

কিন্তু এনে কৰাত ৰজাৰ লাভ হ'ল। কিয়নো তেওঁক বিচাৰি শত্ৰু সৈন্য সেই অৰণ্যটো প্ৰৱেশ কৰিছিল।

শত্ৰুসৈন্য সেই অৰণ্যত প্ৰৱেশ কৰাৰ উমান পাই ৰজাই ভাৱিলে যে কিবা বিপদ হব পাৰে। সেইবাবে তেওঁলোক তাৰ পৰা আঁতৰি গৈ পাহাৰৰ এটা গুহাৰ ভিতৰত লুকাই থাকিল।

ৰাতিপুৱা, শত্ৰুৱে ৰজাক বিচাৰি আহি সেই গুহা পালেহি। কিন্তু ৰাতিৰ ভিতৰতে মকৰাই সেই গুহাৰ মুখত জাল বান্ধি পেলাইছিল। তাকে দেখি তেওঁলোকে ভাৱিলে যে ভিতৰত কোনো নাই আৰু তাৰ পৰা আতৰি গ'ল।

তেতিয়া অংগপালে নিজৰ ভুল বুজি পালে। মহে তেওঁৰ নিদ্ৰা ভংগ কৰাৰ ফলত শত্ৰু সৈন্যৰ পৰা পলাবলৈ সক্ষম হ'ল আৰু মকৰাৰ বাবে তেওঁৰ প্ৰাণ ৰক্ষা পৰিল।

তেওঁ বুজি পালে যে ব্ৰহ্মাৰ সৃষ্টিত কোনো বস্তুৱেই অপ্ৰয়োজনীয় নহয়। সকলোৰে প্ৰয়োজনীয়তা আছে।'' ককাই হাঁহি এটা মাৰি এইদৰে কাহিনীটো শেষ কৰিলে।

ভাল পিতৃ

এদিনাখন সন্ধিয়া দুই সন্তানে পানী পুৰী খাও বুলি কোৱাত লক্ষ্মীকান্তই নগৰলৈ লৈ গ'ল। তাৰপিছত তেওঁলোক সকলোৱে কিবা-কিবি কিনা-কুটা কৰি প্ৰায় ১০.৩০ বজাত ঘৰলৈ উভতনি যাত্ৰা আৰম্ভ কৰিলে।

অলপ দূৰ আহোতেই তেওঁলোকৰ মটৰ চাইকেলৰ পিছফালৰ চকাটো পাংচাৰ হ'ল। লক্ষ্মীকান্ত চিন্তিত হৈ পৰিল আৰু ভাৱিলে, ''হে ভগৱান, এতিয়া এই শিশুকেইটাই কেনেকৈ দহ কিলোমিটাৰ খোজ কাঢ়ি যাব। তেওঁ মটৰ চাইকেলখন ঠেলি ঠেলি কিছুদূৰ আগুৱাই যাওতেই চকাৰ পাংচাৰ ঠিক কৰিব পৰা এখন দোকান দেখা পালে। তেওঁৰ সেই দোকানৰ গৰাকীজনক সোনকালে চকাটো ঠিক কৰি দিবৰ বাবে কলে। দোকান বন্ধ কৰিবৰ সময় হৈ আহিছিল। দোকানীয়ে ভাৱিলে যে সেই সময়ত তেওঁ চকাটো ভাল কৰি কিছু অতিৰিক্ত টকা উপাৰ্জন কৰিব পাৰিব। তেওঁ চকাটো ঠিক কৰিবলৈ মান্তি হ'ল।

লক্ষ্মীকান্ত আৰু শিশু দুটা দোকানত থকা টুল কেইখনমানত বহি পৰিল। দোকানীয়ে চকাটো খুলি দেখুৱাই কলে, ''মহাশয়, এই টিউবটোৰ অৱস্থাই নাই। একেবাৰে নষ্ট হৈ গ'ল। ইয়াক ভাল কৰিলেও বেছি দিন নাযাব। এটা নতুন টিউব লগোৱাই ভাল হব।''

লক্ষ্মীকান্তই জানিছিল যে যদি টিউবটো ভাল কৰিব নোৱাৰাকৈ বেয়া হৈ গৈছে তেন্তে নতুন টিউব লগোৱাৰ বাহিৰে আন কোনো উপাই নাই। তেওঁ কলে, ''ঠিক আছে, নতুন এটাই লগাই দিয়া। দাম কিমান?''

''মোৰ ওচৰত কম দামৰো আছে। কিন্তু ভাল কোম্পানীৰ লগালে টিউবত ২০০ টকা পৰিব আৰু লগাই দিয়াৰ বাবে ৩০ টকা। মুঠতে ২৩০ টকা।'' দোকানীয়ে কলে।

এম লক্ষ্মীনাৰায়ণ

ৰাতি বেছি হৈ আহিছিল। তেওঁ মটৰ চাইকেল লৈ পিছদিনা চাকৰিলৈ যাবলগীয়া আছিল। গতিকে তেওঁ ভাবিলে যে ভাল নতুন টিউব এটা লগাই লোৱাই ভাল হব। তেওঁ কলে, ‘‘ঠিক আছে, লগাই দিয়া। এইবিষয়ে মোৰ বৰ বিশেষ জ্ঞান নাই। এইবিলাক কথা তুমিহে ভালদৰে জানিবা। গতিকে তুমি যি ভাল দেখা তাকে কৰা।’’

তাৰপিছত তেওঁ জেপত চাই দেখিলে যে বজাৰ-সমাৰ কৰাৰ পিছত কেৱল ১০০ টকাহে আছে। নতুন টিউবৰ দাম দিব পৰাকৈ তেওঁৰ ওচৰত পইছা নায়েই। তেতিয়া তেওঁ দোকানীজনক সুধিলে, ‘‘ওচৰে পাজৰে এটিএম আছে নেকি?’’ ‘‘ইয়াৰ পৰা অলপ দূৰতে স্বপ্না থিয়েটাৰৰ সন্মুখত এটা এটিএম আছে।’’ দোকানীজনে কলে।

‘‘ঠিক আছে, তুমি টিউবটো লগাই দিয়া, মই পইছা লৈ আহি আছো।’’ এইবুলি কৈ তেওঁ লগত শিশুদুটাক লৈ এটিএমলৈ গুচি গ’ল। কিছু পইছা উলিয়াই তেওঁ প্ৰায় বিশ মিনিটমানৰ পিছত উভতি আহিল।

ইতিমধ্যেই তেওঁৰ মটৰচাইকেলৰ চকা ঠিক হৈ পৰিছিল। ‘‘আপোনাৰ মটৰচাইকেল ঠিক হৈ গ’ল।’’ দোকানীজনে কলে। লক্ষ্মীকান্তই দোকানীজনলৈ এখন পাঁচশ টকাৰ নোট আগবঢ়াই দিলে। দোকানীয়ে লক্ষ্মীকান্তক কিছু টকা উভতাই দিলে।

‘‘তুমি পাঁচশ টকাৰ পৰা কিমান টকা ললা?’’ দোকানীয়ে ঘূৰাই দিয়া পইছা হিচাপ কৰি লক্ষ্মীকান্তই সুধিলে।

‘‘দুশ ত্ৰিশ টকা।’’ দোকানীয়ে কলে।

তেতিয়া লক্ষ্মীকান্তই দোকানীজনক বুজালে, ‘‘চোৱা, মই তোমাক পাঁচশ টকা দিলো। তুমি যদি দুশ ত্ৰিশ টকা লোৱা তেন্তে মোক দুশ সত্তৰ টকা উভতাই দিব লাগিব। কিন্তু তুমিটো মোক তিনিশ সত্তৰ টকা উভতাই দিছা। তুমি ভুলতে মোক এশ টকা এটা বেছিকৈ দিছা।’’ এইবুলি কৈ তেওঁ এশ টকা এটা দোকানীজনৰ হাতত দিলে।

লক্ষ্মীকান্তৰ সততা দেখি দোকানীজন আচৰিত হ’ল। তেওঁ গদ গদ হৈ কলে, ‘‘ধন্যবাদ মহাশয়।’’

‘‘তোমালোকে বহু কষ্টকৰি পইছা উপাৰ্জন কৰা। গতিকে যদি মই জানি বুজি সেই এশ টকাটো থৈ দিলোহেতেন তোমাৰ লোকচান হ’লহেতেন। সেয়া অন্যায় হ’লহেতেন। কোনে জানে ভগৱানে মোক তাতোকৈ বেয়া

অৱস্থাত পেলালেহেঁতেন। মই ভাৱো যে আমি যদি সকলো সৎ হওঁ, তেন্তে আমাৰ সদায় ভালেই হয়।'' লক্ষ্মীকান্তই ক'লে।

লক্ষ্মীকান্তৰ কথা শুনি দোকানীজনৰ চকু চলচলীয়া হৈ পৰিল। লক্ষ্মীকান্তই মটৰচাইকেল ষ্টাৰ্ট কৰিবলৈ লওঁতেই দোকানীজনে ক'লে, ''মহাশয়, অলপ সময় ৰব। আপুনি আৰু পাঁচ মিনিট অপেক্ষা কৰক।'' লক্ষ্মীকান্তই দোকানীৰ কথাত একো বুজি নাপাই ক'লে, ''ঠিক আছে। ৰৈছো বাৰু।''

দোকানীজনে লগে লগে পুণৰ মটৰ চাইকেলৰ পিছফালৰ চকাটো খুলি তাৰ ভিতৰৰ পৰা অলপ আগতে লগাই দিয়া নতুন টিউবটো উলিয়াই পেলালে। ঘটনা দেখি লক্ষ্মীকান্তই একো বুজিব নোৱাৰিলে।

তেওঁ কিবা সোধাৰ আগতেই দোকানীয়ে আন এটা টিউব আনি টায়াৰৰ ভিতৰত ভালদৰে লগাই দিলে। তাৰপিছত চকাত পাম্প দি প্ৰায় পাঁচ মিনিটৰ ভিতৰতে পুণৰ মটৰ চাইকেলখন সাজু কৰি তুলিলে। তাৰপিছত তেওঁ ক'লে, ''মহাশয়, মই ভুলতে আপোনাক বেছিকৈ দিয়া এশ টকাখন উভতাই দি মোৰ চকু মুকলি কৰি দিলে। আপুনি ভাৱিলে যে মোৰ এশ টকাৰ লোকচান হ'ব। আনহাতে, মই ভাল কোম্পানীৰ টিউব লগাইছো বুলি আপোনাৰ মটৰ চাইকেলত নিম্ন মানৰ টিউব লগাই দিছিলো। আপুনি মোৰ ভালৰ বাবে ইমান চিন্তা কৰাৰ পিছত মই আপোনাক ঠগিব নোৱাৰো। সেয়া পাপ হ'ব। আপোনাক ঠগা হ'লে মই হয়তো আজি ৰাতি ভালদৰে শুবই নোৱাৰিলোহেঁতেন। মোক ক্ষমা কৰি দিব। মই সিদ্ধান্ত লৈছো যে আজিৰ পৰা মই কাকো নঠগো।''

দোকানীৰ কথা শুনি লক্ষ্মীকান্ত আচৰিত হ'ল। তেওঁ লগতে দোকানীজনে নিজে কৰা ভুল বুজি পোৱা দেখি বৰ সুখী হ'ল। তেওঁৰ মুখত হাঁহি বিৰিঙি উঠিল। তেওঁ দোকানীজনৰ কান্ধত হাত থৈ ক'লে, ''ঠিক আছে। আমি এতিয়া আহো বাৰু। শুভৰাত্ৰি।''

এই কথাত লক্ষ্মীকান্ত সুখী হ'ল যে তেওঁৰ সন্তান দুটাই আজিৰ ঘটনাৰ পৰা এটা সুন্দৰ অভিজ্ঞতা লাভ কৰিলে। সততা মানুহৰ কিমান সহায়কৰ হ'ব পাৰে তাৰ এটা বাস্তৱিক উদাহৰণ সিঁহতে সচক্ষে দেখা পালে।



মই কি হ'ব পাৰো?

যদি তুমি পোহনীয়া জন্তুৰ লগতে আনবিলাক জন্তু আৰু চৰাই-চিৰিকটিক ভাল পোৱা আৰু সিবিলাকৰ যত্ন লব বিচাৰা, তেন্তে এই পেশা তোমাৰ বাবে। পোহনীয়া জীৱ-জন্তুৰ ক্ষেত্ৰত সকলোতকৈ গুৰুত্বপূৰ্ণ কাম হ'ল, সিবিলাকক প্ৰশিক্ষণ দি কেনেকৈ ব্যৱহাৰ কৰিব লাগে তাৰ শিক্ষা দিয়া। এটা প্ৰশিক্ষিত পোহনীয়া জীৱ তাৰ গৰাকীৰ বাবে এক মূল্যৱান সম্পদ হব পাৰে। পোহনীয়া জীৱ-জন্তুক প্ৰশিক্ষণ দিয়াৰ পেশা তুলনামূলকভাৱে নতুন, কিন্তু এই পেশাৰ এক সুন্দৰ ভৱিষ্যত লক্ষ্য কৰা যায়।

প্ৰথমতে, এই কথা মনত ৰখা উচিত যে প্ৰশিক্ষণ হ'ল এক প্ৰকাৰৰ 'সেৱা' পেশা, সেইবাবে এই পেশাৰ প্ৰয়োজনত পোহনীয়া জীৱ-জন্তুৰ গৰাকীৰ লগত ভাল সম্পৰ্ক বজাই ৰখা প্ৰয়োজন। আনধৰণে কবলৈ গলে কাম যদিও জীৱ-জন্তুৰ প্ৰশিক্ষণৰ লগত সম্পৰ্কিত, কিন্তু মূল সম্পৰ্ক সেই জন্তুবিলাকৰ গৰাকীৰ লগতহে। যিসকলৰ এনে কামত ৰাপ আছে, সেইসকলে এই পেশাক পচন্দ কৰিব পাৰে। পোহনীয়া জীৱ-জন্তুৰ প্ৰশিক্ষণ এক বিকাশ হৈ থকা অৱস্থাত থকা পেশা। বৰ্তমান সময়ত উপলব্ধ প্ৰশিক্ষকসকলৰ বেছিভাগেই স্বপ্ৰশিক্ষিত। ইয়াৰ অৰ্থ এয়ে যে তেওঁলোকে হয়তো জীৱ-জন্তুৰ ব্যৱহাৰৰ বিষয়ে যথেষ্ট অধ্যয়ন কৰি, কৰ্মশালা আৰু আলোচনাচক্ৰত যোগদান কৰি বা আন অভিজ্ঞ জীৱ-জন্তুৰ প্ৰশিক্ষকৰ অধীনত কাম কৰি এই বিষয়ে জ্ঞান প্ৰাপ্ত কৰিছে।

প্ৰথমতে, সকলো ধৰণৰ জীৱ-জন্তু, চৰাই-চিৰিকটিৰ প্ৰতি ভালপোৱা থাকিলেহে এই পেশা গ্ৰহণ কৰাত সুবিধা হয়। তাৰ লগতে নানা ধৰণৰ মানুহৰ লগত কিধৰণে কথা-বাৰ্তা পাতিব লাগে সেই সম্পৰ্কেও অলপ-অচৰপ জ্ঞান থকা প্ৰয়োজনীয়। ধৈৰ্য আৰু আত্ম নিয়ন্ত্ৰণ থকাটো অতি প্ৰয়োজনীয়। এজন ভাল জীৱ-জন্তু প্ৰশিক্ষক হবৰ বাবে কিবা এটা শিকাৰ নিৰন্তৰ প্ৰয়াস ৰখাটো দৰকাৰ। বৰ্তমান ভাৰতত জীৱ-জন্তু প্ৰশিক্ষণৰ ওপৰত কোনো নামজ্বলা বিশ্ববিদ্যালয়ে কোৰ্ছ প্ৰদান নকৰে। কিন্তু এনে এক কামক পেশা হিচাপে গ্ৰহণ কৰিবলৈ যিসকলৰ ইচ্ছা আছে, তেওঁলোকে ব্যৱহাৰ সম্বন্ধীয় মনোবিজ্ঞান বা জীৱ-জন্তু চিকিৎসা বিদ্যা আদিৰ দৰে কোৰ্ছ সম্পূৰ্ণ কৰিলে লাভান্বিত হব।

বেছিভাগ জীৱ-জন্তু প্ৰশিক্ষকেই স্বনিয়োজিত বা তেওঁলোকে কোনো সৰু প্ৰতিষ্ঠানত জীৱ-জন্তুৰ প্ৰশিক্ষক হিচাপে নিযুক্তি লাভ কৰে। কুকুৰৰ প্ৰশিক্ষক সকলে নানা ধৰণৰ সুৰক্ষা, পুলিচ ফোৰ্চ আদিত নিযুক্তি লাভ কৰাৰ সম্ভাৱনা থাকে। আজিকালি বহুলোকে ঘৰত পোহনীয়া জীৱ-জন্তু ৰাখে। তেনে অৱস্থাত প্ৰশিক্ষণ প্ৰাপ্ত আৰু অভিজ্ঞ জীৱ-জন্তুৰ প্ৰশিক্ষকসকলে নিজাকৈ ব্যৱসায় স্থাপন কৰিব পাৰে।

– *হাই*

চান্দমামাৰ কাহিনী

এই জুলাই মাহত চান্দমামাই ৬৬ বছৰত ভৰি দিছে। ৬৬ বছৰৰ আগতে ১৯৪৭ চনৰ সেই দিনটোৰ কথা মনত পেলাই আমি চান্দমামাৰ প্ৰথম সংখ্যাৰ বেটুপাত এই সংখ্যাত পুণৰ মুদ্ৰণ কৰিছো। তোমালোকে আনকি সেই সংখ্যাৰ মূল্য 'ছয় অনা' বেটুপাতত মুদ্ৰিত হৈ থকা দেখিবলৈ পাবা। শ্ৰীচক্ৰপাণি আৰু শ্ৰীনাগ্গী ৰেড্ডীয়ে শিশুসকলক আমাৰ চহকী ঐতিহ্য আৰু পৰম্পৰা নানান কাহিনীৰ জৰিয়তে শিকাবৰ বাবেই চান্দমামাৰ দৰে আলোচনীৰ সূচনা কৰিছিল। ১৯৪৭ চনত মাদ্ৰাজ প্ৰেচিডেঞ্চিত ব্যৱহৃত দুটা প্ৰধান ভাষা– তামিল আৰু তেলেগুত এই আলোচনী প্ৰকাশিত হৈছিল। তাৰ পিছৰ চাৰিবছৰৰ ভিতৰতে চান্দমামা আন ছটা ভাষাত প্ৰকাশ হবলৈ আৰম্ভ কৰে আৰু বৰ্তমান চান্দমামা ১২ টা ভাৰতীয় ক্ষেত্ৰীয় ভাষাৰ লগতে ইংৰাজীতো প্ৰকাশ হয়। এই বৰ্ষপূৰ্তি সংখ্যাত, আমি চান্দমামাৰ প্ৰতিষ্ঠাতাসকলৰ মহান উদ্দেশ্যাক মনত পেলাইছো। আমি লগতে চান্দমামাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়েও এবাৰ সোঁৱৰিব খুজিছো। এই কথা আমি দৃঢ়তাৰে কব খুজো যে চান্দমামাই সমাজৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰি যাবৰ বাবে কুন্ঠাবোধ নকৰে আৰু ভাৰতৰ ডেকা আৰু শিশু নাগৰিকসকলক একোজন দ্বায়িত্বপূৰ্ণ মানুহ হিচাপে বিকশিত



হোৱাত সহায় কৰিব। আমি প্ৰতিটো ভাৰতীয় পৰিয়ালক এই নিশ্চয়তা দিব খুজো যে তেওঁলোকে নিজৰ শিশুৰ হাতত এখন চান্দমামা দি নিশ্চিতভাৱে এৰি দিব পাৰে। চান্দমামাই নানাধৰণৰ কাহিনীমূলক জ্ঞানেৰে শিশুৰ মানসিক বিকাশ ত্বৰান্বিত কৰি তুলিব।

তলত আমি চান্দমামাৰ কাৰ্যালয়, মুদ্ৰণ কোঠা, কৰ্মী কোঠা, প্ৰেৰণ কোঠা আদিৰ লগতে এনে কেইজনমান কৰ্মীৰ ছবি দিছো, যি চান্দমামাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিলে।

আমি আগষ্ট মাহত স্বাধীনতা দিৱসৰ বিশেষ বেটুপাটৰ সৈতে তোমালোকক পুণৰ লগ পাম।

– সৌম্যা ভৰদ্বাজ



চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪২

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪২ লিখা।

৪) তোমাৰ উত্তৰ ৩১ আগষ্ট ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ অক্টোবৰ মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

ভাৰতীয় বস্ত্ৰ



১. লক্ষ্ণৌৰ পৃথিৱী বিখ্যাত বস্ত্ৰ শিল্পৰ নাম কোৱা।

২. কৰ্ণাটকৰ কোন অংশত ৰেচম উৎপাদন কৰা হয়?

৩. ভাৰতৰ কোনখন ৰাজ্য ফুলকাৰী নামৰ এক এম্ব্ৰয়দাৰী শিল্পৰ বাবে বিখ্যাত?

৪. ভাৰতৰ কোনটো অংশ বান্ধনীৰ বাবে বিখ্যাত?

৫. কলমকাৰীৰ বাবে কোন ৰাজ্য বিখ্যাত?

৬. ভাৰতৰ কোন অংশত ইকাট শৈলীৰে বস্ত্ৰ বয়ন কৰা হয়?

৭. ভাৰতৰ কোন ৰাজ্য পাঠানী শাৰীৰ বাবে বিখ্যাত?

৮. তামিলনাডুৰ কোন চহৰক ৰেচম চহৰ হিচাপে জনা যায়?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩৯, এপ্ৰিল ২০১২ চনৰ উত্তৰ:

১. মিলখা সিং, ২. ধনৰাজ পিল্লাই, ৩. গীত শেঠী, ৪. এছ ৰবিনছন, ৫. কৰ্নাম মালেশ্বৰী, ৬. বিশ্বনাথন আনন্দ.

April'12 Winners: 1. Sivalenka Chandrasekhar, Mehdipatnam, Hyderabad - 500028.
2. Yagnesh Saradchandra Chaphalkar, Pakhal Road, Nasik - 422006.
3. B.K.Anujith, Kulithurai(Post), Kanyakumari(Dist) - 629163.

কৌতুক

ভ্ৰমণকাৰী: এই লাওখোলাটো কাৰ?

ভাগৰি পৰা গাইড: মহাশয়, সেইটো জুলিয়াছ ছিজাৰৰ।

ভ্ৰমণকাৰী: তেনেহলে তাৰ কাষত থকা সৰু লাওখোলাটো কাৰ?

গাইড: মহাশয়, সেইটো জুলিয়াছ ছিজাৰৰ সৰু কালৰ।

মাৰ্টিন: ডাক্তৰ আৰু নাৰ্ছে অপাৰেচনৰ সময়ত কিয় কাপোৰেৰে নিজৰ মুখ বান্ধি লয়?

জন: কিয়নো তেওঁলোকে কিবা ভুল কৰিলেও কোনে কৰিছে সেই কথা আনে গম নাপাবৰ বাবে।

শিক্ষয়ত্ৰী: যীশু, তোমাৰ যমজ ভগ্নীয়ে বন্ধদিনৰ বনভোজৰ ওপৰত লিখা ৰচনাখন তোমাৰখনৰ লগত একেবাৰে একে হৈছে।

যীশু: হয় বাইদেউ, আমি একেটা বনভোজৰ বিষয়েই লিখিছো।

মাক: তুলসী, মুখখন ইমান ৰঙা পৰিল কেনেকৈ?

তুলসী: আমি এখন কাজিয়া ভাঙিবলৈ ৰাস্তাত দৌৰিবলগীয়া হৈছিল।

মাক: সেয়া বৰ ভাল কথা। কিন্তু, কাজিয়া কাৰ কাৰ মাজত হৈছিল?

তুলসী: মোৰ আৰু ৰাহুলৰ মাজত।

ফুটবল প্ৰশিক্ষক: ৰাজেশ, তুমি বৰ ভাল খেলিলা।

ৰাজেশ: হয় নেকি চাৰ, মই ভাবিছিলো যে মই বৰ বেয়া খেলিলো।

ফুটবল প্ৰশিক্ষক: আচলতে মই কব খুজিছো যে তুমি আনটো পক্ষৰ বাবে বৰ ভাল খেলিলা।

ৰোহনে স্কুলৰ পৰা আহি ঘৰ পাই অভিযোগ কৰিলে যে তাৰ গা বেয়া লাগিছে কিয়নো সি এখন স্কুলভেনৰ পিছফালে এঘন্টা বহি আহিবলগীয়া হ'ল।

"তুমি তোমাৰ কাষত বহি থকা লোকজনৰ লগত আসনখন সলনি কৰি নললা কিয়?" মাকে সুধিলে।

"কেনেকৈ কৰিম?" সি কলে, "মোৰ বিপৰীতফালে থকা আসনখনত কোনো বহি থকাই নাছিল।"

চেন্দুইছৰ বুৰঞ্জী!

চেন্দুইছক তুমি আধুনিক খাদ্য বুলি ভাৱা নেকি? খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাতে, হিলেল ডি এল্ডাৰ নামৰ এজন ইহুদী ধৰ্মগুৰুৱে ভেৰাৰ মাংসৰ চকল আৰু আন ঔষধি গুণ থকা শাক আদি পাউৰুটিৰ মাজত ভৰাই পাছঅভাৰ উৎসৱৰ সময়ত খাবলৈ আৰম্ভ কৰিছিল।

জন মান্টাগু, চেন্দুইছৰ চতুৰ্থ আৰ্ল এই বিশেষ খাদ্যৰ নামৰ বাবে দায়বদ্ধ। তেওঁ আছিল এজন নিয়মিত জুৱাৰী আৰু সেইবাবে তেওঁ দুপৰীয়াৰ খাদ্য খাবৰ বাবে সময় উলিয়াব পৰা নাছিল। গতিকে এবাৰ তেওঁ ৰান্ধনিক এটুকুৰা পাউৰুটিৰ মাজত মাংসৰ চকল ভৰাই দিবলৈ কলে যাতে জুৱা খেলি থকা অৱস্থাতে তেওঁ এখন হাতত লৈ খাব পাৰে।

যদিও চেন্দুইছে তাৰ নাম আৰ্ল অৱ চেন্দুইছৰ পৰা লাভ কৰে, এনেধৰণৰ খাদ্যৰ ধাৰণা প্ৰথম তেওঁৰ মনত খেলোৱা নাছিল। পূব ভূমধ্য সাগৰীয় অঞ্চললৈ বনভোজলৈ যাওতে, তেওঁ গ্ৰীক আৰু তুৰ্কীসকলে এনেধৰণৰ খাদ্য ব্যৱহাৰ কৰা দেখা পাইছিল। তেওঁ সেই ঠাইৰ পৰাই এনে খাদ্যৰ ধাৰণা লাভ কৰে আৰু নিজেও ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে।

মাফুলেটা চেন্দুইছ হ'ল এক ইটালীয়ান খাদ্য বিশেষ, য'ত হাম, ইটালীয়ান ছালামী, ছীজ, জলফাই চালাড আৰু খুন্দা নহৰু থাকে। এই চেন্দুইছ কেনেকৈ আৰম্ভ হ'ল? চিচিলীয় পদ্ধতিত, কৃষকসকলে হাম, ছীজ, পাউৰুটি আৰু আন বস্তুবিলাক পৃথকভাৱে এখন কাহীত লৈ খাইছিল। তাৰপিছত খাদ্যবস্তুৰ দোকানৰ গৰাকীয়ে সকলোবিলাকৰ মিশ্ৰণ দুটুকুৰা পাউৰুটীৰ মাজত ভৰাই গ্ৰাহকসকলক বিক্ৰী কৰিবলৈ আৰম্ভ কৰিলে। অতি সোনকালে এই খাদ্য জনপ্ৰিয় হৈ পৰিল।

দুটুকুৰা পাউৰুটিৰ মাজত থকা মাংস, পিয়াজ আৰু ছীজ থকা ছীজ ষ্টেক পেনছিলভেনিয়াত বৰ বিখ্যাত। ১৯৩০ চনত, হট ডগ বিক্ৰী কৰি দুজন ভাই-ককাই ভাগৰি পৰিল আৰু সিদ্ধান্ত কৰিলে যে দুপৰীয়াৰ আহাৰত এক নতুন ধৰণৰ খাদ্য প্ৰস্তুত কৰিব। তেওঁলোকে সেকা গৰুৰ মঙহ চকলিয়াই পিয়াজৰ লগত মিলাই পাউৰুটিৰ মাজত ভৰাই নিজে খাবলৈ লওতেই এজন গাড়ীৰ চালকে খাদ্য বিচাৰিলে। তেওঁ সেয়া খাই বৰ ভাল পালে আৰু তেওঁলোকক হট ডগৰ পৰিৱৰ্তে সেই খাদ্য বিক্ৰী কৰিবলৈ পৰামৰ্শ দিলে।

তোমালোকে বিখ্যাত পপ গায়ক এলভিছ প্ৰেছলিৰ প্ৰিয় চেন্দুইছৰ বিষয়ে জানানে? সেয়া হ'ল পোৰা বাদামৰ মাখনৰ লগতে কলৰ চেন্দুইছ। তাৰ ওপৰত এটুকুৰা বেকন দিয়া থাকে।

যেতিয়া ফিলিপ মাথাইয়ুয়ে এজন আৰক্ষীৰ বাবে চেন্দুইছ প্ৰস্তুত কৰি আছিল, ভুলতে তেওঁ গৰুৰ মঙহ উতলি থকা এখন কেৰাহীত চকলিয়াই থোৱা ফৰাচী ব্ৰেডৰ ৰোল পেলাই দিলে। আন এটা চেন্দুইছ তৈয়াৰ কৰিবৰ বাবে তেওঁৰ ওচৰত সময় নাছিল বাবে সেইটোকে আৰক্ষীজনক খাবলৈ দিলে। সেইজন আৰক্ষীয়ে চেন্দুইছটো খাই ইমান ভাল পালে যে তেওঁ লগৰীয়াসকলকো সেই চেন্দুইছ খাবলৈ পৰামৰ্শ দিলে।

পছি বাট্টি হ'ল ব্ৰিটেইনত জনপ্ৰিয় এক চেন্দুইছ য'ত মাখন লগোৱা দুচকল বগা পাউৰুটিৰ ভিতৰত ফ্ৰেন্‌ছ ফ্ৰাই থাকে।

ছাবমেৰিন চেন্দুইছ আমেৰিকা আৰু কানাডাত বেছ জনপ্ৰিয়। বিশ্বাস কৰা হয় যে প্ৰথম বিশ্বযুদ্ধৰ সময়ত নৌসেনাক আকৰ্ষিত কৰিবৰ বাবে বোষ্টাৰ এখন ৰেষ্টুৰেন্টে ছাবমেৰিনৰ আকৃতিত চেন্দুইছ তৈয়াৰ কৰিছিল। এই চেন্দুইছ মাংস, শাক-পাচলি, ছীজ, ছচ আৰু নানা ধৰণৰ মছলাৰ মিশ্ৰণেৰে তৈয়াৰ কৰা হয়।

ভাৰতীয়সকলে নিজৰ ধৰণেৰে চেন্দুইছৰ ভিতৰত নানা ধৰণৰ মছলা আৰু খাদ্যৰ মিশ্ৰণ ভৰাই দি চেন্দুইছ তৈয়াৰ কৰে। কুকুৰাৰ মঙহৰ টিক্কা, বিলাহীৰ ছাটনি, পনীৰ, আমৰ আচাৰ ইত্যাদি। নানা ধৰণৰ নিৰামিষ খাদ্যৰ মিশ্ৰণ আৰু মিন্ট ছাটনিৰে বনোৱা চেন্দুইছ বেছ জনপ্ৰিয়।

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	No tickets available.	The photography is good.
Assamese	কোনো টিকেট নাছিল।	ফটোগ্ৰাফি ভাল আছিল।
Telugu	టిక్కెట్లు అందుబాటులో లేవు. টিকেটলু অনডুবাটুলু লভু.	ఫోటోగ్రఫీ బాగుంది. ফটোগ্ৰাফী বাগুণ্ডী.
Tamil	அனுமதி சீட்டுகள் இல்லை. অনুমাথি সীতু গল ইল্লাই.	புகைப்படக் காட்சிகள் நன்றாக இருந்தன. পুগাইপ্‌পাদা কাটচিগল নানৰাগ ইৰুন্থন.
Bengali	টিকিট ছিল না। টিকট ছিল না।	চিত্রগ্রহনটা ভালো। চিত্ৰগ্ৰহণটা ভালো।
Marathi	तिकिटं उपलब्ध नव्हती. টিকট উপলব্ধ নভটি.	छायाचित्रण खूपच सुरेख होतं. ছায়াচিত্ৰন খপাচ সুৰেখ হতা.
Kannada	ಟಿಕೆಟ್ ಸಿಗುತ್ತಿಲ್ಲ টিকেট সিগুটিল্লা.	ಛಾಯಾಗ್ರಹಣ ಚೆನ್ನಾಗಿದೆ. সচ্ছায়াগ্ৰহণ চেন্‌নাগিডে.
Odia	ଟିକେଟ୍ ମିଳିଲା ନାହିଁ। টিকেট মিলা নাহী।	ଫଟୋଗ୍ରାଫି ଖୁବ୍ ସୁନ୍ଦର ହୋଇଛି। ফটোগ্ৰাফী খুব সুন্দৰ হইছি।
Gujarati	ટિકિટ ઉપલબ્ધ નથી. টিকিট উপলব্ধ নাথে.	ફોટોગ્રાફી સરસ છે. ফটোগ্ৰাফী সৰস ছে.
Hindi	टिकट उपलब्ध नहीं थे। টিকেট উপলব্ধ নেহি থে.	फ़ोटोग्राफ़ी बहुत अच्छी है। ফটোগ্ৰাফী বহুত অচ্ছে হে.
Malayalam	ടിക്കറ്റ് കിട്ടാനില്ല. টিকেট কিট্টনিল্লা.	ഫോട്ടോഗ്രാഫി നന്നായിരുന്നു. ফটোগ্ৰাফী নান্‌নায়ীৰুন্‌নু.
Santali	ᱴᱤᱠᱤᱴ ᱵᱟᱝ ᱧᱟᱢᱚᱜ ᱠᱟᱱᱟ। টিকট বাং নমগ কন।	ᱯᱷᱚᱴᱚ ᱠᱟᱢᱤ ᱫᱚ ᱵᱮᱥ ᱟᱠᱟᱱᱟ। ফটো কমি দো বেছ অকন।
Sanskrit	चिटिका: न उपलब्धा:। চিটিকাহ না উপলব্ধহ।	चित्रीकरणं सम्यक् आसीत्। চিত্ৰিকৰনম সম্যক অছিত।

English	The story is ordinary.	Hero's acting is fantastic.
Assamese	কাহিনীটো সাধাৰণ আছিল।	নায়কৰ অভিনয় সুন্দৰ আছিল।
Telugu	కథ సాదాసీదాగా ఉంది. কথা সদাসীডাগ উণ্ডি.	హీరో నటన అద్భుతం. হিৰো নটন অদ্ভুতম.
Tamil	கதை சுமார். কথাই চুমাৰ.	கதாநாயகன் அருமையாக நடித்தார். কথানায়কন অৰুমাইয়াগ নদিথাৰ.
Bengali	গল্পটা মামুলী। গল্পটা মামুলি।	নায়কের অভিনয় অসাধারন। নায়কৰ অভিনয় অসাধাৰণ।
Marathi	कथानक एकदम साधारण होतं. কথনক একদম সাধাৰণ হতা.	नायकाचा अभिनय अप्रतिम होता. নায়কছ অভিনয় অপ্ৰতীম হতা.
Kannada	ಕಥೆ ಸಾಮಾನ್ಯವಾಗಿದೆ. কথে সামান্যভাগিডে.	ಹೀರೋ ನಟನೆ ಅದ್ಭುತವಾಗಿದೆ. হিৰো নটন অদ্ভুতভাগিডে.
Odia	କାହାଣୀଟି ସାଧାରଣ। কাহিনীটি সাধাৰণ।	ନାୟକଙ୍କର ଅଭିନୟ ଚମତ୍କାର। নায়কনক অভিনয় চমৎকাৰ।
Gujarati	વાર્તા સાધારણ છે. ভাৰ্তা সাধাৰণ ছে.	નાયકનો અભિનય અદ્ભુત છે. নায়কনো অভিনয় অদ্ভুত ছে.
Hindi	कहानी साधारण है। কাহানী সাধাৰণ হে.	हीरो का काम अच्छा है। হিৰো কা কাম আচ্চা হে.
Malayalam	കഥ സാധാരണമായ ഒന്നായിരുന്നു. কথা সাধাৰণময় অন্নায়ীৰুন্নু.	നായകന്റെ അഭിനയം നന്നായിരുന്നു. নায়কন্তে অভিনয়ম নান্নায়ীৰুন্নু.
Santali	ᱠᱟᱦᱱᱤ ᱫᱚ ᱡᱮᱦᱟ ᱞᱮᱠᱟᱱ। কহনী দো জেহা লেকন।	ᱦᱤᱨᱚ ᱯᱚᱴ ᱟᱫᱤ ᱵᱮᱥ ᱟᱠᱟᱱ। হিৰো পট অদি বেছ অকন।
Sanskrit	कथा तु सामान्या आसीत्। কথা টো সামান্য অছিত।	नायकस्य अभिनय: उत्तम:। নায়কস্য অভিনয় উত্তমহ।

পেপাৰমিন্টে মহ খেদায়

দিল্লীৰ এগৰাকী বিজ্ঞানী পদ্মা বাসুদেৱনে এক অভিনৱ আৱিষ্কাৰ কৰে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত তেওঁৰ গৱেষকৰ দলে এই কথা আৱিষ্কাৰ কৰে যে পেপাৰমিন্টৰ তেলে মহ খেদাই পঠিয়ায়। ইয়াৰ লগতে সেই তেলে মহৰ কণী আৰু পলুক ধ্বংস কৰিব পাৰে। এই সকলোবিলাকৰ ভিতৰত সবাতোকৈ ভাল খবৰটো হ'ল এই যে এই উপায় এনোফিলিছ মহৰ বিৰুদ্ধে অতি কাৰ্যক্ষম। এনোফিলিছ মহে মেলেৰীয়া ৰোগ বিয়পাই তোলে।

বিজ্ঞানীৰ দলটোৱে এটা আমোদজনক পৰীক্ষা কৰি চায়। তেওঁলোকে প্ৰথমতে মেন্থা পেপাৰিটা নামৰ পেপাৰমিন্টৰ গছৰ পৰা তেল সংগ্ৰহ কৰে। তাৰপিছত তেওঁলোকে মহৰ পলু থকা পানীত তাৰ কেইটোপাল মান পেলাই দিয়ে। পিছদিনাখন তেওঁলোকে দেখিবলৈ পাই যে সেই পানীত থকা সকলোবিলাক মহৰ পলুৰ মৃত্যু হৈছে। বহুলোকে এই তেলৰ সহায়ত মহ খেদোৱাৰ পৰীক্ষা কৰি চায়। তাৰ বাবে তেওঁলোকে এই তেল নিজৰ গাত ঘঁহি লয় আৰু মুকলিত শুই পৰে। দহজনৰ ভিতৰত আঠজনেই এই কথা স্বীকাৰ কৰে যে তেওঁলোকক মহে কামোৰা নাছিল।

মহিলাই ব্লাড বেংক স্থাপন কৰিলে

পাৰাপ্পা গাঁৱৰ এগৰাকী মহিলা বেছিকৈ অসুস্থ হৈ পৰিল। তেওঁৰ বৰ বেছিকৈ তেজ ওলাবলৈ ধৰিলে। গাঁওবাসীয়ে ততাতৈয়াকৈ তেওঁক ৪০ কিলোমিটাৰ দূৰত থকা চিকিৎসালয়লৈ নিবৰ বাবে এখন গাড়ী বিচাৰিবলৈ ধৰিলে। শেষত সেই মহিলাগৰাকী আৰোগ্য হ'ল। চিকিৎসকৰ মতে তেওঁৰ ইমান তেজ যোৱাৰ পিছতো আৰোগ্য লাভ কৰাটো এক বিস্ময়।

এই অভিজ্ঞতাৰ পিছত, সেই মহিলাগৰাকীয়ে এক কাম কৰাৰ পৰিকল্পনা কৰে। তেওঁলোকে গাঁৱত তেজ দান কৰিবলৈ ইচ্ছা কৰা মহিলাসকলৰ এক গোট গঠন কৰিলে। সেই গোটৰ নাম হ'ল নাৰী ৰক্তদাতা সকলৰ গোট। কেৰেলাত ইয়াৰ আগতে এনে ধৰণৰ পদক্ষেপ কোনেও লোৱা নাছিল। ই তেনেধৰণৰ প্ৰথম পদক্ষেপ। এই গোটৰ সকলোবিলাক কাৰ্যকলাপ এটা সংগঠনে তদাৰক কৰে, যাৰ নাম হ'ল সহায় সংঘ ফেডাৰেচন।

বৰ্তমান সেই নাৰী ৰক্তদাতা গোটত দুশগৰাকীতকৈও অধিক সদস্যা আছে। সেইসকলৰ ভিতৰত বেছিভাগেই অৰ্থনৈতিকভাৱে দুৰ্বল কৃষি কৰ্মী আৰু গৃহপত্নী। এই গোটে তেওঁলোকৰ কৰ্মক্ষেত্ৰৰ পৰিসৰ উত্তৰ কেৰেলাৰ সমগ্ৰ পাহাৰীয়া অঞ্চললৈ সম্প্ৰসাৰিত কৰাৰ পৰিকল্পনা হাতত লৈছে।



CHANDAMAMA'S
Ramayana
An Epic Journey
Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.
Price: Rs 449/-
To place an order, go to www.chandamama.com
Chandamama's Ramayana is available only in English at all leading book shops.

ৰসিক মানুহ

বীৰবল

মতাকুকুৰা আৰু মাইকী কুকুৰা

১. এদিনাখন, সম্ৰাট আকবৰ অকলে থকাৰ সময়ত বীৰবলৰ কথা চিন্তা কৰিলে। 'বীৰবল বৰ বুদ্ধিয়ক আৰু হাস্যৰসযুক্ত। মই যদি তেওঁক মূৰ্খ বনাবৰ বাবে সুবিধা এটা পালোহেতেন!'



২. পিছদিনা, তেওঁ বীৰবলৰ বাহিৰে আন সকলো সভাসদকে মতাই আনিলে। তেওঁ এটা কণীৰ খৰাহি দেখুৱাই কলে, ''সকলোৱে ইয়াৰ পৰা একোটাকৈ কণী লৈ বাগিছাৰ পুখুৰীত লুকুৱাই থওক।''

৩. বীৰবল অহাৰ পিছত সম্ৰাটে কলে, ''পুখুৰীত জাপ মাৰি এটা কণী বিচাৰি আনক। যদি আপোনালোক ভাল মানুহ, তেন্তে কণী বিচাৰি পাব। সেই কণী মোৰ ওচৰলৈ লৈ আহিব।''



৪. সভাসদসকলে এজন এজনকৈ পুখুৰীত নামি একোটাকৈ কণী লৈ আহিল। ''শ্বাহেনশ্বাহ, মই এটা কণী বিচাৰি পালো।'' এজনে কলে। ''শ্বাহেনশ্বাহ, ময়ো এটা পালো।'' আন এজনে কলে।

৫. সম্ৰাটে বীৰবলৰ ফালে চাই কলে, ''তেওঁলোক যে ভাল মানুহ সেইটো প্ৰমাণ কৰিলে। এতিয়া তোমাৰ পাল।'' সভাসদসকলে এই ভাৱি ৰং পালে যে এইবাৰ বীৰবল বিপদত পৰিল।

৬. বীৰবলে সম্ৰাটৰ বুদ্ধিৰ কথা গম নাপাই পুখুৰীলৈ নামি গৈ বিচাৰিবলৈ ধৰিলে। 'হে ভগৱান, ইয়াত দেখোন কণী নাই। কিন্তু বাকীসকলৰ প্ৰত্যেকেই কেনেকৈ একোটাকৈ কণী বিচাৰি পালে?'

৭. তিতি বুৰি তেওঁ পানীৰ পৰা উঠি আহিল। তেওঁ ভাবিলে, 'এয়া সম্ৰাটে মোৰ লগত চাতুৰী কৰিছে। মই নিশ্চয়কৈ এই কথাৰ প্ৰমাণ কৰিম যে ময়ো পৰি মৰা বিধৰ নহয়।'

৮. বীৰবল তিতা কাপোৰেৰে ৰাজসভালৈ আহি মতা কুকুৰাৰ দৰে মাতিলে, "কক কক কক...।" তাকে দেখি আকবৰে সুধিলে, "এয়া কি কৰিছা? তুমি বিচাৰি অনা কণীটো ক'ত?"



৯. "মতা কুকুৰাই কণী নাপাৰে শ্বাহেনশ্বাহ। কেৱল মইহে ইয়াত মতা কুকুৰা। আন সকলো মাইকী কুকুৰা।" বীৰবলৰ উত্তৰ শুনি সম্ৰাটে বুজিব পাৰিলে যে বীৰবলে তেওঁক বুদ্ধিত পৰাজিত কৰিলে।

দেহৰ ছাল

আমাৰ দেহৰ সকলোতকৈ ডাঙৰ অংগ কি জানানে বাৰু? সেয়া হ'ল আমাৰ ছাল। ই হ'ল আমাৰ দেহৰ মুঠ ওজনৰ প্ৰায় ১৬ শতাংশ।

এই অংগই নানা ধৰণৰ প্ৰয়োজনীয় কাৰ্য সম্পাদন কৰে। ই বাহিৰৰ পাৰিপাৰ্শ্বিকৰ পৰা আমাৰ দেহক সুৰক্ষা প্ৰদান কৰে। ছালত থকা ঘাম গ্ৰন্থিবিলাকে অতিৰিক্ত পানী আৰু নিমখজাতীয় পদাৰ্থক বাহিৰলৈ নিঃসৰণ কৰি আমাৰ দেহৰ তাপমান নিয়ন্ত্ৰণ কৰি ৰাখে। ছালত থকা মেলানিন নামৰ এক পিগমেণ্টে আমাৰ দেহৰ বৰণ নিৰ্ধাৰণ কৰে। এই পিগমেণ্টে আমাৰ দেহক সূৰ্যৰ ৰশ্মিত থকা অতিবেঙুনী ৰশ্মিৰ পৰা সুৰক্ষা প্ৰদান কৰে।

ছালৰ নিজকে পুণৰ সৃষ্টি কৰিব পৰাৰ দৰে বিশেষ বৈশিষ্ট আছে। আমাৰ ছালত ঘাঁ লাগিলে ছালে নতুন কোষৰ সৃষ্টি কৰি সেই ঘাঁ শুকুৱাই পেলায়।

গুপ্তধনৰ বাকচ

এইমাহত আমি দক্ষিণ ভাৰতৰ মন্দিৰৰ চিত্ৰৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।



ৰামেশ্বৰম, তামিলনাডু



তাঞ্জাভূৰ মন্দিৰ, তামিলনাডু



গোমতেশ্বৰ মন্দিৰ, কৰ্ণাটক

তিৰুপতি মন্দিৰ, অন্ধ্ৰ প্ৰদেশ

নন্দী মন্দিৰ, কৰ্ণাটক

চোট্টানিক্কাৰা মন্দিৰ, কেৰেলা

Chandamama

Art Book

I got Chandamama art book yesterday itself. what a lighting speed. When i see the art book, my 1st impression is "superb printing". In art book each and every image is having nice description in left side of the page. Why don't you mention the description of Chandamama's cover page image monthly wise? Once again thank you for sending the artbook and Chandamama intime.

With Best Wishes,
Dr. V.V. Venkata Ramana, Hyderabad, AP

Order Now

2 Volumes

₹ 1500/-

Log on to: www.chandamama.com or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

CHANDAMAMA (Assamese) July 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Posting Date: 28/06/2012, Licensed to post regd. No. MH/MR/N/134/MBI/10-12